সুৰেন দাস মহাবিদ্যালয়, হাজো
স্থাপিত ১৯৭৯ চন

# সঙ্গম

বাৰ্ষিক আলোচনী, ২০১১-১২ বৰ্ষ



## সুৰেন দাস মহাবিদ্যালয়

হাজো - ৭৮১১০২, অসম

সম্পাদক
মইদুল ইছলাম

## Suren Das College
### Students' Union, Session 2011-12



*Siting Left to Right :* Raju Ahmed (Cultural Secretary), Samsul Haque (G.S.), Maidul Islam (Magazine Secretary)

Standing Left to Right : Mridul Hussain (Debate Secretary), Imran Hussain (Games Secretary), Sajid Mustaq (Gym Secretary)

*Not seen in photograph :* Sangita Das (Girls' Common Room Secretary), Mitali Das (Social Service),

### Editorial Board



*Left to Right :* Biswajit Kalita (Prof.- in- charge), Dr. Jyotish Ch. Barman (Advisor), Dr. Geeta Deka (Member), Dr. Ramen Talukdar (Chairman, Principal), Dr. Loopa Baruah (Member, Vice-Principal), Dr. Nityananda Kalita (Member), Dr. Ali Akbar Hussain (Member), Maidul Islam (Secretary), Samsul Haq (Member, G.S.)

Not seen in the photograph : Dr. Ripima Bujarbaruah (Teacher-Member), Tohidur Rahman Molla (Member), Semim Siddque Ahmed (Member)

# সঙ্গম

## সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী
২০১১-২০১২ বৰ্ষ

## SUREN DAS COLLEGE MAGAZINE
SESSION : 2011-2012

*Prof.-in-charge*
**Biswajit Kalita**
**Dr. Geeta Deka**

তত্ত্বাৱধায়কদ্বয়
বিশ্বজিৎ কলিতা
ড° গীতা ডেকা

*Editor*
**Moidul Islam**

সম্পাদক
মইদুল ইছলাম

## সুৰেন দাস মহাবিদ্যালয় আলোচনী (২০১১-২০১২ বৰ্ষ)


সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত আৰু মইদুল ইছলামৰ দ্বাৰা সম্পাদিত।

### সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ৰমেন তালুকদাৰ, অধ্যক্ষ |
| উপদেষ্টা | ঃ | ড° জ্যোতিষ চন্দ্ৰ বৰ্মন |
| সম্পাদক | ঃ | মইদুল ইছলাম |
| তত্ত্বাৱধায়কদ্বয় | ঃ | বিশ্বজিৎ কলিতা, ড° গীতা ডেকা |
| শিক্ষক সদস্যসকল | ঃ | ড° লোপা বৰুৱা, উপাধ্যক্ষা<br>ড° আলী আকবৰ হুছেইন<br>ড° নিত্যানন্দ কলিতা<br>ড° ৰীপিমা বুজৰবৰুৱা |
| ছাত্ৰ সদস্যসকল | ঃ | ছামচুল হক (সাধাৰণ সম্পাদক)<br>মিছ ছেমিম ছিদ্দিক আহমেদ<br>তহিদুৰ ৰহমান মোল্লা |
| বেটুপাত পৰিকল্পনা | ঃ | সম্পাদনা সমিতি |
| বেটুপাত শিল্পী | ঃ | স্বৰভানু ঘটক |
| অংগসজ্জা আৰু অলংকৰণ | ঃ | বিশ্বজিৎ কলিতা |
| প্ৰকাশক | ঃ | সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা |
| ডি.টি.পি ছেটিং | ঃ | শ্ৰীপুষ্পেন্দ্ৰ বৰা |
| মুদ্ৰণ | ঃ | শৰাইঘাট প্ৰিন্টাৰ্ছ, গুৱাহাটী - ৭৮১০০৩ |

**Dr. Himanta Biswa Sarma,** MA, LLB, Ph.D.
MINISTER
Education, Health & Family Welfare and
Implementation of Assam Accord
GOVT. OF ASSAM

DISPUR, GUWAHATI - 781006
PHONE : (0361) 2237301 (O)
2237012 (Fax)
2268419 (R)
E-mail : himantab@hotmail.com



# MESSAGE

It gives me immense pleasure to learn that the annual mouthpiece of Suren Das College, Hajo, Kamrup for the academic session 2011-12 is being published soon.

For any educational institution its annual magazine forms an integral part of the entire ensemble as it mirrors the scholastic as well as non-scholastic achievements of the institution. Besides it also acts as a whetstone to hone the literary skills of its students in the form of rich and interesting contributions as well as from its faculties.

With changing time and advancement in the field of science and technology coupled with the increasing use of information and communication technology in all spheres of life the connotation of education too has evolved. Today education no longer remains an exercise in imparting instructions within the confines of a classroom.

Government in the education department has launched multi-pronged approaches to uplift the academic atmosphere and efficiency of the centres of higher learning by way of providing financial assistance for-infrastructure development, educational/study tours, publication of journals et al. All these are expected to give the desired boost to our educational institutions so far as enrichment of its academic environment is concerned. It is hoped that the Suren Das College, Hajo, Kamrup will ever strive to contribute immensely for the academic enrichment of the state through its quality education.

I would like to convey my heartiest best wishes for the august publication.

13/5

**(Dr. Himanta Biswa Sarma)**

## সম্পাদকীয়





### এখোজ-দুখোজকৈ আগবাঢ়ি যোৱাৰ পৰিকল্পনাৰে......

অসমীয়া সমাজ জীৱনত আজি প্ৰশ্নৰ উদয় হৈছে—“আমি কোন দিশলৈ ধাৱিত হৈছো? দেশ উন্নতিৰ পথত নে?” এশ এবুৰি সমস্যাই আমাক পঙ্গু সজাইছে। হত্যা, ধৰ্ষণ, নিৰ্য্যাতন, অপহৰণ, বন্ধ, আন্দোলন আদি শিৰোনামাই আজিৰ বাতৰি কাকতৰ বিষয়বস্তু। উৎকোচ, আত্মসাৎ আদি আনুষঙ্গিক চৰিত্ৰ আছেই। নৈতিকতাক বনবাস দি অন্যায়-অনীতিক পোহপাল দিয়া হৈছে। নৰহত্যা আজি ফাকুখেল মাথোন। দেশত শাসক আছে, শাসন নাই; ধৰ্ম আছে, ধাৰ্মিক নাই; আইন আছে, আইন মানোতা নাই।

সাহিত্য সমাজৰ দাপোণ। ‘লিখনি তৰোৱালতকৈ শক্তিশালী’ বুলি এষাৰ কথা আছে। সাহিত্যিকসকলে সাহিত্য সাধনাৰ মন্ত্ৰেৰে সমাজক নিকা কৰিবলৈ আগবাঢ়ি আহিব লাগিব। সাহিত্য মানেই এক অৰ্থত মিলন ঘটোৱা। এই মিলন শব্দ আৰু অৰ্থৰ মিলন, ভাব আৰু ভাষাৰ মিলন। মুঠতে ক'বলৈ হ'লে বিপথগামী আজিৰ সমাজক সাহিত্যিকেই দিশ প্ৰদান কৰিব লাগিব।

আজিৰ এই বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত মানুহে যন্ত্ৰ সাজিছে আৰু মানুহে সজা যন্ত্ৰই মানুহ মাৰিছে। এটা সমস্যা সমাধানৰ কাৰণে সীমিত শক্তিৰ মানুহে য'ত বহুদিন বা বহু বছৰ ল'লেহেঁতেন, তেনে সমস্যাৰ সমাধান মানুহে তৈয়াৰ কৰা কম্পিউটাৰে চকুৰ পচাৰতে উলিয়াই দিছে। ৰামায়ণ, মহাভাৰত আদি মহাকাব্যবোৰৰ ৰচনা আৰু লিপিবদ্ধ কৰিবলৈ মানুহৰ বহু শতিকাৰ প্ৰয়োজন হৈছিল। কিন্তু আজি সেইবোৰ কাব্যক লিপিবদ্ধ কৰিবলৈ নিচেই কম সময়ৰ প্ৰয়োজন হৈছে। বৃহৎ আকাৰৰ গ্ৰন্থৰ পৰিৱৰ্তে এটি নিচেই সৰু বুটামৰ ভিতৰত মহাভাৰতৰ সমগ্ৰ কাহিনী লিপিবদ্ধ বা বাণীবদ্ধ কৰিব পৰা হৈছে। সময় আৰু কামক আধুনিক যুগৰ বিজ্ঞানে সংকুচিত কৰি আনিব পাৰিছে।

সুৰেন দাস মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলে মোক সাহিত্য সেৱা কৰাৰ যি এক সুবিধা দিছিল তাক হয়তো যথোপযুক্তভাৱে গ্ৰহণ কৰিব নোৱাৰিলোঁ। সেয়েহে আমাৰ সম্পাদিত এই সংখ্যাটিৰ সৰ্ব্বপ্ৰকাৰ দায়-দোষৰ বাবে সহৃদয় পাঠকৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

আলোচনী এখন সম্পাদনা কৰা কামটো বৰ কঠিন। এনে দায়িত্ব বহন কৰাত সাধাৰণ ভুল-ক্ৰটি হোৱাটো স্বাভাৱিক। আমাৰ সীমিত জ্ঞানেৰে সম্পাদনা কৰা ক্ষেত্ৰত প্ৰতিটো কথাতে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে তত্ত্বাৱধায়ক বিশ্বজিৎ কলিতা, অধ্যক্ষ ড° ৰমেন তালুকদাৰ, ড° লোপা বৰুৱা বাইদেউ, ড° গীতা বাইদেউ, ড° ৰীপিমা বাইদেউ, ড° পাৰুল দাস বাইদেউকো আমি আন্তৰিকতাৰে শলাগিছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাভাজন অধ্যাপক-অধ্যাপিকাসকলৰ অকুণ্ঠ মৰম-স্নেহৰ ওচৰত আমি আজীৱন চিৰকৃতজ্ঞ হৈ থাকিম। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত বন্ধু-বান্ধৱীসকল হ'ল—জেহেৰুল ইছলাম, আজিজুল হাকিম, গোলাম আজাদ, নুৰজামান বিন ফৰিদ, আনোৱাৰ ৰফি, ফকৰুদ্দিন আহমেদ, গোলাম মস্তোফা, চাজিদ, ৰিয়াজুল, তফজুল, আৰিফ, আফজাল, নিকু, বাবু, ইমৰান, ৰফিক, ৰুমি, বন্দনা, নিবে, হিমা, পম্পী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক শুভেচ্ছা নিবেদিছো।

**মইদুল ইছলাম**
সম্পাদক, আলোচনী বিভাগ

## সূচীপত্ৰ


| | | |
|---|---|---|
| ● হাজো ৰাজহ চক্ৰ ঃ এটি চমু ভৌগোলিক ৰূপৰেখা | ✍ জয়ন্ত কুমাৰ দাস | ১ |
| ● মধ্য যুগৰ লিপিসমূহত ‘হাজো’ | ✍ ড° নিত্যানন্দ কলিতা | ৭ |
| ● হাজো অঞ্চলৰ পুৰণি পুথি-পাঁজি ঃ এটি অধ্যয়ন | ✍ ড° লোপা বৰুৱা | ১২ |
| ● কথাগুৰু চৰিতৰ পোহৰত হাজোৰ ধোপৰগুৰি সত্ৰ আৰু লক্ষীকান্ত আতৈ | ✍ ড° ৰঞ্জু ঠাকুৰীয়া মেধি | ১৯ |
| ● ৰামদিয়া ঃ সংস্কৃতিৰ মিলন ক্ষেত্ৰ | ✍ আজিজুৰ ৰহমান | ২১ |
| ● শঙ্কৰদেৱৰ সাহিত্যত ভাষাতত্ত্ব | ✍ ড° জ্যোতিষ চন্দ্ৰ বৰ্মন | ২৩ |
| ● শঙ্কৰদেৱৰ অংকীয়া ভাওনাত নৃত্য আৰু গীত ঃ এক বিশ্লেষণাত্মক অধ্যয়ন | ✍ পংকজ নমঃ শূদ্ৰ | ৩২ |
| ● শংকৰী সাহিত্যত দৰ্শন — ভাগৱত পুৰাণত অদ্বৈতবাদ | ✍ শ্ৰীসবিতা কলিতা | ৩৭ |
| ● বিৰিঞ্চি কুমাৰ বৰুৱা “জীৱনৰ বাটত” উপন্যাসত বাস্তৱতাৰ স্বৰূপ | ✍ ড° গীতা ডেকা | ৪০ |
| ● ভ্ৰাম্যমান থিয়েটাৰ ঃ এক সমালোচনা | ✍ আব্দুল চুভান | ৪২ |
| ● ডিশ্ৰু | ✍ শ্ৰীমন্মি কাকতি | ৪৩ |
| ● অসমীয়া সংস্কৃতিত পাশ্চাত্যৰ প্ৰভাৱ | ✍ শ্ৰীঅংশুমান তালুকদাৰ | ৪৪ |
| ● পৰম্পৰাগত লোক চিকিৎসা | ✍ শ্ৰীঅমূল্য কলিতা | ৪৫ |
| ● সংগীতৰ দ্বাৰা ৰোগ নিৰাময় | ✍ ইমৰাণ হুছেইন | ৪৯ |
| ● যুৱ প্ৰজন্ম | ✍ ড° ৰীপিমা বুজৰবৰুৱা | ৫০ |
| ● শিশুৰ চিন্তা আৰু বুদ্ধিৰ সৈতে ভাষাৰ সম্পৰ্ক | ✍ ড° পাৰুল দাস | ৫৩ |
| ● পিতৃ-মাতৃৰ সামাজিক দায়বদ্ধতা | ✍ মইদুল ইছলাম | ৫৫ |
| ● সন্ত্ৰাসবাদ আৰু ইয়াৰ ভৱিষ্যৎ | ✍ ৰাহুল আলী | ৫৬ |
| ● প্ৰকৃত মানৱ | ✍ শ্ৰীৰমনী তালুকদাৰ | ৫৭ |
| ● ভাৰতবৰ্ষ আৰু দুৰ্নীতি | ✍ ৰূপমজ্যোতি দাস | ৫৯ |
| ● কল-কাৰখানা আৰু পৰিবেশৰ ওপৰত ইয়াৰ প্ৰভাৱ | ✍ শ্ৰীনিৰ্মালী কলিতা | ৬০ |
| ● বিজ্ঞানী আইনষ্টাইন | ✍ শ্ৰীধীৰাজ তালুকদাৰ | ৬৩ |
| ● ৰামানুজন | ✍ আৰিফ আলী | ৬৪ |
| ● শিৱসাগৰ ভ্ৰমণ | ✍ চৈয়দ ৰাহুল আমিন | ৬৫ |
| ● মোৰ শিক্ষামূলক ভ্ৰমণৰ চমু অভিজ্ঞতা | ✍ মইদুল ইছলাম | ৬৭ |
| ● শিক্ষামূলক ভ্ৰমণ ঃ এটি অভিজ্ঞতা | ✍ নাজমিনা ইয়াছমিন | ৬৯ |
| ● নীলা খামৰ চিঠি | ✍ ৰিংকু আহমেদ | ৭১ |
| ● আশাৰ চাকি | ✍ লুটফুৰ ৰহমান | ৭২ |
| ● মাতৃ স্নেহ | ✍ শ্ৰীসংগীতা দাস | ৭৪ |



### কবিতা


| | | |
|---|---|---|
| ● সূৰ্যোদয় ● ছায়া ছবি | ✍ মুকতাৰ হুছেইন ✍ আৱজুল আহমেদ | ৭৭ |
| ● শৰৎ | ✍ শ্ৰীশ্যামল কুমাৰ দাস | ৭৭ |
| ● আঘাত ● হাজো পঞ্চতীৰ্থ | ✍ ৰফিকুল ইছলাম ✍ মঃ ৰাজু আহমেদ | ৭৮ |

- বেদনাৰ স্মৃতি ● ভগ্ন হৃদয় — ✍ শ্ৰীচুমি মালাকাৰ ✍ মইদুল ইছলাম — ৭৯
- দিশহাৰা জীৱনত তুমি..... ● নিসংগী জীৱনৰ ক্ৰন্দন — ✍ চাৰ্জিদা বেগম ✍ চজিদুৰ ৰহমান — ৮০
- তোমাক পাহৰিব নোৱাৰো — ✍ আবুব্বকৰ আলী — ৮০
- অৰ্থহীন স্মৃতি ● নিস্তব্ধ নিশা কোন সাৰে আছে? — ✍ ফাৰুকুদ্দিন আহমেদ ✍ আৰ্জিনা বেগম — ৮১
- মহান সুধাকণ্ঠ ● মৰমৰ সুবাস বিচাৰি — ✍ কমলা দাস ✍ নৰুল ইছলাম — ৮২
- তুমি দুচকুত কাজল ল'লে ● সপোন পৰী — ✍ শ্ৰীকৰণ মেধী ✍ চাকিল আহমেদ — ৮৩
- বেদনা ● উচুপনি — ✍ আছিকুৰ ৰহমান ✍ আয়ুব্ৰ আনচাৰী — ৮৪
- ধূলি ● শূন্য হিয়াৰ মালিতা — ✍ উৎপল দাস ✍ তৈহিদুৰ ৰহমান মোল্লা — ৮৫
- শূন্যতা ● বাৰিষা — ✍ উৎপল দাস ✍ সমুজ্জ্বল মেধি — ৮৬
- Hajo : A Cultural Mosaic of Integration — ✍ Dr. Ali Akbar Hussain — ৮৭
- Impact of Ethno-Nationalism in the Politico-Administrative Aspects of Assam — ✍ Dr. Ramen Medhi — ৯০
- Human Trafficking : A Concern of Today — ✍ Bharati Medhi — ৯৫
- Women Education in Greater Hajo Area Under Kamrup District of Assam Since Independence — ✍ Dr. Binapani Talukdar — ৯৬
- A Tour to Shimla and Manali — ✍ Students of Geography Major — ৯৯
- Report of NSS Activities — ✍ Dr. Ali Akbar Hussain — ১০১
- Catalogue of Books — Suren Das College Library — ✍ H. N. Bhattacharya — ১০২
- Progress Report of Students, 2011-2012 — ১০৫
- ২০১১-১২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতা আৰু পদক প্ৰাপ্তসকলৰ তালিকা — ১০৬
- Teaching Faculty & Non-Teaching Staff — ১০৮
- বিভাগীয় সম্পাদকৰ প্ৰতিবেদনসমূহ — ১০৯-১১৪


❖❖❖

# From the Desk of the Principle




The only institution of higher education in the greater Hajo area, Suren Das College was established on the 29th August, 1979. Establishing an educational institution in the stature of a college in this area had been a dream of the people of Hajo which was translated into reality by a few philanthropists, joining hands by the multitude. This Dream of Hajo got further impetus when the college came under deficit- grant-in-aid system of the Government of Assam on January 1, 1987, followed by 2(f) 12(B) recognition by the UGC. The college authority, since its inception, with support from the community people, has made untiring efforts to excel in quality in every respect to cater to the needs of the students as well as the parents. Today it is one of the advanced rural colleges of Assam, where the students have access to a number of courses, apart from H.S.( arts/science) and B.A. courses, like PGDCA, certificate course in Photography, certificate course in Human Rights, IDOL study centre etc. etc. Efforts are also being made to introduce as many as career oriented programmes and innovative courses as possible, so that our students can have greater employment opportunities and march ahead in the present competitive world. I am committed to raise this institution to one of the best colleges in the state with sincere co-operation from all stake holders concerned.

In this regard, it might be appropriate to mention the academic performances of the students. In the year 2012, we achieved 100% pass percentage in H.S. (science) final examination with seventeen numbers of students getting first division. In H.S. (arts) final examination we had 90.1% pass percentage. In TDC Part II final examination the pass percentage was 40.1, while in TDC Part III final examination the pass percentage was 88.48. This is well above the GU overall pass percentage. However, there is greater scope for us to improve this overall academic performance of the students. The Semester system has, however, yielded much better results in matters of Semester Examinations. The following few pages trace some of the activities that the college undertook during the academic session, 2011-2012.

I congratulate the members of the Editorial Board, including the Magazine Secretary and the Professor in-charge, for their efforts to publish the college magazine.

Thanking you

**Dr. Ramen Talukdar, Principal**
Suren Das College Hajo


# A View of the College Campus




Suren Das College Library





Boys Common Room




Girls' Common Room



Computer Lab



Language Lab



Seminar Hall



V. Set Facility




Day Care Centre



Refreshing Room for Gents Teachers



Uninterrupted Power Supply




Play Ground




Digital Photostat Machine




Pure Drinking water facility




Volley Ball Coaching



Modern Toilet facility


Boys' Hostel



Girls' Hostel


The Swahid Vedi

# Activities During 2011-2012



A two day UGC Sponsored National Seminar was organized by the college on the issue of "Ethnic Conflict and Identity Crisis among Different Ethnic Groups in North-East India" on 7 and 8th January, 2011.

Civil Defense Department, Government of Assam, organized a five day "Civil Defense Training and Awareness Camp" on Disaster Management from 10-08-2012 to 14-08-2012. As many as one hundred students of the college participated and undertook training as to how to tackle a disaster.







World Environment Day celebrated, organized by Seuji Dharani, an NGO, in collaboration with Suren Das College on 11-01-2013. Dr. Dulal Goswami, an environmentalist of international repute, graced the occasion.



Workshop on "Personality Development and How to Face Interview" was held on 19-01-2013 under the auspices of Rotary Club of Guwahati South. Dr. Priam Goswami, HOD, Department of history, GU, and Tarun Ch Bordaloi and Swapanjyoti Sarma delivered speech as Resource Person.



In connection with the birth anniversary of Swami Vivekanada, the national Youth Day was observed in our college on 22-01-2013.


College Foundation Day on August 29, 2012. Mr. P. Jidung, D.H.E, Assam inaugurated the Seminar Hall of the college. Dr. Lakshminandan Borah, ex-president of Asam Sahitya Sabha graced in occasion.



The Folklore Society of Assam in collaboration with Suren Das College, Hajo organized Dr. Prafulladatta Goswami Memorial Lecture on "Sadhukathar kathakota Sangrah Aru Sankalan" on 19-11-2012. Dr. Prabin Chandra Das, eminent folklorist, delivered a thought provoking lecture on the topic.



A National Seminar on "Sankaradeva and His Philosophy" was organized by Sankaradeva Sachetan Mancha, Assam in collaboration with Suren Das College, Hajo on 10-11-2012.




Aided by the excursion grant of the Government of Assam, a group of thirty five students under supervision of three teachers and one library staff undertook an educational trip to Kolkata.




Our College participated in and won the Runners Up prize in the inter college volleyball competition hoisted by Guwahati college, Guwahati.




Saraswati Puja was celebrated on February 2, 2013 in an atmosphere of Joy and festivity.




Freshers' Social, Dr. Amalendu Chakrabarty delivering a speech.







The College youth festival was held from 21-08-2012 to 25-08-2012

# Teaching & Non Teaching Staff







**The IQAC CELL of the College**

*from left* : Dr. Ramen Medhi, Dr. Nityananda Kalita, Dr. Ali Akbar Hussain (Co-ordinator), Dr. Ramen Talukdar (Principal), Dr. Loopa Baruah (Vice Principal), Dr. Mina Kumari Devi, Biswajit Kalita

*Not seen in photograph* : Dr. Ripima Buzarbaruah




Administrative staff of the College, *from left* : Champak Chowdhury, Ramesh Oza, Abinash Das (Internal Auditor)

*Not seen in photograph* : Harakumar Das, Kishore Kumar Das

# Our Pride



Dr. Nityananda Kalita, Associate Professor in History, was awarded Ph.D. degree by Gauhati University in november 2012 on his research topic "A historical perspective of ethonic conflict in NE India : with special reference to Karbianglong and N C Hills districts."



Dr. Anjana Sarmah, Associate Professor in Political Science, was awarded Ph.D degree by Gauhati University in november 2012 on her research topic "Woman's participation in political decision making in the grass root level : A case study of two blocks of Kamrup district."




Pankaj Namashudra (middle), Deptt. of Assamese, in a dancing posture at National Dance Competition, held in June 2012 at Pune, Maharashtra. He own first prize in the group dance segment.



# হাজো ৰাজহ চক্ৰ ঃ এটি চমু ভৌগোলিক ৰূপৰেখা

✍ জয়ন্ত কুমাৰ দাস
মুৰব্বী অধ্যাপক, ভূগোল বিভাগ

অসমৰ কামৰূপ (গ্ৰাম্য) জিলাৰ হাজো ৰাজহ চক্ৰ প্ৰাকৃতিক, আৰ্থ-সামাজিক আদি সকলো দৃষ্টিকোণৰ পৰা এটি গুৰুত্বপূৰ্ণ অঞ্চল। গুৱাহাটীৰ পৰা ৩২ কিঃমিঃ উত্তৰ-পশ্চিমে মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত এই অঞ্চলটো মুঠ ১৩৭ খন ৰাজহ গাঁৱৰ সমষ্টি। অঞ্চলটোৰ ৩৬১.১৯ বৰ্গ কিঃমিঃ মাটিকালিত মুঠ ২,৬২,১০৩ জন লোক বাস কৰে। গুৱাহাটী মহকুমাৰ অন্তৰ্গত ৰাজহ চক্ৰটোত দুটা উন্নয়ন খণ্ড (হাজো আৰু শুৱালকুছি) আৰু চাৰিখন মৌজা (হাজো, ৰামদিয়া, পূৱ বংশৰ আৰু পশ্চিম বংশৰ) আছে।

> হাজো ৰাজহ চক্ৰৰ মধ্য অঞ্চলটো এটা সক্ৰিয় প্লাৱন ভূমি। এই ঠেক অঞ্চলটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ হাজো-গুৱাহাটী আৰু শুৱালকুছি-শিঙিমাৰী গড়কাপ্তানি পথৰ দুয়োকাষ জুৰি বিস্তৃত হৈ আছে। ই সৰু-বৰ নদী-উপনদী আৰু জান-জুৰিৰে ভৰা। গ্ৰীষ্মকালত অধিক পৰিমাণৰ বৰষুণ হয় বাবে এই অঞ্চলত প্ৰায়ে বানপানী হয়। এই বানপানীয়ে ব্ৰহ্মপুত্ৰৰ পাৰত বিশাল প্লাৱন ভূমিৰ সৃষ্টি কৰিছে। প্লাৱন ভূমিবোৰ উৰ্বৰা হোৱাৰ কাৰণে এইবোৰ খেতিৰ বাবে অতি উপযোগী। এইবোৰ বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰ আদৰ্শ আবাসস্থল।

**অৱস্থিতি ঃ**

হাজো ৰাজহ চক্ৰ গুৱাহাটীৰ উত্তৰ-পশ্চিমে মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত। অঞ্চলটো ২৬°১০′ উত্তৰ অক্ষৰেখাৰ পৰা ২৬°২৯′৩০″ উত্তৰ অক্ষৰেখালৈ আৰু ৯১°২৬′৫০″ পূৱ দ্ৰাঘিমাৰেখাৰ পৰা ৯১°৪১′ পূৱ দ্ৰাঘিমাৰেখা পৰ্যন্ত বিস্তৃত। ই পূৱা-পশ্চিমাকৈ প্ৰায় ২২.২ কিঃমিঃ আৰু উত্তৰা-দক্ষিণাকৈ প্ৰায় ১৯.২ কিঃমিঃ। আকৃতিত ই এটা প্ৰায় বৃত্তৰ দৰে।

পূৱে আজ্ঞাঠুৰী পাহাৰ, পশ্চিমে মোৱামাৰী নদী, উত্তৰে কুৰিজিনি নদী, বৰম্বৈ পাহাৰ আৰু চাউলখোৱা নদী আৰু দক্ষিণে মহাবাহু ব্ৰহ্মপুত্ৰই অঞ্চলটোৰ সীমা নিৰ্ধাৰণ কৰিছে।

**ভূ-প্ৰকৃতি ঃ**

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত হাজো অঞ্চল বৃহৎ ব্ৰহ্মপুত্ৰ উপত্যকাৰে এটি ক্ষুদ্ৰ অংশ। উপত্যকাটোৰ আন অংশৰ দৰে এই অংশটোও প্ৰকৃততে নদী গঠিত সমভুমি আৰু সক্ৰিয় প্লাৱন ভূমি। অঞ্চলটো বিভিন্ন নদী-উপনদীৰ যুগ যুগ ধৰি চলি অহা খনন আৰু অৱক্ষেপণ কাৰ্য্যৰে সৃষ্টি। সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৫০ মিটাৰ উচ্চতাত থকা অঞ্চলটোৰ ভূমিৰ ঢাল ১.৬ ছেঃমিঃ/কিঃমিঃতকৈও কম।[১]

ভূ-প্ৰকৃতিৰ ফালৰ পৰা হাজো ৰাজহ চক্ৰক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি[২] ঃ

**ক) উত্তৰৰ নদীগঢ়া পলস সমভূমি ঃ** উত্তৰৰ জলাহ-পিতনি, বিল, আদিৰ নদীগঢ়া পলস ভূমি চাউলখোৱা, পুঠিমাৰী, আৰু কিছুপৰিমাণে চেচাঁ নদীয়ে অৱক্ষেপণ কৰা পুৰণি আৰু নতুন পলসেৰে গঠিত। অঞ্চলটোৰ পূৱৰ ৯১°৩১′ পূৱ দ্ৰাঘিমালৈ জলাহ-পিতনিৰে ভৰা। নদ-নদীৰ পাৰত অসংখ্য বিল, খাল সিঁচৰতি হৈ আছে। সৰু-বৰ বহু জান-জুৰি বা সুঁতি মূল নদীৰ লগত লগ লাগিছে। অঞ্চলটোৰ ভূ-প্ৰকৃতিৰ এটা মনকৰিবলগীয়া বৈশিষ্ট্য হ'ল বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা বিলবোৰ। আজ্ঞাঠুৰী আৰু আলাবৈ পাহাৰৰ মাজৰ দ অঞ্চলত দীঘেলী আৰু কুৰিজিনি বিল আৰু তাৰ কিছু পশ্চিমে বগাধোবা, পানধোবা, ভকুৱা, বৰকুৱা আৰু ডুবামাৰি বিল। বৰম্বৈ পাহাৰৰ দক্ষিণে থকা অংশটো সম্পূৰ্ণৰূপে পিতনি আৰু জলাশয়। এই অংশৰ প্ৰধান বিল হ'ল ইটানি, কয়াজিনি আৰু গৰজন। হাজোৰ ওচৰৰ বিলবোৰৰ ভিতৰত পিটকাটি, সাতদলা, হোঁহকা উল্লেখযোগ্য। দামপুৰ আৰু সানপাৰা সংৰক্ষিত বনাঞ্চলৰ মাজত থকা নিতাই বিল হাজো চক্ৰৰ অন্যতম প্ৰধান বিল।

**তালিকা নং - ১ ঃ হাজো ৰাজহ চক্ৰৰ জনসংখ্যা বৃদ্ধি (১৯১১-২০১১)**

| চন | জনসংখ্যা | শতকৰা বৃদ্ধি |
|---|---|---|
| ১৯১১ | ৬৬,৬৫৮ | — |
| ১৯২১ | ৭২,৬৫৩ | ১৯.৮ |
| ১৯৩১ | ৮৫,৬৫৩ | ১৭.৯ |
| ১৯৪১ | ১,০৪,৩৪৬ | ২১.৮ |
| ১৯৫১ | ১,১৬,৬৩৯ | ১১.৮ |
| ১৯৬১ | ১,৫১,৬৮৬ | ৪০.৩৪ |
| ১৯৭১ | ১,২৯,৯৯৬ | ২৩.১৬ |
| ১৯৯১ | ১,৮৮,১০০ | ৪৪.৭ |
| ২০০১ | ২,২৪,৩৮১ | ১৯.২৯ |
| ২০১১ | ২,৬২,১০৩ | ১৬.১৮ |

উৎস ঃ লোক গণনা অসম, ১৯১১-২০১১

**তালিকা নং - ২ ঃ হাজো ৰাজহ চক্ৰৰ লিংগানুপাত (১৯৭১-২০১১)**

| চন | পুৰুষ | মহিলা | লিংগানুপাত |
|---|---|---|---|
| ১৯৭১ | ৬৮,১৬৮ | ৬১,৮৩২ | ৯০৭ |
| ১৯৯১ | ৯৭,৭৫১ | ৯০,৩৪৯ | ৯২৫ |
| ২০০১ | ১,১৫,৯২৯ | ১,০৮,৮৫২ | ৯৩৫ |
| ২০১১ | ১,৩৪,৬৫৬ | ১,২৭,৪৪৭ | ৯৪৬ |

উৎস ঃ লোক গণনা অসম, ১৯৭১-২০১১

২০১১ চনৰ লোকপিয়ল মতে অঞ্চলটোৰ মুঠ জনসংখ্যাৰ ১,৮৪,২৫৯ জন (৭০.৩০%) শিক্ষিত। ইয়াৰে পুৰুষ ১,০১,৪৩৫ জন (৭৫.৩৩%) আৰু মহিলা ৮২,৮২৪ জনী (৬৪.৯৯%)। শিক্ষিতৰ হাৰ গাঁও অঞ্চলত ৬৭.৭৭% আৰু নগৰত ৮২.৭৭%। সেইদৰে অঞ্চলটোৰ মুঠ কৰ্মৰত লোকৰ সংখ্যা ৬৭,২৩৫ (২৯.৯৭%)। তাৰে ৫৪,৯৪৬ জন (৮১.৭২%) মুখ্য কৰ্মৰত, ১২,২৮৯ জন (১৮.২৮%) প্ৰান্তীয় কৰ্মৰত আৰু বাকী ১,৫৭,১৪৬ জন (৭০.০৩%) নিযুক্তিহীন শ্ৰেণীত পৰে। এই তথ্যই অঞ্চলটোত আশ্ৰিতৰ সংখ্যা অধিক থকাতো বুজায়। অৰ্থাৎ প্ৰতিজন শ্ৰমিকে চাৰিজন লোকক ভৰণ-পোষণ দিব লাগে। আকৌ অঞ্চলটোৰ মুঠ কৰ্মৰত লোকৰ ১৯,০৯৬ জন (২৮.৪০%) কৃষক, ৬,৮৩৮ জন (১০.১৭%) কৃষি শ্ৰমিক, ১২,১২২ জন (১৮.০৩%) কুটীৰ শিল্পৰ শ্ৰমিক। অৱশিষ্ট ১৭৯ জন (৪৩.৪০%) লোকহে অন্যান্য ক্ষেত্ৰৰ কৰ্মী। তলৰ তালিকাত অঞ্চলটোৰ কৰ্মৰত লোকৰ গাঁথনি দেখুওৱা হৈছে।





**তালিকা নং - ৩ ঃ হাজো ৰাজহ চক্ৰৰ কৰ্মৰত লোকৰ গাঁথনি, ২০০১**

| নিয়োগ খণ্ড | মুঠ কৰ্মীৰ শতাংশ | কৰ্মী সংখ্যা | | |
|---|---|---|---|---|
| | | মুঠ | পুৰুষ | মহিলা |
| কৃষক | ২৮.৪০ | ১৯,০৯৬ | ১৭,৮৯০ | ১,২০৬ |
| কৃষি | ১০.১৭ | ৬,৮৩৮ | ৪,৭০৯ | ২,১২৯ |
| কুটীৰ শিল্পৰ শ্ৰমিক | ১৮.০৩ | ১২,১২২ | ৫,২৩৮ | ৬,৮৮৪ |
| অন্যান্য ক্ষেত্ৰৰ শ্ৰমিক | ৪৩.৪০ | ৬৭,২৩৫ | ২৫,২২৩ | ৩,৯৫৬ |

উৎস ঃ লোক গণনা অসম, ২০০১

**যাতায়াত আৰু যোগাযোগ ঃ**

পৰিবহন হ'ল মানৱ সভ্যতাৰ বাহক। কোনো এটা অঞ্চলৰ অৰ্থনৈতিক প্ৰগতিৰ হাৰ ক্ষীপ্ৰতৰ কৰিবলৈ হ'লে এটি সুচল পৰিবহন ব্যৱস্থাৰ অতি প্ৰয়োজন। হাজো অঞ্চলৰ যাতায়াত, পৰিবহন ব্যৱস্থা অনুন্নত। একমাত্ৰ পথ পৰিবহনৰ বাহিৰে অঞ্চলটোত এতিয়ালৈকে অন্য কোনো ধৰণৰ পৰিবহন ব্যৱস্থা গঢ়ি উঠা নাই। অঞ্চলটোৰ মুঠ পথৰ দৈৰ্ঘ্য ৫৫৮.৭৬০ কিঃমিঃ। গড়কাপ্তানি পথ ২৪৩.৭৫০ কিঃমিঃ। ইয়াৰে ৮৮.২২০ কিঃমিঃ পকী আৰু ১৫৫.৫৩০ কিঃমিঃ শিল দিয়া।

হাজো-গুৱাহাটী-নলবাৰী পথেই অঞ্চলটোৰ প্ৰধান পথ। আন আন উল্লেখযোগ্য পথবোৰ হ'ল— শিঙিমাৰী-শুৱালকুছি-বামুন্দী পথ, হাজো-ৰামদিয়া-বামুন্দী পথ, চেচাঁ-বৰম্বে পথ, দদৰা-পঁচৰীয়া-চেচাঁ পথ, কুলহাটী-বংশৰ পথ, হাজো-বাগটা-দিহিনা পথ, হাজো-হাঁহদিয়া-ৰামদিয়া পথ, হাজো-ভেলামাৰী-বংশৰ পথ। আটাইবোৰ পথৰেই অৱস্থা আশানুৰূপ হিচাপে উন্নত নহয়। এইবোৰৰ বাহিৰেও অঞ্চলটোত ভালেমান গ্ৰাম্যপথ আৰু পঞ্চায়ত পথ আছে। পথবোৰ ঠেক হোৱাত যান-বাহনৰ চলাচলত অসুবিধা হয়। বিশেষকৈ বৰষুণৰ বতৰত কেঁচা পথেৰে যাতায়াত কৰাসকলে জীয়াতু ভুগিব লগা হয়।

যোগাযোগৰ ক্ষেত্ৰত অৱশ্যে অঞ্চলটো কিছু উন্নত। হাজো, কুলহাটী আৰু শুৱালকুছি ডাকঘৰৰ লগতে অঞ্চলটোত মুঠতে ৩১টা উপ-ডাকঘৰ আছে। হাজো, কুলহাটী, বামুন্দী আৰু শুৱালকুছিত দূৰসংযোগ (বি.এচ.এন.এল.) কেন্দ্ৰ আছে। এইবোৰে দেশৰ বাকী অংশৰ লগত অঞ্চলটোৰ যোগাযোগ ৰক্ষা কৰিছে। এয়াৰটেল, এয়াৰচেল, ৰিলায়েন্স, ভোডাফোন আদি প্ৰতিষ্ঠানৰ ভ্ৰাম্যভাষ (মোবাইল) সেৱা সমগ্ৰ অঞ্চলটোতে উপলব্ধ। তদুপৰি হাজো আৰু শুৱালকুছি সামূহিক তথ্য কেন্দ্ৰই হাজো অঞ্চলৰ যোগাযোগৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন দৈনিক আৰ সাপ্তাহিক কাকতৰ লগতে পযেকীয়া আৰু মাহেকীয়া আলোচনীসমূহো অঞ্চলটোৰ যোগাযোগৰ অন্যতম মাধ্যম। ইণ্টাৰনেট সেৱাই অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰি তুলিছে। এই তথ্য প্ৰণালীৰ গ্ৰাহক তথা প্ৰেৰক যন্ত্ৰ হিচাপে ব্যৱহৃত কম্পিউটাৰ যন্ত্ৰ সম্প্ৰতি অঞ্চলটোৰ বিভিন্ন কাৰ্য্যালয়, আৱাসগৃহ, দোকান-পোহাৰ, শিক্ষানুষ্ঠানত পৰিলক্ষিত হৈছে। এনেবোৰ যন্ত্ৰৰ সহায়ত পৃথিৱীৰ যিকোনো বিষয়ৰ তথ্যকে তৎমূহূৰ্ত্ততেই অতিশয় বিতং ৰূপত পোৱাতো সম্ভৱ হৈছে। শেহতীয়াভাৱে ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে হাজো অঞ্চলটো ডি ডি ডাইৰেক্ট প্লাছ নামৰ চৰকাৰী ডি টি এইচকে ধৰি ডিছ্ টিভি, টাটাস্কাই, ছান ডাইৰেক্ট, ৰিলায়েন্স বিগ টিভি, এয়াৰটেল ডিজিটেল টিভি আৰু ভিডিঅ'কন ডি টি এইচ নামৰ ব্যক্তিগত কোম্পানীয়ে ডি টি এইচ সেৱা প্ৰদান কৰি আহিছে। ই যোগাযোগৰ অন্যতম জনপ্ৰিয় মাধ্যম হিচাপে পৰগণিত হৈছে আৰু ইয়ে যোগাযোগ ব্যৱস্থাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

**উদ্যোগ ঃ**

উদ্যোগৰ ক্ষেত্ৰত অসম আজিকোপতি গা-কৰি উঠিব পৰা নাই। হাজো অঞ্চলো তাৰ ব্যতিক্ৰম নহয়। অঞ্চলটোত তেনে কোনো বৃহৎ বা মজলীয়া আকাৰৰ উদ্যোগ গঢ়ি উঠা নাই। অৱশ্যে অঞ্চলটো কুটীৰ শিল্পত আগবঢ়া। হাজোৰ পিতল শিল্প আৰু শুৱালকুছিৰ পাট-মুগা শিল্পই ভাৰতৰ ঔদ্যোগিক মানচিত্ৰত এক সুকীয়া স্থান অধিকাৰ কৰিছে। পিতল শিল্পত উৎপাদিত কলহ, চৰিয়া টৌ, লোটা, থালি, ডুণৰি, গছা, নামঘৰৰ কলচী, দবা, জাতি, খৰাহী, শৰাই আদি সামগ্ৰীবোৰে দেশ-বিদেশৰ পৰ্য্যটকক আকৰ্ষণ কৰে। সেইদৰে শুৱালকুছিৰ ছাঁতে শুকুৱা মুঠিতে লুকুৱা পাট কাপোৰ আৰু সোণবৰণীয়া মুগাৰ কাপোৰে দেশ-বিদেশত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ৰামদিয়াৰ কমাৰ শিল্পত মানুহৰ দৈনন্দিন ব্যৱহাৰ্য্য সঁজুলি যেনে— দা, কটাৰী, কুঠাৰ, কোৰ, কাঁচি, যাঠি-জোং আদি নিৰ্মাণ কৰি আহিছে। আন কুটীৰ শিল্পৰ ভিতৰত মৃৎশিল্প,

কুহিলা শিল্প, স্বৰ্ণ শিল্প, বাঁহ-বেতৰ শিল্প, কাঠৰ আচবাব বনোৱা শিল্পই প্ৰধান। ইয়াৰ বাহিৰেও ছপাশাল, চাবোন, লোৰ গ্ৰিল, গেট, মম, বিস্কুট বনোৱা, চাইকেল, মটৰ চাইকেল মেৰামতি কৰা কাৰখানা, ধান, সৰিয়হৰ মিল আদি আছে। এইবোৰত যথেষ্ট সংখ্যক লোকে কৰ্মসংস্থান পাইছে আৰু অঞ্চলটোৰ আৰ্থিক উন্নয়নত এই উদ্যোগবোৰৰ ভূমিকা লেখতল'বলগীয়া। ❑

**প্ৰাসংগিক পুথি ঃ**


১। Das, J. K. : *"Development of Tourism and its impact on the people of Hajo Revenue Circle, Kamrup (Rural), Assam"*, An unpublished M.Phil Dissertation, V.M.U., Tamil Nadu, 2008.

২। Deka, S. C. : *"Hajo Development Block of Assam : A Geographical Analysis of Dynamics of its Rural Transformation"*, An unpublished Ph.D Thesis, G.U. Assam, 1991.

৩। Census of India, 2001. Primary Census Abstract, Assam, Series-19.

৪। P.W.D., Hajo, 2007.

৫। S.D.C., Office, Hajo, 2011.

৬। ভাগৱতী, অৱনী কুমাৰ ঃ *"অসমৰ প্ৰাকৃতিক পৰিৱেশ"*, সংকলন প্ৰকাশন, গুৱাহাটী - ৬, ২০০২।

৭। *"চৈতন্য"*, স্মৃতিগ্ৰন্থ, ৰামদিয়া-বঙালটোলা চৈতন্য সত্ৰৰ সোণালী জয়ন্তী উৎসৱ, ২০০৫।

৮। *"মণিকূট"* স্মৃতিগ্ৰন্থ, অসম সাহিত্য সবা, ৬৫তম হাজো অধিবেশন, ১৯৯৯।

৯। স্মৃতিগ্ৰন্থ, হাজো আঞ্চলিক ছাত্ৰ সন্থা, ২২তম বাৰ্ষিক অধিবেশন, হাজো, ২০১০।


**প্ৰসংগ টোকা ঃ**


১। S. C. Deka Deka : *"Hajo Development Block of Assam A Geographical Analysis of Dynamics of its Rural Transformation,"* An unpublished Ph.D. Thesis, 1991, G.U., p. 103.

২। শৰৎ চন্দ্ৰ ডেকা ঃ *বৃহত্তৰ হাজো ঃ এটি ভৌগোলিক বিশ্লেষণ*, 'মণিকূট' স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, ৬৫তম হাজো অধিবেশন, ১৯৯৯, পৃঃ ১।

৩। উপৰোক্ত গ্ৰন্থ, পৃঃ ১।

৪। ড° প্ৰদীপ কুমাৰ দাস ঃ *ভূ-বিজ্ঞানীৰ দৃষ্টিত হাজো*, 'মণিকূট', স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, ৬৫তম হাজো অধিবেশন, ১৯৯৯ পৃঃ ২৩।

৫। অক্ষয় কলিতা ঃ *হাজো-সুঁতিৰ ইতিবৃত্ত*, 'চৈতন্য' স্মৃতিগ্ৰন্থ, ৰামদিয়া-বঙালটোলা চৈতন্য সত্ৰৰ সোণালী জয়ন্তী উৎসৱ, ২০০৫ পৃঃ ৩৯।








# মধ্য যুগৰ লিপিসমূহত 'হাজো'

✍ ড° নিত্যানন্দ কলিতা
মূৰব্বী অধ্যাপক, ইতিহাস বিভাগ

বৰ্তমানৰ অসম মুলুকৰ মধ্য যুগৰ ইতিহাস চৰ্চা এক গুৰুত্বপূৰ্ণ বিষয়। পুৰণি 'কামৰূপ' নামেৰে জনাজাত এই ভূখণ্ডৰ ইতিহাস প্ৰণয়নৰ প্ৰচেষ্টা লিপিসমূহৰ যথোচিত অধ্যয়ন অবিহনে কেতিয়াও সম্ভৱ নহয়। সংস্কৃত, আহোম, অসমীয়া আৰু পাৰ্চীয়ান ভাষাত ৰচিত এনে অসংখ্য লিপি সংগৃহীত কৰি প্ৰকাশ কৰা হৈছে। ইয়াৰে প্ৰায় ১৫৬খন লিপি (সংস্কৃত আৰু অসমীয়া ভাষাত লিখা) সংগ্ৰহ কৰি অতি মনোৰম ভাৱে প্ৰাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগদেৱে 'প্ৰাচ্য শাসনাৱলী' নামেৰে প্ৰকাশ কৰিছে। লিপি সাহিত্যৰ ক্ষেত্ৰত 'প্ৰাচ্য শাসনাৱলী'য়ে এক অভাৱ পূৰণ কৰাৰ উপৰিও অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছে। ই কেৱল ইতিহাসৰ ছাত্ৰৰ বাবেই নহয়, এই ভূখণ্ড সম্পৰ্কে জানিব খোজা যিকোনো ব্যক্তিৰ বাবেই আপুৰুগীয়া সম্পদ।

নেওগদেৱে সংগ্ৰহ কৰি প্ৰকাশ এই লিপিসমূহ বিভিন্ন ঠাইৰ পৰা সংগৃহীত হোৱা বাবে এই লিপিসমূহে বিভিন্ন ঠাইৰ মধ্যযুগৰ বিভিন্ন স্থানীয় অৱস্থাৰ বিষয়ে আলোকপাত কৰিছে। এই লিপিসমূহৰ পৰা সেইসময়ৰ ভাষা, জনগাঁঠনি, মন্দিৰ পৰিচালনা নাইবা বিভিন্ন আৰ্থ-সামাজিক দিশ সম্পৰ্কে জানিব পাৰি। আমাৰ এই আলোচনা নেওগদেৱ প্ৰণীত 'প্ৰাচ্য শাসনাৱলী'ৰ পৰা হাজো সম্পৰ্কীয় কিছু লিপি প্ৰকাশ কৰা হ'ল। লগতে এই লিপিসমূহ বুজিবলৈ নেওগদেৱৰ মন্তব্যও তলত উল্লেখ কৰা হ'ল। এই লিপিসমূহে আহোম, কোচ আদি বিভিন্ন সম্প্ৰদায়ৰ শাসনৰ বিভিন্ন অংগসমূহৰ ইংগিত দিব। হাজোত ৰাজ্য শাসন, ৰাজনীতি, ন্যায়বিচাৰ, ৰাজস্ব শাসন, কৰাৰোপণ ব্যৱস্থা, শাসকসকলৰ ধৰ্মসংক্ৰান্তীয় নীতি আৰু শাসন আদিৰ বিষয়ে চমুকৈ হ'লেও অতি স্পষ্ট ইংগিত দিয়ে। উল্লেখযোগ্য যে হাজোৰ হয়গ্ৰীৱ-মাধৱৰ পূজা-অৰ্চনাৰ বাবে ৰুদ্ৰসিংহদেৱে ১৬৩৩ শকৰ চ'তত দিয়া ৰূপৰ সামগ্ৰীৰ ভিতৰত এটা ৰূপৰ কলহত ৰজাৰ নাম আৰু তাৰিখ খোদিত আছে বুলি ধৰণীকান্ত শৰ্মাদেৱে কামাখ্যা তীৰ্থৰ ৮১নং পৃষ্ঠাত উল্লেখ কৰিছে।

## হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ শিলৰ ফলি

শ্ৰীশ্ৰীমদ্-ৱিশ্বসিংহঃ ক্ষিতিপতিৰভৱত্তৎ-সুতঃ খ্যাত-কীৰ্ত্তিঃ
শ্ৰীমৎ-শ্ৰীমল্লদেৱো নৃপতিৰতিমতিৰ্নিৰ্জ্জিতাৰাতি-জাতিঃ।
গাম্ভীৰ্য্যৌদাৰ্য্য-শৌৰ্য্য-প্ৰথিত-পৃথু-যশো-ধৰ্ম্ম-কৰ্ম্মাৱদাৰ্ত
শ্ৰীমচ্ছুক্লধ্বজাখ্যো ব্ৰজনি তদনুজো যদ্-ৱশেহশেষদেশঃ।।
সাক্ষাদ্ৰাঘৱ-পুঙ্গৱো দিশি দিশি প্ৰখ্যাত-কীৰ্ত্তি-ব্ৰজো
হন্তাপুণ্যজনস্য যো ৱিধি-ৱশাদ্ যঃ কামৰূপেশ্বৰঃ।।
যো যো ৱাখিল-লোক-শোক-দহন-জ্বালাৱলী-ৱাৰিদঃ
শ্ৰীমচ্ছ্ৰীৰঘুদেৱো ভূপতিৰভূৎ শুক্লধ্বজসৌৰসঃ।।
তস্যাশেষজন-প্ৰসাদ-জনকঃ শ্ৰীকৃষ্ণ-পাদাৰ্চ্চকো
ভূপঃ প্ৰাপ্তৱয়া গদাধৰ-কৃত-প্ৰাসাদ-ৰত্নং ৱ্যাধাৎ।।
মণ্যাখ্যানগিৰৌ হয়াসুৰ-ৰিপো ৰত্নাশ্মমানাস্পদং
শাকে ৱাণ-বিৱত্তিথৌ গুণিৱৰঃ কাৰুঃ স্বয়ং শ্ৰীধৰঃ।।

১৫০৫ শক।।

ব্যাখ্যা ঃ দাতা ৰজা— ৰঘুদেৱনাৰায়ণ। বিগ্ৰহ— হয়াসুৰ-ৰিপু বা হয়গ্ৰীৱ-মাধৱ। তাৰিখ— ১৫০৫ শক বা ১৫৮৩ খ্ৰীষ্টাব্দ। স্থান— কামৰূপৰ হাজোৰ মণিকূট নামৰ টিলা।

কোচবেহাৰৰ নৰনাৰায়ণ ৰজাই তেওঁৰ ভায়েক শুক্লধ্বজৰ মৃত্যুৰ পিছত শুক্লধ্বজৰ পুতেক ৰঘুদেৱনাৰায়ণক পুত্ৰৱৎ স্নেহ কৰি 'পাটকোঁৱৰ' নাম দি লৈছিল। সকলোৱে ভাৱিছিল নৰনাৰায়ণৰ পিছত ৰঘুদেৱেই কোচবেহাৰৰ ৰজা হ'ব, কাৰণ ৰজাৰ কোনো ল'ৰা নাছিল। কিন্তু শেষ বয়সত তেওঁৰ লক্ষ্মীনাৰায়ণ নামে পুত্ৰ হ'ল। ৰঘুদেৱে লাহে লাহে ৰাজপাটৰ আশা এৰি দিলে আৰু শেষত ফুৰুহা খাওঁ বুলি সপৰিবাৰে ৰাজধানী ত্যাগ কৰি মানাহ নৈৰ পাৰৰ বৰনগৰৰ ওচৰত দুৰ্গ নিৰ্মাণ কৰি ৰ'লহি আৰু নৰনাৰায়ণৰ প্ৰতি স্পষ্টকৈয়ে বিৰূপ ভাৱ প্ৰকাশ কৰিবলৈ ধৰিলে। অগত্যা ৰজাই ভতিজাকৰ লগত যুদ্ধ দিবলৈ আগবাঢ়ি আহিল। কিন্তু ৰণক্ষেত্ৰত ৰঘুদেৱৰ ছকুৰি মাদৈক যুঁজাৰুৰ বেশত দেখা পাই লাজত তলমূৰ কৰিলে আৰু সোণকোষ নৈক সীমা কৰি ৰাজ্যৰ পূৱ অংশ ৰঘুদেৱক এৰি দিলে; সেয়ে হ'ল নতুন কামৰূপ ৰাজ্য। ৰঘুদেৱে 'ছোট ৰজা' উপাধিৰে কামৰূপ শাসন কৰিব, নৰনাৰায়ণক বছৰি কৰ দিব আৰু টকা কৰিলে নৰনাৰায়ণৰ নামো সংযোগ কৰিব—এয়ে সিদ্ধান্ত হ'ল।

হয়গ্ৰীৱ-মাধৱৰ মন্দিৰ কিবা কাৰণত (প্ৰৱাদমতে কালাপাহাৰে ভঙাত) বিধ্বস্ত হোৱাত ৰঘুদেৱে ১৫০৫ শকত (১৫৮৩ খ্ৰীষ্টাব্দ) তাক শ্ৰীধৰ নামৰ এজনৰ হতুৱাই পুনৰ্নিৰ্মাণ কৰায়। এই ফলিত ৰঘুদেৱে বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ নাম লৈছে, কিন্তু নিজকে ভূপতি বুলি বৰ্ণাইছে। ১৫১০ শকত তেওঁ নিজৰ স্বাধীন নামত চাব মাৰিছিল।

(১৬৬১), ৪২, ১৩২-১৩৪ (১৬৬৩), ৪৩-৪৫ (১৬৬৪), ১৩৬ (১৬৬৫), ৪৬-৪৯ (১৬৬৬), ৫০-৫১ (১৬৬৭), ৫২-৫৩ (১৬৭১), ৫৪-৫৬ (১৬৭২), ৫৭ (১৬৭৩), ৫৮-৬০ (১৬৭৪), ৬১ (১৬৭৫), ১৩৭ (১৬৭৬) আৰু ৬৪ (১৬৭৭) ফলি এইজনা বৰফুকনৰ। এইমতে দেখা যায় এওঁ ২১ বছৰ কাল বৰফুকন বিষয় খাইছিল শিৱসিংহ, প্ৰমত্তসিংহ আৰু ৰাজেশ্বৰসিংহৰ ৰাজত্বত।

১৬৭৭ শকত ডেকাজনা বা গদাধৰ বৰফুকনৰ পুত্ৰ বহিখোৱা ওৰফে দশৰথ বৰফুকন হয় ৰাজেশ্বৰসিংহৰ কালতে। এওঁক দুৱৰা ফুকন বা দুৱৰা বৰফুকন মাথোন বুলিও উল্লেখ কৰা আছে। ৬৫ (১৬৭৭), ৬৭ (১৬৮০), ৬৯, ৭০ (১৬৮১), ৭১, ৭২ (১৬৮৬) আৰু ৭৭ (১৬৮৭) ফলিবোৰ এওঁ দিয়া। এওঁৰ পিছত এওঁৰ দদায়েক তামূলীজনা বৰফুকন হয় ৰাজেশ্বৰসিংহৰ দিনতে।

বিজয়, তেওঁৰ পুত্ৰ গদাধৰ, তেওঁৰ পুত্ৰ দশৰথ, তেওঁৰ দদায়েক তামুলী— এই চাৰিজনেই তৰুণ দুৱৰা বংশৰপৰা হোৱা বৰফুকন।

'কামৰূপৰ বুৰঞ্জী'ৰ পৰিশিষ্ট-ক অনুসৰি এই বৰফুকন কেইজনৰ ভোগ কাল ঃ সৰুজনা দুৱৰা বৰফুকন ১৬৩৬ শকৰ পৰা আৰম্ভ কৰি ১ বছৰ; দিহিঙীয়া ফুকনৰ (১৬৪৯ ৰপৰা প্ৰকৃততে ১৬৪৮ ৰপৰা) ৯ বছৰ; ডেকাজনা দুৱৰা ফুকনৰ ১৬৫৭ ৰপৰা ২০ বছৰ, পুতেক দুৱৰা ফুকনৰ ১৬৭৭ ৰপৰা ১২ বছৰ, আৰু দদায়েক (বহিখোৱা) ফুকনৰ ১৬৮৯ ৰপৰা দুবছৰ। *(প্ৰাচ্য শাসনাৱলী)*

## হাজোৰ কেদাৰ-মন্দিৰৰ ইটাৰ গড়ৰ দুৱাৰৰ ফলি

স্বস্তি সমস্ত-সুৰাসুৰ-শিৰোমণিয়মণি(?)-শ্ৰীশ্ৰীহৰি-হৰ-গৌৰী-চৰণ-নখ-চন্দ্ৰ-চকোৰ-ৱাসৱ-বংশ-সৰোৰুহ-মণিকৰ(?)-দিনকৰ-কামৰূপ-সৌমাৰেশ্বৰ-ধৰ্ম্ম-ধাৰ্ম্মিক-পালন-পৰায়ণ-শ্ৰীশ্ৰীৰাজেশ্বৰসিংহ-ধৰাধিনাথস্তৎপদাৰবিন্দ-মধুকৰ-দুৱৰা-স্বয়-সম্ভুত-শ্ৰীযুত-তৰুণ-গদাধৰ-বৃহৎফুক্কনাত্মজ-সকল-গুণ-নিধান-ৰত্নাকৰ-শ্ৰীদশৰথ-দুৱৰা-বৃহৎফুক্কনেন মদন-গিৰিৱৰে কেদাৰাখ্য-শিৱ-মন্দিৰ-ৱেষ্টকাৱিষ্টাকালয়-প্ৰাকাৰ-দ্বাৰৌ নিৰ্মিতৌ আকাশ-দন্তাৱল-ৰসেন্দূ-শাকে।। ১৬৮০।।

ব্যাখ্যা ঃ ৰজা— ৰাজেশ্বৰসিংহ। পাত্ৰ— গদাধৰ তৰুণ দুৱৰা বৰফুকনৰ পুত্ৰ দশৰথ দুৱৰা বৰফুকন। তাৰিখ—১৬৮০ । স্থান— হাজোৰ মদন পৰ্বত।

ডক্টৰ সূৰ্যকুমাৰ ভূঞাই 'মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ' প্ৰবন্ধত (বাঁহী ১৫, ১১ ফাগুন, ১৮৪৭, পিঠি ৬৫২) ফলিখনিৰ পাঠ দিছে। পাঠটি তেওঁ সোণাৰাম চৌধুৰীৰপৰা পাইছিল। "উদাসীন সত্যশ্ৰৱাৰ ভ্ৰমণ"তো এই ফলিৰ কথা আছে বুলি কোৱা হৈছে। কামৰূপ অনুসন্ধান সমিতিৰ বহীৰপৰা পাঠটি লোৱা হ'ল। তাত "বেষ্টাকামেষ্টকালয় প্ৰকাৰ দ্বাৰৌ" (ৱেষ্টকাৱিষ্টাকালয়-প্ৰাকাৰ-দ্বাৰৌ) পাঠ লোৱা হৈছিল। শ্ৰীধৰণীকান্ত দেৱশৰ্মা পাণ্ডাৰ "কামাখ্যা তীৰ্থ" পুথিত ফলিখনিৰ পাঠ তুলি দিয়া হৈছে। ডক্টৰ ভঞা সম্পাদিত "কামৰূপ বুৰঞ্জী"ৰ প্ৰথম পৰিশিষ্ট "গুৱাহাটী ক্ষেত্ৰ পৰ্ব্বত"'ত আছে, "কেদাৰৰ পৰ্ব্বতৰ নাম মদনাচল"। মনকৰিবলগীয়া ইয়াত ৰাজেশ্বৰসিংহক "কামৰূপ-সৌমাৰেশ্বৰ" বোলা হৈছে।

'কালিকা পুৰাণ'ত (৮২শ অধ্যায়) আছে ঃ

ভস্মকূটস্য চৈশান্যাং মণিকূটো মহাগিৰিঃ।
মণিকৰ্ণো নাম হৰস্তত্ৰ তিষ্ঠতি লিঙ্গকম্।।
স সদ্যোজাত-ৰূপস্তু মণিকৰ্ণ ইতীৰিতঃ।
সদ্যোজাতস্য মন্ত্ৰেণ পূজিতব্য- সদাশিৱঃ।।

এই মণিকূটৰ পূৱলৈ সুমঙ্গলা অৰ্থাৎ বৰনদী।

## হয়গ্ৰীৱ-মাধৱৰ অখণ্ড-প্ৰদীপৰ হৈ দেৱালয়ৰ জমিৰ তামৰ ফলি

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণৰেৱ শ্ৰীগৌৰীনাথসিংহ নৰেশ্বৰে ৶৭ শ্ৰীশ্ৰীহয়গ্ৰীৱ-মাধৱৰ অখণ্ড প্ৰদীপ জলাবৰ কাৰণে ৭২৭ পুৰা দেৱালয়ৰ জমি শ্ৰীকৃষ্ণদাহ আঠপৰীয়া ও শ্ৰীমোলান ভৰালকাকতিক তাম্ৰফলি কৰি দিয়ে। এই মাটীৰ ৰূপ শ্ৰীকৃষ্ণদাহ আঠপৰীয়া, শ্ৰীমোলান ভৰালকাকতি পুত্ৰপৌত্ৰাদিক্ৰমে সাধি থাকিব। ইতি। শক ১৭১০, ৯ কাৰ্ত্তিক।

ব্যাখ্যা ঃ ৰজা— গৌৰীনাথসিংহ। গ্ৰহীতা— কৃষ্ণদাহ আঠপৰীয়া আৰু মোলান ভৰালকাকতি। তাৰিখ— ৯ কাতি, ১৭১০ শক। স্থান— হাজো।

এই ফলিৰ নকল অনুসন্ধান সমিতিৰ বহীত তোলা আছে। কাৰপৰা বা ক'ৰপৰা পোৱা হৈছে উল্লেখ নাই। দানৰ ৭২৭ পুৰা মাটি ক'ত আছে তাৰ বিষয়ে নকলটোৰপৰা জানিব পৰা নাযায়। *(প্ৰাচ্য শাসনাৱলী)*

## হয়গ্ৰীৱ-মাধৱৰ হৰি-কীৰ্তনাৰ্থে দেহৰ পৰগণাৰ ভূমি দানৰ তামৰ ফলি

শ্ৰীৰামঃ

শ্ৰীশ্ৰীহয়গ্ৰীৱ-মাধৱ

শ্ৰীশ্ৰীস্বৰ্গদেৱ-শ্ৰীশ্ৰীচন্দ্ৰকান্তসিংহ-তদ্ধগ্নত(?) শ্ৰীশ্ৰীপদ্মাৱতী দেৱীনাং (মোহৰ) শ্ৰীমাধৱাঙিঘ-যুগ-পদ্ম-পৰায়ণ-শ্ৰীশ্ৰীচন্দ্ৰকান্ত-নৃপতি-নৃপ-চক্ৰৱৰ্ত্তী-কুন্দেন্দু-পাৰদ-সহোদৰ-কান্ত-কীৰ্ত্তি-তেজো-ৱিনিৰ্জ্জিত-হুতাশ-প্ৰচণ্ড-মূৰ্ত্তিঃ স্বস্তি শ্ৰীমৎ-সংৰম্ভোত্তাভিনিস্থিত (?) নিৰ্ব্বন্ধং সুনিভিন্ন-ৰক্ষ-স্থল-স্বামিং(?) সংমুখ-ৱৈৰী-ৱনিতা-জন-তৃগণ্ডু-নিৰ্জ্জৰ-নৃত্য(?)যশোৰাজহংস সামদমৰেশ্বৰং স্বাৱতংস(?) শ্ৰীমচ্চন্দ্ৰকান্ত-নৰেশ্বৰ-নিদেশিতঃ শ্ৰীমদ্‌লান্মাখৰু-কুল-কুমূদ-নিশাকৰ-শ্ৰীমদ্‌বৃহৎ-ফুক্কন-শ্ৰীবেথা-ৰামস্য . তাম্বুলীফুক্কনস্য নৃপ-তন্মহিষী-কুমাৰাণাং মঙ্গলাৰ্থং প্ৰাক্‌প্ৰবৃত্ত-সভ্ৰোৎসৱ-স্থানীয়-হৰি-কীৰ্ত্তনোৎ-সৱাৰ্থং শ্ৰীমৎহয়গ্ৰীৱ-মাধৱায় প্ৰতিসম্বৎসৰং দধিগ্ৰামায়-মৃত্তিকাকৰং সমিতিধোপ্যানি(?) প্ৰাদাদিতি। শাকে হুতাশ-যুগ-সপ্ত-শশাঙ্কসংখ্যে।

এতদ্বিৱৰণং কামৰূপ দেশৰ বডুৱা ও বৰকায়স্থ ও চৌধাৰী ও পাটোয়াৰী তালুকদাৰ ও ঠাকুৰীয়া ও গইৰহ সাৱধানে শুনিবি দেহৰ পৰগণাৰ দধি তালুকৰ শ্ৰীশ্ৰীগৌৰীনাথসিংহ ৶৶দেৱে দিয়া অখণ্ড প্ৰদীপত বাব লৈ বাঢ়ি থকা পেৰা ডগা দেবলিয়াৰ জমা মাটীৰ চই মহিনা সোধাব লগা নিজ দধিৰ ১১ ৰূপ খুদ্ৰদধিৰ মালি ন সিকা সহিতে ৯ বড়গাঁৱৰ মালি ন সিকা সহিতে ৩।। পোতনি ডুবিৱাল সহিতে ১। গেডুয়াৰ মালি ন কিসা সহিতে ৬। অভয়পুৰীয়া ৫ আসচৰা আইভেটি ন সত্ৰৰ হৈ খাতা পৰগণাৰ খানা তালুকৰ কাকত ৯১ বিল কুঢ় সহিতে ৩ মুঠতে ৪০ দুকুৰি তিনি অনা ৰূপ ৶৶দেৱৰ পৰ্ব্বতীয়া কুঁৱৰী গোহাঞিদেৱৰ কুশলাৰ্থে ৶৶৶ ঠাইত মাঘ মাহৰ দশমী তিথিৰ পূৰ্ব্বে দ্বাদশ যাত্ৰা আছিল সেয়ে লোপ পালত সম্প্ৰতি নবিনকৈ বৎসৰি সভাযাত্ৰা কৰিবৰ নিমিত্তে দিয়া গ'ল এই ৰূপখনি সন্তোদাশ চৌধুৰীৰ পুত্ৰপৌত্ৰাদিক্ৰমে আধি ৶৶৶ৰ ভণ্ডাৰত শোধাব। ভণ্ডাৰি দেৱালয়ৰ পাঁচোটা সজাতি খলা কাকতি এই সকলেৰে চৌধাৰীয়ে সভাত ব্যৱস্থা খৰচ কৰিব আনো পৰ্ব্বত যাৰ যি বৃত্তি মূৰে দিয়ে সে নিবন্ধে সভাতো দিব। দলৈ মেল চলোৱা ৰাজখোৱা মেতেৰি মেনা এইহঁতে কাৰবাৰ কৰি বৎসৰি কৰাব। সভাৰ মণিকূট ৰঙা চালি সকলো খেলৰ দোয়ালৰ মানুহে কৰিব। এই পাইকেৰ জমাৰ খনি বৎসৰি চমুৱাকৈ সোধাব মাৰেচা ২ টকা ৰূপ সভাত বৎসৰি ভাঙ্গিব ইহা জমা মাটিৰ পদ পঞ্চক বেথ বেগাৰ চোৰ চিনলা ধুমুচি মাৰেচা জলকৰ জৰক্ষাৰ হাট ঘাট চৌকি ফাট দান খুত ৰাজদণ্ড ব্যতিৰেকে সৰ্ব্ব বাব পৰিত্যাগ হৈল। ইহাত কোনোজনে অন্যথা নাচৰিবেক। আচৰিলে ধৰ্মত ভ্ৰষ্ট হৈবেক। ইতি সন ১৭৪৩ সাল তাৰিখ ১০ চৈত্ৰ।

ব্যাখ্যা ঃ দাতা-দাত্ৰী—চন্দ্ৰকান্তসিংহ আৰু পৰ্বতীয়া কুঁৱৰী পদ্মাৱতী দেৱী। পাত্ৰ— লান্মাখৰুৰ বেথাৰাম বৰফুকন। স্থান— কামৰূপৰ দেহৰ পৰগণা। তাৰিখ— ১৭৪৩ শক, ১৩ চ'ত।

Copied from the certified copy issued by the Supdt., Commissioner's Office, A.V.D., on 5.10.25 বুলি ডক্টৰ সূৰ্যকুমাৰ ভূঞাই এই ফলিৰ নকল কৰি ৰাখিছিল। ফলিখনৰ সংস্কৃত অংশৰ পাঠ গলিত আৰু দুৰূহ। মোহৰৰ অংশৰ 'তদ্বগ্নত' শব্দটো 'তদনুগত' হোৱা সম্ভৱ নেকি?

আহোম ৰজাসকলৰ এইখনেই শেষ ফলিৰ এখন যেন লাগে। ১৭৪২ শকৰ ২ চ'তত চন্দ্ৰকান্তসিংহ গুৱাহাটীলৈ গ'ল। গুৱাহাটীলৈকে মান আগবাঢ়ি যোৱাত ৰণত থাৱৰিব নোৱাৰি স্বৰ্গদেউ গুৱাহাটীৰ পৰাও ভটীয়াই গ'ল। তামুলী ফুকনে লেখিছে, "পাচে মিঙ্গিমাহা তিলোৱাই স্বৰ্গদেৱত নিৰাসা হৈ, ঐ বগা কোঁৱৰৰ পুতেক জোগেশ্বৰ সিংহক ১৭৪৩ শকৰ ১২ আঘোণত ৰাজ্য স্থিৰ হ'বৰ মনস্থেৰে লোক দৰ্সকৰূপে ৰজা নাম দি, নিজে ৰাজত্ব কৰি আচিলে।" ইয়াৰ পিছত মান-আহোমৰ মহগৰৰ ৰণত চন্দ্ৰকান্তসিংহ থাৱৰিব নোৱাৰি ১৭৪৪ শকৰ জেঠত ভটীয়াই পৰদেশ পালেগৈ। দেখা যায়. মানে যোগেশ্বৰসিংহক নামত ৰজা পাতি উজনিত দেশ চলোৱা সময়তে ভাটীত চন্দ্ৰকান্তসিংহই আৰু তেওঁৰ পৰ্বতীয়া কুঁৱৰী পদ্মাৱতীয়ে কামৰূপত এই ফলি কৰাই জমি দিয়ে।

মনকৰিবলগীয়া যে এই ফলিৰ দ্বাৰা 'প্ৰাক্‌প্ৰবৃত্ত-সভ্ৰোৎসৱ-স্থানীয়-হৰি-কীৰ্ত্তনোৎ-সৱাৰ্থং' অৰ্থাৎ 'মাঘ মাহৰ দশমী তিথিত পূৰ্ব্বে দ্বাদশ যাত্ৰা আছিল। সেয়ে লোপ পালত সম্প্ৰতি নবিনকৈ বৎসৰি সভাযাত্ৰা কৰিবৰ নিমিত্তে' ভূমি-কৰ আছুতীয়াহৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে। ৰামচন্দ্ৰ দাস বৰপাত্ৰই ১৬০৮ শক অৰ্থাৎ ১৬৮৬ চনত ৰচনা কৰা 'যোগিনী তন্ত্ৰ' (বা হয়গ্ৰীৱ-মাধৱ' বা 'মণিকূট') গ্ৰন্থৰ পৰা দেখা যায় সেই তাৰিখৰ পূৰ্বতে সত্ৰৰ আৰ্হিত নাম-কীৰ্তন-প্ৰসঙ্গ প্ৰৱৰ্তন কৰা হৈছিল আৰু মন্দিৰৰ ভিতৰৰ পূজা-আৰতিৰ উপৰি ভাগৱত বাঠ, নাম, গায়ন-বায়ন, বিয়াহৰ গীত আদি পুৱাৰ পৰা ৰাতিলৈকে চলিছিল। ১৫০৬ শকত বা ১৫৮৪ চনত অৰ্থাৎ শঙ্কৰদেৱৰ মৃত্যুৰো ১৬ বছৰৰ পিছত হাবি তলৰপৰা সম্পূৰ্ণ বিধ্বস্ত অৱস্থাত উলিয়াই ৰঘুদেৱনাৰায়ণে হয়গ্ৰীৱ-মাধৱৰ মন্দিৰ নিৰ্মাণ কৰা সময়তে মহাপুৰুষীয়া আৰ্হিৰ হৰি-নাম-কীৰ্তন, গায়ন-বায়ন প্ৰৱৰ্তিত হোৱাটো ধৰিব পাৰি। শঙ্কৰদেৱৰ সহচৰ, শিষ্য আৰু পুৰোহিত ৰামৰামৰ জোঁৱাই কণ্ঠভূষণ মন্দিৰৰ পূজাৰী নিযুক্ত হৈছিল। মন্দিৰত বিয়াহৰ ওজাপালিও এই সময়ৰ পৰাহে চলে। মনকৰিবলগীয়া যে লক্ষ্মীসিংহ ৰজাৰ দিনত বিয়াহৰ ওতা শাগৰক (সাগৰ) ক্ষেত্ৰি পৰগণাৰ মৰা গাঁও আদিত ৬১ পুৰা মাটি দিয়া হয়। *Journal of Oriental Research, Madras (September 1952 — June 1953)*-অত ওলোৱা আমাৰ Hayagrīva worship in Assam প্ৰবন্ধত তাৰ বহল আলোচনা কৰা হৈছে।

ৰাণী পদ্মাৱতী দেৱী সম্পৰ্কে হৰকান্ত বৰুৱা সদৰামিনৰ "আসাম বুৰঞ্জী"ত (১৯৩০) আছে ঃ

"এইজনা স্বৰ্গদেৱে বেঙ্গেনা আটীয়া সত্ৰৰ ভকতৰ জীয়ৰী পদ্মাৱতী নামক ছোৱালী এটি চক্ষুত লগা দেখি নাচনিয়াৰ কৰি ৰাখিলে। পৰে যুৱত হোৱাতে লিগিৰী কৰি চাঙ্গত তুলিলে। পাচে স্বৰ্গদেৱে ভাল পাই কুঁৱৰী পাতিবৰ মনস্থ কৰিলে।" ২৪২।।

"কিন্তু কুঁৱৰী পাতিবৰ হ'লে ডাঙ্গৰীয়াসকলৰ সন্মতি ল'ব লাগে। বুঢ়াগোঁহাঞি ডাঙ্গৰীয়াত সোধাত ডাঙ্গৰীয়াই এইমত ক'লে বোলে, স্বৰ্গদেউ, কুঁৱৰী পাতিব লাগিলে গোহাঁঞিপৰীয়া আহোম অথবা চাৰিঘৰীয়া অথচ লাহন ও সন্দিকৈ ও দিহিঙ্গীয়া ও দুৱৰা আহোমৰ ছোৱালী আনি কুঁৱৰী পতাৰ নিয়ম আছে। সেই অনুসাৰে তেওঁলোকৰ ঘৰৰ ছোৱালী আনি কুঁৱৰী পতা শ্ৰেয়স্। অতি সামান্য ভকতৰ জীয়ৰী, বিশেষ হিন্দুৰ জীয়ৰী, এতেতে বৰকুঁৱৰী ও পৰ্ব্বতীয়া কুঁৱৰী ও ৰাইডঙ্গীয়া কুঁৱৰী পতা ভাল নহয়। তথাপি যদি স্বৰ্গদেৱে কুঁৱৰী পাতিবৰ মনস্থ কৰিছে চমুৱা কুঁৱৰীকে পাতক; এই কথা ক'লে। পৰে স্বৰ্গদেৱে ডাঙ্গৰীয়াৰ কথা নুশুনি পৰ্ব্বতীয়া কুঁৱৰী পাতিলে। কিন্তু ডাঙ্গৰীয়াই সেই কুঁৱৰীক সেৱা নকৰিলে। ৬ ।।" (পৃষ্ঠা ৮৫)

বৰ্তমান ফলিত পদ্মাৱতী পৰ্বতীয়া কুঁৱৰী (ৰজাৰ দ্বিতীয় পৰ্যায়ৰ ৰাণী) আৰু তেওঁৰ পুত্ৰ কোঁৱৰসকলৰ মঙ্গলৰ অৰ্থে পেৰাৰ ধন অৰ্থাৎ ৰাজকোষলৈ যাব লগা টকা পৱিত্ৰ উছৱৰ হকে বাৰ্ষিকৰূপে দান দিয়া হৈছে। *(প্ৰাচ্য শাসনাৱলী)* ❑

# হাজো অঞ্চলৰ পুৰণি পুথি-পাঁজি ঃ এটি অধ্যয়ন

✍ ড° লোপা বৰুৱা
উপাধ্যক্ষা

অতি প্ৰাচীন কালৰে পৰা অসমত (পুৰণি কামৰূপ ৰাজ্য) হাতেলিখা পুথিৰ এক পৰম্পৰা চলি আহিছে। বাণভট্টৰ *হৰ্ষ-চৰিতত* উল্লেখ পোৱা অনুসাৰে সুদূৰ সপ্তম শতিকাতে কামৰূপৰ ৰজা ভাস্কৰ বৰ্মণে তেওঁৰ মিত্ৰ কণৌজৰ ৰজা হৰ্ষবৰ্ধনলৈ বিভিন্ন বস্তুৰ লগতে কিছু লেখন সামগ্ৰী আৰু পাঁচখন অগৰু ছালত লিখা পুথিও উপহাৰ স্বৰূপে পঠিয়াইছিল [Bhuyan 1930 : xiii]। ইয়াৰ পৰা অনুমান কৰিবলৈ টান নহয় যে তাৰো বহু আগৰে পৰাই অসমত লেখন সঁজুলিৰ ব্যৱহাৰ আছিল। অসমৰ মাটিত প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা অগৰু বা সাঁচিগছৰ বাকলি বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰি পুথি-পাঁজি লিখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। তদুপৰি, *পুৰণি অসম বুৰঞ্জীত* উল্লিখিত কমতাপুৰৰ ৰাজ মহিষী সুশুদ্ধি ওৰফে গড়মা কুঁৱৰীক অন্তেষপুৰত প্ৰতিদিনে ৰাজপুৰোহিত নীলাম্বৰৰ পুত্ৰ চন্দ্ৰশেখৰে কবি হেম সৰস্বতী ৰচিত হৰ-গৌৰী-সম্বাদ নামৰ পুথি পাঠ কৰি শুনোৱাৰ ঘটনাটোৱেও উক্ত কথা দৃঢ়ভাৱে প্ৰতিপন্ন কৰে। বেণুধৰ শৰ্মা [১৯৬৬ ঃ ১৫৪]-ৰ মতে খ্ৰীষ্টজন্মৰ ৪০০ বছৰমানৰ পূৰ্বৰে পৰাই ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চলত বসবাস কৰি থকা আৰ্যভাষীসকলে তুলাপাত ব্যৱহাৰ কৰিব জানিছিল। এই কথা ঠিক যে তুলাৰে কাগজ তৈয়াৰ কৰা পদ্ধতি ভাৰতবৰ্ষত তাতোকৈও বহু আগৰে পৰাই প্ৰচলিত আছিল। কিন্তু সেয়ে হ'লেও এই পৰম্পৰাৰ কথা অসমীয়া 'তুলাপাত' শব্দটোৱেহে ৰাখি থৈছে। এতিয়াও অসমৰ কোনো কোনো বয়সস্থ লোকে কাগজক তুলাপাত বুলিয়েই কয়। পুৰণি কালত অসমীয়া মানুহে অকল যে তুলাৰে তৈয়াৰী পাততে লিখন-কাৰ্য সম্পাদন কৰি লিখিছিল তেনে নহয়; তেওঁলোকে বাঁহৰ কামি, মাদুৰি বনৰ নিচিনা দীঘল আৰু তাতোকৈ অলপ বহল এবিধ বন-পাত, ভূটিয়াই অনা ভুজপাত, সাঁচিপাত আদিতো লিখন-কাৰ্য সম্পাদন কৰিছিল। কেতিয়াবা আকৌ জন্তুৰ ছাল, তামোলৰ ঢকুৱা আদিও এই কামৰ বাবে ব্যৱহাৰ কৰা হৈছিল। পাণ্ডুলিপি লিখাৰ ক্ষেত্ৰত অৱশ্যে প্ৰধানকৈ সাঁচিপাত আৰু তুলাপাতৰ ব্যৱহাৰ চলিছিল। বিশেষকৈ ৰজাঘৰীয়া নথি-পত্ৰ তথা বুৰঞ্জীপুথি, ধৰ্মগ্ৰন্থ আৰু চিত্ৰ অঙ্কিত পুথি-পাঁজিবোৰ লিখিবলৈ সাঁচিপাত আৰু তুলনামূলকভাৱে কম মূল্যৱান বুলি বিবেচিত পুথি আৰু ব্যক্তিগত দলিল আদি লিখিবলৈ তুলাপাত ব্যৱহাৰ কৰা হৈছিল।

পুৰণি কালত অসমীয়া মানুহে অকল যে তুলাৰে তৈয়াৰী পাততে লিখন-কাৰ্য সম্পাদন কৰি লিখিছিল তেনে নহয়; তেওঁলোকে বাঁহৰ কামি, মাদুৰি বনৰ নিচিনা দীঘল আৰু তাতোকৈ অলপ বহল এবিধ বন-পাত, ভূটিয়াই অনা ভুজপাত, সাঁচিপাত আদিতো লিখন-কাৰ্য সম্পাদন কৰিছিল। কেতিয়াবা আকৌ জন্তুৰ ছাল, তামোলৰ ঢকুৱা আদিও এই কামৰ বাবে ব্যৱহাৰ কৰা হৈছিল। পাণ্ডুলিপি লিখাৰ ক্ষেত্ৰত অৱশ্যে প্ৰধানকৈ সাঁচিপাত আৰু তুলাপাতৰ ব্যৱহাৰ চলিছিল।

পুৰণি কালত অসমত পুথি-পাঁজি নকল কৰিবৰ বাবে লিখক আৰু খনিকৰ নামৰ দুই শ্ৰেণীৰ লোক আছিল। তেওঁলোক আছিল উক্ত বিদ্যাত অতিশয় পাৰ্গত [ঠাকুৰীয়া ১৯৯০ ঃ ১৯৪]। ইয়াৰ বাবে তেওঁলোকে পাৰিশ্ৰমিক লাভ কৰিছিল আৰু সমাজেও তেওঁলোকক যথেষ্ট সন্মানৰ চকুৰে চাইছিল। পুথিৰ লিখকেও যথেষ্ট নিষ্ঠা সহকাৰে উক্ত কাৰ্যত নিজকে নিয়োজিত কৰিছিল। বহু সময়ত ৰজাঘৰীয়া কৰ পৰিশোধ কৰিব নোৱাৰি এনে লেখকে পুথিকে নকল কৰি দিয়াৰ দৃষ্টান্তও আছে। পুথিৰ শেষত 'ভীমেস্যাপি ৰণে ভঙ্গো মুনীনাঞ্চ মতিভ্ৰমঃ, যথা দৃষ্টং তথা লিখিতং লিখনে নাস্তি দূষণম' বুলি পুথি লিখোঁতে হ'ব পৰা দোষৰ বাবে ক্ষমা বিচাৰিবলৈকো তেওঁলোকে পাহৰা নাছিল।





সাঁচিগছৰ পৰা পাত তৈয়াৰ কৰা প্ৰক্ৰিয়াটো আছিল অতিশয় দীঘলীয়া আৰু কষ্টকৰ। ১৫/১৬ বছৰীয়া সাঁচিগছৰ বাকলি এৰুৱাই প্ৰথমে ধোঁৱাচাঙত শুকুৱাই লোৱা হয়। তাৰ পাছত খাৰণিত সিবোৰৰ খাৰ গুচাই পুনৰ শুকুওৱা হয়। এইবাৰ বাকলিবোৰ নিৰ্দিষ্ট আকাৰত কাটি কটাৰী বা অন্য কোনো চোকা অস্ত্ৰেৰে চাঁচি-চুৰুকি মিহি কৰি পুনৰ শুকুওৱা হয়। তাৰ পাছত মাটিমাহৰ ৰস ঘঁহি হালধীয়া ৰং বোলাই পুনৰ শুকুৱাই ধাৰ থকা কটাৰীৰে চাঁচি বা অন্য কোনো ধাতুৰে ভালদৰে মোহাৰি চিকচিকীয়া কৰা হয়। ইমানখিনি পৰিশ্ৰমৰ পাছতহে লিখিবৰ বাবে উপযোগী একোখিলা পাত সাজু হৈ উঠে।[1] এই সময়তে পাতবোৰৰ ঠিক সোঁমাজত বিন্ধা একোটা কৰি লোৱা হয়, যাতে জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থ'ব পৰা যায় [শৰ্মা ১৯৬৬ ঃ ১৫৫, নেওগ ১৯৬৬ ঃ ৭৯-৮০]।

পুথি লিখিবৰ বাবে কাপ, মহীচুঙা, কুটনী, আঁকমাৰি আৰু বিন্ধনা আদি সঁজুলি ব্যৱহাৰ কৰা হৈছিল। কোমল বাঁহৰ লেকেচি, ঢেঁকীয়া, নল-খাগৰি আদিৰ পৰা কাপ তৈয়াৰ কৰি লোৱা হৈছিল। চিএগহীৰ তেতিয়াৰ নাম আছিল মহী আৰু চিএগহী ৰখা পাত্ৰ, অৰ্থাৎ দোৱাতক বোলা হৈছিল মহীচুঙা বা মৈলাম। সাধাৰণতে চৰুৰ তলৰ ছাই বা বৰা-চাউলৰ ছাই, কেহৰাজ বনৰ ৰস, লোৱাচুৰ, গৰুৰ মূত, শিলিখা, আমৰ ছাল, জামুকৰ ছাল আদি বস্তু একলগে কেৰাহীত সিজাই মাটিৰ চৰু এটাত ভৰাই নিয়ৰত থৈ দিয়া হয়। এনে কৰাৰ পাছত চৰুটোৰ বাহিৰ ভাগত ঘামি ঘামি যি ৰস ওলায় তাৰ নামেই মহী। এই কাপ-মহীৰেই প্ৰাচীন অসমত অসংখ্য সাঁচিপতীয়া আৰু তুলাপতীয়া পুথি ৰচিত হৈছিল। কোনো কোনো উল্লিখিত প্ৰণালীৰে তৈয়াৰী মহী-ৰসত কুচিয়াৰ তেজো মিহলাই হৈছিল বুলি জনা যায় [শৰ্মা ১৯৬৬ ঃ ১৫৫, নেওগ ১৯৬৬ ঃ ৮০]।

অসমত পুৰণি হাতে লিখা পুথিসমূহ ঘাইকৈ ৰজাঘৰ, সত্ৰ, নামঘৰ, মঠ-মন্দিৰ আৰু ডা-ডাঙৰীয়াৰ ঘৰত সংৰক্ষিত হৈছিল। সম্ভৱতঃ সেইবোৰ তেনে স্থানতেই লিখোৱাও হৈছিল। সত্ৰ আৰু মন্দিৰত ইয়াৰ পৃষ্ঠপোষকতা কৰিছিল ধৰ্মাধিকাৰসকলে। আনহাতে ৰজাঘৰত ইয়াৰ বাবে সুকীয়া ব্যৱস্থা আছিল। কমতাৰাজ দুৰ্লভনাৰায়ণ, কোচ ৰজা নৰনাৰায়ণ, আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাজেশ্বৰ সিংহ আদি ৰজাৰ পৃষ্ঠপোষকতাত অসমত অনেক পুথি ৰচিত হোৱাটো সৰ্বজন বিদিত। আহোম ৰজাই পুথি সংৰক্ষণৰ বাবে গন্ধীয়া ফুকন নামৰ এজন বিষয়া নিয়োগ কৰিছিল। এইজনা ফুকনে গন্ধীয়া ভঁৰালত পুথিবোৰ সংৰক্ষণ কৰি ৰাখিছিল। আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী পুথিসমূহৰ কথা এই প্ৰসঙ্গত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ বাহিৰেও অন্যান্য ৰজাঘৰীয়া নথি-পত্ৰও গন্ধীয়া ফুকনৰ দায়িত্বতে সংৰক্ষিত হৈছিল। মঠ-মন্দিৰসমূহত প্ৰাচীন সংস্কৃত গ্ৰন্থ, ব্যাকৰণ শাস্ত্ৰ, ভাগৱত, পুৰাণ আদি সংৰক্ষিত হৈছিল। আনহাতে সত্ৰ আৰু নামঘৰসমূহত বৈষ্ণৱ ধৰ্মৰ সৈতে সম্পৰ্কীত ধৰ্মীয় গ্ৰন্থসমূহ ৰখা হৈছিল. ডা-ডাঙৰীয়া পৰিয়ালসমূহত সংৰক্ষিত পুথিত ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল কীৰ্ত্তন, দশম, নামঘোষা, আদি যামাল, বিবিধ পুৰাণ, ৰত্নাৱলী আদি। আকৌ কোনো কোনো ব্যক্তিৰ হাতত বিশেষকৈ বেজালি কৰি ফুৰা লোকৰ হাতত মন্ত্ৰ পুথি আৰু তাৰ লগে লগে চিকিৎসা বিদ্যাৰ পুথি থকাটোও এই ক্ষেত্ৰত লেখতল'বলগীয়া [ঠাকুৰীয়া ১৯৯০ ঃ ১৯৬]।

পুৰণি পুথিবোৰৰ কিছুমানত চিত্ৰ অঙ্কন কৰা হৈছিল। এনে সচিত্ৰ পুথিবোৰৰ কিছুমানৰ মাজত উৎকৃষ্ট চিত্ৰকলাৰ নিদৰ্শন পোৱা যায়। সাধাৰণতে ৰজা, ৰাজকোঁৱৰ, ডা-ডাঙৰীয়াসকলৰ নিৰ্দেশত পুথি চিত্ৰায়িত হৈছিল যদিও বহু সময়ত লেখক বা নকলকাৰৰ নিজৰ ইচ্ছাৰ বাবেও ছবি অঙ্কিত হৈছিল। এনে পুথিৰ ভিতৰত সুকুমাৰ বৰকাথৰ *হস্তীবিদ্যাৰ্ণৱ* বিশেষভাৱে উল্লেখযোগ্য। সাধাৰণতে পুথিৰ অঙ্গসজ্জা কৰিবৰ বাবে চিত্ৰশিল্পী নিয়োগ কৰা হৈছিল। চিত্ৰকৰে চিত্ৰৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ঠাইত ছবি আঁকিছিল। কেতিয়াবা নকলকাৰে নিজেও চিত্ৰ আঁকিছিল। আকৌ কেতিয়াবা পুথিৰ ভিতৰত চিত্ৰ নিদি পাতটোৰ চাৰিওকাষে দিয়া হৈছিল। এনেদৰে পাতৰ চাৰিওকাষে চিত্ৰ অঁকা পুথিবোৰক 'লতা কটা পুথি' বোলা হয়। চিত্ৰ থকা পুথিবোৰত বিভিন্ন ৰঙৰ সমাহাৰ ঘটা দেখা যায়। সেয়ে হ'লেও আটাইবোৰ ৰঙৰ ভিতৰত হালধীয়া আৰু সেইজীয়া ৰঙৰ গাঢ়তা অধিক। নানান প্ৰাকৃতিক দুৰ্যোগতো সামান্যতম পৰিৱৰ্তনো নঘটা এই ৰংবোৰ প্ৰস্তুত কৰাৰ প্ৰণালী কেনে আছিল সেই কথা এতিয়া জনা নাযায়।[2]

পুৰণি অসমত পুথি নকল কৰিবলৈ লেখাৰু নামৰ এক বিশেষ শ্ৰেণীৰ লোক আছিল। সংখ্যাত তাকৰ হোৱা হেতুকে তেওঁলোকৰ কামৰ চাহিদা আছিল অতি বেছি। প্ৰায় ক্ষেত্ৰতে একোজন লিখকে নিৰ্দিষ্ট গ্ৰন্থ একোখন নকল কৰাৰ কামতে নিজক ব্যস্ত ৰাখিব লাগিছিল। অন্য পুথি লিখিবলৈ তেওঁলোকে আহৰি নাপাইছিল [Bhuyan 1930 : xv]। মনকৰিবলগীয়া যে তেওঁলোকে এই কাম পৰম যত্নেৰে কৰিছিল। ইয়াৰ বাবে তেওঁলোকক পুথিৰ আকাৰ অনুসৰি একোসাজ কাপোৰ আৰু নগদ টকা সভক্তিৰে দান কৰা হৈছিল [শৰ্মা ১৯৬৬ ঃ ১৫৬]। লিখা শেষ হোৱাৰ পাছত সেই পুথি গৃহস্থই যত্ন সহকাৰে কাপোৰেৰে মেৰিয়াই কাঠৰ বাকচত থৈ দিছিল আৰু তাক অতিশয় পৱিত্ৰ সম্পদৰূপে গণ্য কৰি সযতনে সংৰক্ষণ

১। Gait, Sir Edward, 1905 (Reprint, 1994) : *A Hisotry of Assam,* Layer's Book Stall, Guwahati, pp. 357.

২। ভূঞা, সূৰ্য্যকুমাৰ, ১৯৩০ (পুৰ্নমুদ্ৰণ, ১৯৮৭ ) ঃ *কামৰূপৰ বুৰঞ্জী*, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম, পৃষ্ঠা XVII.

কৰিছিল। মুঠতে উল্লিখিত ঘটনাবোৰে পুৰণি অসমত সকলো শ্ৰেণীৰ মানুহৰ পুথি লিখোৱা আৰু সংৰক্ষণ কৰাৰ প্ৰতি বিশেষ আগ্ৰহ আছিল বুলি প্ৰমাণ দিয়ে। সেই হেতুকেই অসমীয়া মানুহৰ শতকৰা প্ৰায় পঁচিশটা পৰিয়ালত হাতে লিখা পুথি আজিও সংৰক্ষিত হৈ থকা দেখা যায়। ধৰ্মশাস্ত্ৰৰ উপৰি ব্যৱহাৰিক পুথিবোৰকো আজিও মানুহে সমানেই মৰ্যাদা দি অতিশয় পৱিত্ৰ বস্তু বুলি ভক্তি সহকাৰে চোৱা-চিতা কৰা দেখা যায়। আনকি ঘৰৰ সা-সম্পত্তি ভাগ-বটোৱাৰা কৰোঁতে পুৰণি পুথি-পাঁজিকো সম্পত্তিৰূপে গণ্য কৰাৰ নিয়মো ঠায়ে ঠায়ে প্ৰচলিত।

অসমৰ অন্যান্য অঞ্চলৰ দৰে ইতিহাস প্ৰসিদ্ধ হাজো অঞ্চলতো বিভিন্ন পুথি-পাঁজি ৰচনা কৰাৰ এক সুস্থ পৰম্পৰা বহু পুৰণি কালৰে পৰাই চলি আছিল। বিশেষকৈ এই অঞ্চলটো বিভিন্ন ধৰ্মৰ পীঠস্থান স্বৰূপ হোৱা হেতুকে ইয়াত বহুল পৰিমাণে ধৰ্মশাস্ত্ৰ ৰচিত হৈছিল বুলি ভাবিবৰ থল আছে। কিন্তু প্ৰাকৃতিক দুৰ্যোগ, এন্দুৰ, নিগনি আৰু অন্যান্য পোক-পৰুৱাৰ উৎপাত, অন্ধবিশ্বাস আদিৰ হেতু ভালেমান পুথি নষ্ট হ'ল। এতিয়াও ভালেমান পুথি কোনোবা পীঠস্থানত অথবা কোনো ব্যক্তি বিশেষৰ হাতত নাইবা কোনো পৰিয়ালত সুৰক্ষিত কিংবা অসুৰক্ষিত অৱস্থাত আছে। সেইখিনি সংগ্ৰহ কৰি অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হৈছে।

## হাজো অঞ্চলৰ ভৌগোলিক অৱস্থান ঃ

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে গুৱাহাটী পৌৰ নিগমৰ পশ্চিম সীমাত দুখন মফচলীয়া ক্ষুদ্ৰ চহৰ আৰু সাতাইশখন ৰাজহ গাঁৱেৰে বৰ্তমানৰ হাজো অঞ্চল অৱস্থিত। ইয়াৰ চাৰিসীমা এনেদৰে নিৰ্ধাৰণ কৰা হৈছে ঃ উত্তৰত কুৰিজিনি নদী, চাউলখোৱা উপনদী আৰু বৰখৈ পাহাৰ; দক্ষিণত ব্ৰহ্মপুত্ৰ নদ, পূৱত আজ্ঞাঠুৰি পাহাৰ আৰু পশ্চিমত মোৱা নদী। ভৌগোলিকভাৱে ই ২৬°১০′ উত্তৰ অক্ষাংশৰ পৰা ২৬°২৯′৩০″ উত্তৰ অক্ষাংশলৈ আৰু ৯১°২৬′৫০″ পূৱ অক্ষাংশৰ পৰা ৯১°৪১′ পূৱ দ্ৰাঘিমাংশলৈ বিস্তাৰিত। ইয়াৰ বিস্তৃতি পূৱা-পশ্চিমাকৈ প্ৰায় ২২.০২ কিঃমিঃ আৰু উত্তৰা-দক্ষিণাকৈ ১৯.২° কিঃমিঃ। আকৃতিত ই গোলাকাৰ [ডেকা ১৯৯৯ ঃ ১]। গোটেই অঞ্চলটো নদ-নদী, পাহাৰ-পৰ্বত, বিল আৰু পিতনিৰে ভৰা।

## ঐতিহাসিক আৰু সাংস্কৃতিক পটভূমি

হাজো নামটোৰ আঁতিগুৰি সম্পৰ্কে কেইবাটাও মত আছে। লোক-সমাজত প্ৰচলিত এক জনশ্ৰুতি অনুসাৰে একালত মুনিসমাজে এই অঞ্চলত যোগ আচৰিছিল। কিন্তু কিবা কাৰণত তেওঁলোক যোগভ্ৰষ্ট হ'ল। ফলত আটায়ে 'হত যোগ' বুলি চিঞৰা হেতুকে তাৰ পৰা হাজো নামৰ উৎপত্তি হ'ল। আন এক জনপ্ৰবাদ মতে শাক্যমুনি বুদ্ধৰ এই হাজোতেই মহাপৰিনিৰ্বাণ ঘটিছিল।[৩] বুদ্ধৰ মহাপৰিনিৰ্বাণত তেওঁৰ শিষ্যসকলে শোকত কাতৰ হৈ 'হ-অ-জু' বা 'হা-জু' (সূৰ্য ডুব গ'ল) বুলি চিঞৰিছিল বাবে সময়ত তাৰে পৰা হাজো হ'ল। আকৌ আন এক জনশ্ৰুতি মতে ইয়াত থকা পোৱামক্কাৰ দৰগাহলৈ আহিলে মুছলমানসকলৰ 'হৰ্জ কৰাৰ লেখীলা ধৰ্ম হয়। গতিকে 'হজ'-ৰ পৰাই হাজো নামৰ সৃষ্টি হৈছে। এক ঐতিহাসিক মত অনুসাৰে পুৰণি কালত এই ঠাইডোখৰ মেচ ৰজা হয় বা হাজুৰ ৰাজধানী আছিল। গতিকে হজ বা হাজোৰ নামানুসাৰেই ইয়াৰ নাম হাজো হ'ল [দাস ১৯৮৩ ঃ ১-২]। ফ্ৰান্সিছ বুছানন [ডেকা ১৯৩০ ঃ ]-ৰ মত অনুসাৰে কমতাপুৰৰ ৰজা নীলাম্বৰক সিংহাসনচ্যুত কৰাৰ পাছত চন্দন আৰু মোহন নামৰ দুগৰাকী ভাই-ককায়ে মাত্ৰ আঠোটা বছৰৰ বাবে কমতাপুৰৰ পৰা প্ৰায় ত্ৰিশ মাইল উত্তৰে মৰলাৱাস নামৰ ঠাইত ৰাজধানী পাতি শাসন কাৰ্য্য চলাইছিল। সেই সময়ত মুছলমান শাসনৰ আওঁতাত নপৰা কামৰূপৰ কিছু অংশত এক ধৰণৰ অৰাজকতা চলিছিল আৰু এইবোৰ ঠাইত ভিন ভিন জনগোষ্ঠীৰ শাসন চলিছিল। এই সকলৰ ভিতৰত সম্ভৱতঃ কোচসকলেই আছিল সবাতোকৈ শক্তিশালী। তেওঁলোকৰো কেইবাগৰাকী স্বাধীনচিতীয়া মুখীয়াল আছিল। পাছলৈ তেওঁলোক হাজো নামৰ মুখীলায় গৰাকীৰ নেতৃত্বত একগোট হৈছিল। অৱশেষত হাজোৰ নেতৃত্বত একগোট হৈছিল। অৱশেষত হাজোৰ নেতৃত্বতে কামৰূপত এক শক্তিশালী সাম্ৰাজ্য ঠন ধৰি উঠিছিল। এই হাজোৰ নামানুসাৰেই আলোচ্য অঞ্চলটিৰ নাম হাজো হোৱাটো অসম্ভৱ নহয়।

ভাষাতত্ত্ববিদ বাণীকান্ত কাকতিয়ে আকৌ হাজো (পাহাৰ) নামটোত তিৰ্ব্বতবৰ্মী ঠালৰ বড়ো ভাষাৰ প্ৰভাৱ লক্ষ্য কৰিছে। উল্লেখযোগ্য যে বড়ো ভাষাত 'হা' মানে মাটি, আৰু 'গ্‌জৌ'ৰ অৰ্থ ওখ। গতিকে 'হা' আৰু 'গ্‌জৌ' লগ হৈ হাজো শব্দ সৃষ্টি হৈছে আৰু ইয়াৰ অৰ্থ হৈছে ওখ ঠাই বা পাহাৰীয়া ঠাই [দাস ১৯৮৩ ঃ ২]।

ওপৰত উল্লেখ কৰি অহা মতামতবোৰৰ ভিতৰত মেচ ৰজা হজ বা হাজুৰ নামেৰে ঠাইখনৰ নাম হাজো হোৱা মতটো অধিক নিৰ্ভৰযোগ্য যেন লাগে। অধুনা পৰ্যন্ত প্ৰাপ্ত লিখিত সমলবোৰ বিচাৰ কৰি চালেও দেখা যায়, ১৫শ-১৬শ খ্ৰীঃৰ পূৰ্বে হাজো নামৰ উল্লেখ পাবলৈ নাই। আনহাতে মেচ নৃপতি হজ বা হজুৰ সময় ১৫শ খ্ৰীঃ শতিকা বুলি বিভিন্ন তথ্যৰআধাৰত অনুমান কৰা হৈছে। গতিকে হজ বা হাজুৰ পৰা হাজো হোৱাটো অধিক নিৰ্ভৰযোগ্য যেন লাগে। [১৯৮৩ ঃ ২]

৩। Umesh Chandra Talukdar [1957]-এ তেওঁৰ *The Place of Mahaparinirbhana of Gautam Buddha* নামৰ পুস্তিকাখনত বিভিন্ন তথ্যৰ সহায়ত বুদ্ধৰ মহাপৰিনিৰ্বাণ কুশীনৰ অৰ্থাৎ হাজোত হোৱা বুলি যুক্তি সহকাৰে দেখুৱাইছে।





ঐতিহাসিক তথ্যই এই কথাৰ সাক্ষ্য দিয়ে যে পুৰণি কামৰূপ ৰাজ্য আহোমসকলৰ নিয়মিত প্ৰশাসনৰ ভিতৰুৱা নাছিল। ইয়াৰ ব্যৱস্থাপনা আসাম ৰাজ্যৰ উপনিবেশৰ দৰে আছিল [চলিহা ১৯৯১ ঃ ৪০]। আহোম ৰজাৰ গুৱাহাটীত থকা বৰফুকনজনাই ইয়াক এদিনীয়াকৈ শাসন কৰিছিল। গতিকে আহোমসকলৰ ৰাজত্ব কালত তেওঁলোকৰ ৰাজ্য 'আসাম'ৰ লগত কামৰূপৰ বিশেষ আৱেগিক সম্পৰ্ক নাছিল। আনহাতে কোচ ৰজাসকলেও ইয়াক এদিনীয়াকৈ শাসন কৰিব পৰা নাছিল। অৰ্থাৎ এই ভূখণ্ড বিভিন্ন সময়ত বিভিন্ন প্ৰশাসকৰ অধীনত থাকিবলগীয়া হৈছিল। ইয়াৰ পৰিণতিস্বৰূপে কামৰূপৰ ভাষা-সংস্কৃতিয়ে এক সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছিল। বৃহত্তৰ কামৰূপ ৰাজ্যৰ অন্যতম অঙ্গ হিচাপে স্বাভাৱিক কাৰণতে হাজো অঞ্চল ইয়াৰ ব্যতিক্ৰম নহয়।

বিশ্বসিংহ প্ৰতিষ্ঠিত কোচ ৰাজ্য নৰনাৰায়ণ আৰু তেওঁৰ সুযোগ্য ভাতৃ চিলাৰায়ৰ দিনত পশ্চিমে কৰতোৱা নদীৰ পৰা পূৱে বৰনদীলৈকে বিস্তৃতি লাভ কৰে। পৰৱৰ্তী সময়ত নৰানাৰায়ণে ৰাজ্যখন দুভাগ কৰি পশ্চিম ভাগ কোচবেহাৰ নামেৰে নিজ পুত্ৰ লক্ষ্মীনাৰায়ণক দিয়ে আৰু পূৱ খণ্ডত ভতিজাক ৰঘুদেৱক ৰজা পাতে। পূৱে বৰনদীৰ পৰা পশ্চিমে সোণকোষ পৰ্যন্ত বিস্তৃত এই পূৱৰ খণ্ডটোকে কোচহাজো নাম দি হাজোক ৰাজধানী হিচাপে লৈ ৰঘুদেৱ নাৰায়ণে শাসন কৰিবলৈ লয়। কিন্তু দুয়োজনা ৰজাৰ প্ৰৱল বিৰোধৰ ফলস্বৰূপে ১৫৩৪ শকত (১৮১২ খ্ৰীঃত) এই ৰাজ্য মোগলৰ হাতলৈ যায় [ভূঞা ১৯৩০ ঃ ১৯] আৰু চৈয়দ আবু বক্কৰক ইয়াৰ শাসনভাৰ অৰ্পণ কৰা হয়। মোগলে হাজোৰ পৰা গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ কৰে। ১৬৩৫ খ্ৰীঃত আহোমসকলে হাজো অধিকাৰ কৰে যদিও ১৬৩৯ খ্ৰীঃত সম্পন্ন চুক্তি অনুসাৰে হাজোৰ শাসনভাৰ পুনৰ মোগলৰ হাতলৈ যায় আৰু বৰনদী হয়গৈ মোগল আৰু আহোম ৰাজ্যৰ সীমা। আহোমসকলে বৰনদীৰ পৰা ধনশিৰি পৰ্যন্ত ভূমিভাগত প্ৰথমতে বলিনাৰায়ণক (প্ৰথম গৰাকী দৰঙী ৰজা) আৰু তাৰ পাছত তেওঁৰ পুতেক সুন্দৰনাৰায়ণক ৰজা পাতে। এই খণ্ডৰ নামেই দৰং ৰাজ্য [চলিহা ১৯৯১ ঃ ১৮]। অৱশেষত ১৬৭১ খ্ৰীঃত শৰাইঘাটত হোৱা যুদ্ধত মোগল বাহিনী সম্পূৰ্ণৰূপে পৰাস্ত হোৱাৰ পাছৰে পৰা হাজোৰ অধিকাৰ আহোমে লাভ কৰে।

মুঠতে প্ৰায় ২০ বছৰ কাল কামৰূপত মোগল ফৌজদাৰ বা থানাদাৰৰ আমোল চলে। অৱশ্যে পৰৱৰ্তী সময়ৰ মাজৰ তিনিটামান বছৰ বাদ দি প্ৰায় ১৩৪ বছৰ কাল আহোম ৰাজপ্ৰতিনিধি বৰফুকনৰ আমোল চলে। তাৰ পাছত এই ৰাজ্য বৃটিছৰ অধীনলৈ যায় [১৯৯১ ঃ ২৬-২৭]। মোগল আমোলৰ তাৎপৰ্যপূৰ্ণ ঘটনাটো হৈছে শ্বেখ ইব্ৰাহিম কাড়োৰীয়ে কৰা ভূমি বন্দৱস্তি। কাড়োৰিয়ে সমস্ত নামনি অসমক প্ৰশাসনৰ সুবিধাৰ্থে পৰগণা, মহল, তপা আদিত ভাগ কৰি লৈছিল। এইবোৰৰ ভিতৰত 'ক্‌সবে হাজো', অৰ্থাৎ কোচ হাজোৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মোগল ফৌজদাৰসকলে কৰা মাটি বন্দবস্তি—পৰগণা, তহছিল, মহল আদি বৰফুকন তথা বৃটিছ আমোললৈকে প্ৰায় একেই আছিল। মাত্ৰ সেই ব্যৱস্থাৰ ওপৰত বৰফুকনে 'পাইক' আৰু 'খেল' প্ৰথা জাপি দিছিল। বৃটিছৰ দিনত এই পৰগণাবোৰকে মৌজালৈ ৰূপান্তৰিত কৰা হৈছিল।

নৰনাৰায়ণে ভাগ কৰা কোচবেহাৰ আৰু কোচ হাজো ৰাজ্যৰ বিৰোধ, মোগলৰ সৈতে কোচসকলৰ যুঁজ আৰু শেষত আহোম ৰজাৰ সৈতে মোগলৰ এশ বছৰীয়া ৰণ —এই সমস্ত ঘটনাৰ সাক্ষী আছিল কামৰূপ ৰাজ্য। অৰ্থাৎ এই অঞ্চলটোক সেই সময়ৰ Buffer state বুলিব পাৰি [১৯৯১ ঃ ২৭-২৮]। নৰনাৰায়ণে ভাগ কৰা কোচবেহাৰ আৰু কোচ হাজো ৰাজ্যৰ বিৰোধ, মোগলৰ সৈতে কোচসকলৰ যুঁজ আৰু শেষত ইতিহাসৰ এই ঘটনাৱলীৰ পৰা এই কথা সহজে অনুমান কৰিব পাৰি যে কামৰূপ ৰাজ্য এদিনীয়াকৈ কোনো প্ৰশাসনৰ ভিতৰুৱা নাছিল। কোচ, মোগল, আহোম আৰু শেষলৈ বৃটিছসকল— আটায়ে ইয়াৰ শাসন কাৰ্য স্থানীয় মাতব্বৰ চৌধাৰী, পাটোৱাৰী, ঠাকুৰীয়া আদিৰ সহযোগত চলাইছিল [১৯৯১ ঃ ৪০-৪১]। মোগলৰ ভূমিকেন্দ্ৰী আৰু আহোমৰ শ্ৰমকেন্দ্ৰী —এই দুই পৰস্পৰ বিৰোধী নীতিৰ প্ৰয়োগৰ ফলত কামৰূপী প্ৰজাৰ মাজত যি অসন্তুষ্টিয়ে দেখা দিছিল তাক বৰফুকনসকলে স্থানীয় নেতৃত্ব চৌধাৰী, পাটোৱাৰী আৰু ঠাকুৰীয়াসকলৰ সহায়ত চম্ভালি ৰাখিছিল। আনকি বৃটিছৰ আমোলতো একে ব্যৱস্থাই বাহাল আছিল।[৪] আহোম ৰজাই লিখোৱা বিভিন্ন ফলি আৰু পত্ৰসমূহৰ আৰম্ভণিতে "কামৰূপ দেসৰ বড়ুআ ও বড়কায়স্থ ও চৌধাৰী ও পটোআৰি ও তালুকদাৰ ও গয়ৰহ"[৫] বুলি সম্বোধন কৰা কাৰ্যয়ো উক্ত ধাৰণাকে দৃঢ় কৰে। ফৌজদাৰসকলৰ

৪। "The pergunahs of Kamrup, that had been reduced to the common system of Mogul finance, remain in the same state under the government of Assam. Each pergunah is let for one to five years to a Chaudhuri, who agrees to pay a certain rent.... and whose office is no sort hereditary. He lets all the lands, that are not given to Payiks for service, and that have not been granted for pious purposes..... He also acts as an officer of police; ......Over every four or five manors (Gangs) the Chaudhuri appoints a Talukdar, who is paid in land. In each manor he also appoints a chief (Thakuri) to collect the rent, and Thakuri is assisted by a messenger named Tarui." [Hamilton 1940 : 34-35]

৫। প্ৰবীণ চন্দ্ৰ দাসে [১৯৮৩ ঃ ৫৮] *পুণ্যভূমি হাজো*ত উল্লেখ কৰা লক্ষ্মীসিংহ প্ৰদত্ত "হয়গ্ৰীৱ-মাধৱৰ বড়দেউৰীক দিয়া ৰাজপত্ৰ"ৰ পৰা উদ্ধৃত।

আমোলত এই স্থানীয় নেতৃবৃন্দ আছিল মোগলৰ মিত্ৰ, বৰফুকনৰ সময়ত বৰফুকনৰ মানুহ আৰু বৃটিছৰ শাসন কালত এওঁলোক আছিল বৃটিছৰ পৰম ভক্ত। গতিকে সেই সময়ত কামৰূপৰ শাসন যন্ত্ৰটোৰ মূল গাঁথনিটো স্থানীয় মাতব্বৰ শ্ৰেণীটোৰেহে ধৰি ৰাখিছিল বুলি সহজেই পতিয়ন যাব পাৰি [১৯৯১ ঃ ৪১]। এতিয়াৰ কামৰূপ জিলাৰ হাজো অঞ্চলটোও তাৰ ব্যতিক্ৰম নাছিল। সেইবাবে এই অঞ্চলৰ সাংস্কৃতিক তথা সামাজিক জীৱনত স্পষ্টভাৱে কিছু ভিন্ন প্ৰকৃতিৰ এক আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়। মনকৰিবলগীয়া কথা যে মোগলসকলে প্ৰতিবাৰেই হাজোত কোঠ মাৰিলেহে অসম আক্ৰমণৰ সূচনা কৰিছিল।

সি যি কি নহওক মহাপৌৰাণিক কালৰে পৰা বৰ্তমান পৰ্যন্ত পবিত্ৰ স্থান বা আন কথাত ধৰ্মক্ষেত্ৰ হিচাপে হাজোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, মধ্যযুগীয় বৈষ্ণৱ চৰিত পুথি আদি সকলোতে হাজো নাম অতিশয় শ্ৰদ্ধা সহকাৰে লোৱা হৈছে। বৈষ্ণৱ যুগৰ বিশিষ্ট কবি অনন্ত কন্দলিয়ে হাজোৰ নাম এনেদৰে লৈছে ঃ

হাজো হেন নাম পৱিত্ৰ উত্তম
থান কামৰূপ মাজে।

আহোম ৰজাদিনীয়া বুৰঞ্জী পুথিসমূহতো তীৰ্থস্থান আৰু ৰাজনৈতিক ক্ষেত্ৰ হিচাপে হাজোৰ গুৰুত্বৰ বহু উল্লেখ পোৱা যায়। এনেকি মোগল শাসনকৰ্তাসকলেও হাজোৰ ধৰ্মীয় গুৰুত্বক বিশেষ সন্মান দিছিল আৰু ইয়াত অৱস্থিত তীৰ্থস্থানসমূহৰ কোনো ক্ষতি সাধন কৰা নাছিল [দাস ১৯৮৩ ঃ ৫]।

মোগল ফৌজদাৰসকলৰ শাসন কালতে ১৬৫৭ খ্ৰীঃত হাজোৰ গৰুড়াচল পাহাৰৰ শিখৰত মুছলমানসকলৰ পবিত্ৰ তীৰ্থ পোৱামক্কা দৰগাহ স্থাপিত হয়। গিয়াচুদ্দিন আউলিয়া নামৰ পীৰ এগৰাকীৰ সমাধিভূমিত দিল্লীশ্বৰ ছাহজাহানৰ পুত্ৰ আবুল গাজী চুজাউদ্দিনে এই মছজিদটো নিৰ্মাণ কৰে। লোক প্ৰবাদ অনুসাৰে পবিত্ৰ মক্কাৰ পৰা এপোৱা মাটি আনি এই মছজিদ নিৰ্মাণ কৰা হেতুকে ইয়াৰ নাম পোৱামক্কা হয়।

হাজো পঞ্চতীৰ্থৰূপে জনাজাত। ইয়াত হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ—এই পাঁচখন তীৰ্থভূমি থকা বাবেই এই নাম দিয়া হৈছে। ইয়াৰ ভিতৰত হয়গ্ৰীৱ মাধৱত বিষ্ণুৰ আৰু গণেশ মন্দিৰত শিৱপুত্ৰ গণপতিৰ পূজা-অৰ্চনা চলে। আনহাতে কেদাৰ, কামেশ্বৰ আৰু কমলেশ্বৰ মহাযোগী শিৱৰ পূজা-অৰ্চনাৰ ঠাই। উল্লিখিত মন্দিৰ কেইটাৰ উপৰি হাজোত দুৰ্গা মন্দিৰ, গোকৰ্ণ, বিকৰ্ণ, সৰগদুৱাৰ, অপূৰ্ণভৱ ইত্যাদি ভালেমান পুণ্যধাম অৱস্থিত। হাজো নগৰৰ পূৱ দিশে লখাইতৰা (পুঠিমাৰী) নদীৰ পাৰত মহাপুৰুষ মাধৱদেৱ প্ৰতিষ্ঠিত ধোপৰগুৰি সত্ৰই নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সাক্ষ্য বহন কৰি আছে। এই ধৰ্মস্থানসমূহৰ উৎপত্তি সম্বন্ধে বিভিন্ন আখ্যান তথা কিংৱদন্তি জনসাধাৰণৰ মাজত অদ্যাৱধি প্ৰচলিত। তদুপৰি, সিবোৰৰ পূজা-অৰ্চনাৰ নিৰ্দিষ্ট বিধি-ব্যৱস্থাও আছে। তীৰ্থস্থানসমূহৰ সৈতে সম্পৰ্কিত নানান উৎসৱ-পাৰ্বনো হাজো অঞ্চলত বৰ আড়ম্বৰেৰে পালন কৰা হয়।[৬]

হিন্দু-মুছলমানৰ উপৰি বৌদ্ধ মতাৱলম্বীসকলেও হাজোক তেওঁলোকৰ তীৰ্থক্ষেত্ৰ বুলি অতিশয় পৱিত্ৰ জ্ঞান কৰে। তেওঁলোকৰ ধাৰণা মতে হাজো বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ স্থান। কোনো কোনো পণ্ডিতে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰটো অতীতত বৌদ্ধ মন্দিৰ আছিল বুলি দাবী কৰে। হাজোলৈ প্ৰতি বছৰে শীতকালত ভূটান, তিব্বত এনেকি চীন দেশৰ পৰা বৌদ্ধসকলৰ আগমনে আৰু হয়গ্ৰীৱ-মাধৱ মন্দিৰত তেওঁলোকৰ আৰাধ্য দেৱতা 'মহামুনি'ৰ পূজা-অৰ্চনাই উক্ত কথাকে সমৰ্থন কৰে [Talukdar 1957 : 14]। হিন্দু, বৌদ্ধ আৰু ইছলমানৰ অপূৰ্ব সমন্বয় ঘটা হেতুকেই হাজোক উক্ত তিনি ধৰ্মৰ ত্ৰিবেণীসঙ্গম বোলা হৈছে। নক'লেও হ'ব, হাজো অঞ্চলত অৱস্থিত বিভিন্ন তীৰ্থস্থান তথা মঠ-মন্দিৰসমূহে আহোম ৰাজশক্তিৰ সাহায্যত ঠন ধৰি উঠিবলৈ সুযোগ পায়। মুঠতে কোচ, আহোম আৰু মোগল এই তিনিওটা ৰাজশক্তিৰ পৃষ্ঠপোষকতাত হাজোৱে অসমৰ সাংস্কৃতিক ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে [দাস ১৯৮৩ ঃ ৬-৭]।।

ওপৰত উল্লেখ কৰি অহা অনুকূল পাৰিপাৰ্শ্বিকতাৰ হেতু পুৰণি কালত হাজো অঞ্চলত পুথি-পাঁজি লিখা আৰু নকল কৰাৰ এক সুস্থ বৌদ্ধিক পৰম্পৰাৰ সৃষ্টি হৈছিল। এই অঞ্চলৰ প্ৰায়বোৰ পৰিয়ালতে সাঁচিপতীয়া, তুলাপতীয়া বিভিন্ন ধৰ্মশাস্ত্ৰ, তন্ত্ৰ-মন্ত্ৰ, পশু আৰু মানুহৰ চিকিৎসা, ঔষধ-পাতি ইত্যাদি বিষয়ৰ পুথি আছিল বুলি ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা হৈছে। কিন্তু পৰৱৰ্তী কালত পুথি-সংৰক্ষণৰ উপযুক্ত জ্ঞানৰ অভাৱ আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাহীনতা, ধৰ্মীয় বাধা, অন্ধবিশ্বাস ইত্যাদি কাৰণত সেইবোৰৰ বেছিভাগেই কালৰ গৰাহত হেৰাই গ'ল। আটাইতকৈ ডাঙৰ কথা ঊনবিংশ শতিকাত ছপাশালৰ আৱিষ্কাৰে সাঁচিপতীয়া, তুলাপতীয়া পুথিৰ আৱশ্যকতা প্ৰায় নোহোৱা কৰিলে। পুৰণি হাতেলিখা পুথিৰ বাবে ই এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিল। ফলত সমাজত পুৰণি পুথিৰ মোল বুজোঁতা লোক লাহে লাহে নাইকিয়া হৈ আহিল। কোনো কোনোৱে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ মূল্যৱান পুথিসমূহ পানীত উটুৱাই দি দায়িত্বৰ পৰা মুক্ত হোৱা বুলি ভাবিলে। বৰ্তমান যিথিনি পুথি মজুত

৬। হাজোৰ বিভিন্ন তীৰ্থস্থানৰ পূজা-বিধিৰ বিশদ বিৱৰণৰ বাবে প্ৰবীণ চন্দ্ৰ দাস [১৯৮৩]-ৰ *পুণ্যভূমি হাজো* গ্ৰন্থ দ্ৰষ্টব্য।





আছে সেইখিনিৰো সৰহভাগেই অযত্নপালিত, সম্পূৰ্ণ পাঠ পাবলৈ নাই। ইয়াৰ পৰিণতিস্বৰূপে কোনেও গম নোপোৱাকৈয়ে অসমৰ জাতীয় জীৱনৰ কেতবোৰ গুৰুত্বপূৰ্ণ ঐতিহাসিক তথ্যৰো হয়তো অৱলুপ্তি ঘটিল। এই অধ্যয়নৰ মূল উদ্দেশ্য হ'ল— কালৰ গৰাহত ঐতিহ্যমণ্ডিত হাজো অঞ্চলৰ পাহৰণিৰ গৰ্ভত লীন হ'বলৈ ধৰা আপুৰুগীয়া পুথি-পাঁজিসমূহ যথাসম্ভৱ উদ্ধাৰ কৰি সেইবোৰৰ বিষয়ে একোটাহঁত বিৱৰণ দাঙি ধৰা। আপুৰুগীয়া পুথিৰ ঐতিহ্য পোহৰলৈ অনাটোৱেই এই অধ্যয়নৰ ঘাই তাৎপৰ্য্য। এই অনুসাৰে ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে প্ৰাপ্ত পুথিসমূহ বিভিন্ন শিতানত ভাগ কৰি শৃংখলাবদ্ধভাৱে একোটা বিৱৰণ দিয়াৰ চেষ্টা কৰা হৈছে।

একোটা জাতিৰ ইতিহাস নিৰ্ণয়ত পুৰণি পুথি-পাঁজিৰ অধ্যয়নে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। কাৰণ গৌণ বুলি বিবেচিত হ'লেও জাতীয় সাহিত্যৰ ইতিহাস অধ্যয়নৰ ই এক গুৰুত্বপূৰ্ণ সমল। একোটাহঁত জাতিৰ অপুদ্‌ঘাটিত অনেক তথ্য এনে আপুৰুগীয়া পুথি-পাঁজিৰ মাজত লুকাই থকাটো নিতান্তই সম্ভৱ। সাধ্যানুসাৰে অঞ্চলটোত ক্ষেত্ৰ অধ্যয়ন কৰি পুৰণি আপুৰুগীয়া পুথি-পাঁজিৰ তথ্য আহৰণ কৰা হৈছে। ইতিমধ্যে যিখিনি পুথি-পাঁজি উদ্ধাৰ হ'ল সেয়াই সৰ্বশেষ বুলিব নিশ্চয় নোৱাৰি। ইয়াৰ শৃঙ্খলাবদ্ধ অধ্যয়নৰ বাবে এক বিশাল ক্ষেত্ৰ মুকলি হৈ আছে। হেমচন্দ্ৰ গোস্বামীৰ *Descriptive Catalogue of Assamese Manuscrits* গ্ৰন্থখনিত অসমৰ বিভিন্ন অঞ্চলৰ পৰা সংগৃহীত ভালেমান পুথিৰ তথ্য সন্নিৱেশিত হৈছে যদিও ঐতিহ্যমণ্ডিত হাজো অঞ্চলৰ পুথি-পাঁজিৰ বিশেষ তথ্য পাবলৈ নাই। অথচ এই অঞ্চলত শাক্ত, শৈৱ, বৈষ্ণৱ, বৌদ্ধ, ইছলাম আদি প্ৰায় সকলো ধৰ্মৰ সমাহাৰ লক্ষ্য কৰিব পাৰি। বিভিন্ন সময়ত ৰাজনৈতিকভাৱে আহোম, মোগল আৰু কোচ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱা হেতুকে ইয়াৰ সাংস্কৃতিক তথা ধৰ্মীয় জীৱনো কিছু ভিন্ন প্ৰকৃতিৰ। সেয়ে, এই অঞ্চলত ভিন ভিন ধৰ্মৰ বিবিধ পুথি-পাঁজি নকল কৰাৰ পৰম্পৰা গঢ় লৈ উঠিছিল বুলি সহজেই পতিয়ন যাব পাৰি। এই সৃষ্টিৰাজিয়ে ধৰ্মীয় চিন্তা-চৰ্চাৰ লগে লগে অঞ্চলটিৰ সামাজিক, সাংস্কৃতিক ইত্যাদি দিশৰ অভিলেখ সাঁচি ৰাখিছে। গতিকে উক্ত সৃষ্টিৰাজিৰ পুনৰুদ্ধাৰে ইতিহাসৰ এক নতুন পৃষ্ঠা মুকলি কৰাৰ সম্ভাৱনা নুই কৰিবলৈ টান। এনে সম্ভাৱনাৰ চিন্তা কৰিয়েই হাজো অঞ্চলৰ আপুৰুগীয়া পুথি-পাঁজি সম্পৰ্কে এটি আলোচনা যুগুত কৰিবলৈ লোৱা হৈছে আৰু বিভিন্ন স্থানৰ পৰা সংগৃহীত পুৰণি পুথিসমূহৰ তথ্যভিত্তিক বিৱৰণ দিয়াৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে এই প্ৰসঙ্গত অতি পৰিতাপেৰে লক্ষ্য কৰা গৈছে যে এনে পুথিৰ প্ৰায় ভাগেই কালৰ গৰ্ভত হেৰাই গৈছে। অঞ্চলটোৰ ভালেমান ব্যক্তিয়ে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ 'দেৱাঙ্গ বস্তু' বুলি বহুতো পুথি ইতিমধ্যে পানীত উটুৱাই দিছে। সি যি কি নহওক, যিখিনি পুথিৰ তথ্য পোৱা গৈছে সেইখিনিক মুঠ ছয়টা ভাগত ভগোৱা হৈছে।

প্ৰথমটো ভাগত পাঁচখন পুথি সন্নিবিষ্ট কৰা হৈছে। এই পাঁচখন পুথিৰ ভিতৰত *শ্ৰীশ্ৰীচণ্ডী* পুথিখনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ৰঙ্গনাথ দ্বিজ বিৰচিত এই পুথিখনিৰ বিস্তৃত অধ্যয়নৰ আৱশ্যকতা আছে। পুথিখনিৰ আধাৰ গ্ৰন্থ *মাৰ্কণ্ডেয় পুৰাণ*। কিন্তু সেয়ে হ'লেও কবিৰ মৌলিক প্ৰতিভাৰ অভাৱ ঘটা পৰিলক্ষিত নহয়। ৰঙ্গনাথ দ্বিজ আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহত উল্লিখিত ৰঙ্গনাথ চক্ৰৱৰ্তী সম্ভৱতঃ একেজন ব্যক্তি। শাক্তধৰ্মৰ পুথি হ'লেও পুথিখনিত কৃষ্ণস্তুতিৰে আৰম্ভ কৰা হৈছে। বাকী কেইখন পুথি দুৰ্গাপূজা আৰু মনসা পূজাৰ সৈতে জড়িত।

দ্বিতীয় ভাগত আছে শৈৱধৰ্মৰ সৈতে জড়িত তিনিখন পুথিৰ তথ্য। এই ক্ষেত্ৰত পদ্ম-পুৰাণৰ ষোড়শ অধ্যায়ৰ শিৱ-ৰাঘৱ-সম্বাদ আৰু *শ্ৰীশ্ৰীৰুদ্ৰযামলৰ* আলমত ৰচিত মহাযোগী শিৱৰ প্ৰাৰ্থনা বিষয়ক পুথি দুখনৰ নাম ল'ব পাৰি।

তৃতীয় ভাগত বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় পুথিসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। এইটো শিতানত সৰ্বমুঠ এঘাৰখন পুথি সংগৃহীত হোৱাৰ পৰা চাই অঞ্চটোত বৈষ্ণৱ ধৰ্মৰ বিশেষ প্ৰভাৱ পৰিছিল যেন অনুমান হয়। প্ৰাপ্ত পুথিসমূহৰ ভিতৰত *বঘাসুৰ বধ* কাব্যখনৰ কলেৱৰ সবাতোকৈ বৃহৎ। স্থানীয় ধোপৰগুৰি সত্ৰত প্ৰাপ্ত *শ্ৰীমদ্ভাগৱত* (চতুৰ্থ স্কন্ধ)খনৰ প্ৰায়বোৰ পাত নষ্ট হ'বলৈ আৰম্ভ কৰিছে। *নামঘোষাৰ* তিনিটা পাঠৰ এটা [পুথি নং ১২] খণ্ডিত আৰু ইয়াৰ পাঠাংশৰ সৈতে মূল পাঠৰ ভালেমান ক্ষেত্ৰত অমিল লক্ষ্য কৰা যায়।

বৌদ্ধ মতাৱলম্বীসকলে হাজোক বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ স্থানৰূপে গণ্য কৰি আহিছে। ফলত বহু অতীতৰে পৰা পুণ্যভূমি হাজোলৈ ভূটান, তিব্বত আদি ঠাইৰ পৰা বৌদ্ধধৰ্মী লোকৰ আগমন ঘটি আহিছে। এনে প্ৰব্ৰজনকাৰীয়েও ভূটীয়া লিপিত ভালেমান পুথি ৰচনা কৰা বুলি স্থানীয় লোকৰ পৰা জানিব পৰা যায়। চতুৰ্থ ভাগটোত তেনে তিনিখন পুথিক ৰখা হৈছে। কিন্তু ভাষা তথা লিপি দুয়োটাই অচিনাকী হোৱা হেতুকে সিবোৰৰ পাঠোদ্ধাৰ সম্ভৱ নহ'ল। বৌদ্ধশাস্ত্ৰ *ত্ৰিপিটকৰ* পৰৱৰ্তী বৌদ্ধ সাহিত্যত অনেক গুপ্ত মন্ত্ৰৰ উল্লেখ পোৱা যায়। তদুপৰি "বৌদ্ধ সাধনমালাত কামৰূপৰ উল্লেখ আছে। লামা তাৰানাথৰ বৌদ্ধধৰ্মৰ বুৰঞ্জীত মহাযানী গুৰু অশ্বভৱই বিষাক্ত সাপে খোৱা উপাসকসকলক মন্ত্ৰ কৰা পানী ছটিয়াই জীওৱাৰ বৰ্ণনা পোৱা যায় [নেওগ, ১৯৬২ ঃ ৩৩]।" ইয়াৰ পৰা বুজিবলৈ টান নহয় যে বৌদ্ধসকলৰ মাজত মন্ত্ৰৰ বিশেষ প্ৰচলন আছিল। এইবোৰ ঘটনাই প্ৰাপ্ত পুথিকেইখন মন্ত্ৰ-পুথি হোৱাৰ সম্ভাৱনাকে দৃঢ় কৰে। এই পুথিবোৰ যদিহে মন্ত্ৰ-পুথি বা কোনো বনৌষধিৰ পুথি হয়, তেনেহ'লে সেইবোৰৰ বিষয়ে নতুনকৈ চিন্তা-চৰ্চা কৰাৰ আৱশ্যক আছে। ইন্দ্ৰজাল বিদ্যাক বিজ্ঞানভিত্তিক চিন্তাৰ বাটকটীয়া বোলা হয়। এইফালৰ পৰাও পুথিকেইখনৰ গুৰুত্ব অপৰিসীম।

পঞ্চম ভাগটিত ব্যৱহাৰিক পুথিসমূহক সন্নিৱিষ্ট কৰা হৈছে। নক'লেও হ'ব এই শিতানত সন্নিৱিষ্ট পুথিসমূহৰ প্ৰায় আটাইখিনিয়ে

মন্ত্ৰ পুথি। কেতিয়াবা আকৌ মন্ত্ৰ আৰু বিবিধ ৰোগৰ বনৌষধিৰ নিদান একেলগে ৰখা হৈছে। মন্ত্ৰবোৰ ছন্দোবদ্ধ; আনহাতে ৰোগৰ নিদানবোৰ কিন্তু গদ্যত ৰচিত। এইবোৰৰ ভাষাতো স্থানীয় উপভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। মন্ত্ৰবোৰৰ ভিতৰত *সাপৰ বিষ জৰা মন্ত্ৰ*, ভূত-প্ৰেত খেদা *কালৰুদ্ৰ মন্ত্ৰ*, ঘৰৰ চৌহদ বন্ধা *পাশুপাত মন্ত্ৰ*, *মোহিনী মন্ত্ৰ*, *বিলাহি বেজেনি মন্ত্ৰ* আদিয়ে প্ৰধান। এইবোৰৰ ভিতৰত *বিলাহি বেজেনি মন্ত্ৰ* পুথিখনৰ নাম [২৮ নং পুথি] বিশেষভাৱে উল্লেখনীয়। 'বিলাহি' বিলাসী শব্দৰ অপভ্ৰংশ নে আন কিবা তাক সঠিককৈ কোৱা টান। কৈলাসবাসিনী 'বিলাহি'ক ৰজা চন্দ্ৰকেতুৰ মৃত কন্যাক জীয়াই দিবলৈ অতি ভক্তিভাৱেৰে নিমন্ত্ৰণ কৰি অনা কাৰ্য্যই বেজিনীগৰাকীৰ বিলাসী জীৱনৰ ইঙ্গিত দিয়ে। মন্ত্ৰসমূহত কামৰূপী প্ৰভাৱিত অসমীয়া আৰু অশুদ্ধ সংস্কৃত ভাষাৰ যুগপৎ ব্যৱহাৰ লক্ষ্য কৰিবলগীয়া বিষয়। এইখিনিতে আন এটা কথাও উল্লেখ কৰাটো সমীচীন হ'ব। এই শিতানৰ *হাড় জোৰোৱা মন্ত্ৰ* আৰু *ব্যাধিৰ মন্ত্ৰ* শীৰ্ষক পুথি দুখন ঘাইকৈ মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত। এই মন্ত্ৰ দুটি পুথিৰ গৰাকীয়ে সাধনৰ জৰিয়তে লাভ কৰা বুলি দাবী কৰিছে। কিন্তু দুয়োখন পুথিতে হিন্দু দেৱ-দেৱীৰ উল্লেখহে পোৱা গৈছে। তদুপৰি পুথিৰ ভাষাও প্ৰায় ক্ষেত্ৰতে অশুদ্ধ সংস্কৃত। এনে ঘটনাই অঞ্চলটোত আজিকোপতি বৰ্তী থকা হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথাকে দৃঢ় কৰে।

ষষ্ঠ ভাগত ছয়খন পুথিৰ তথ্য দাঙি ধৰা হৈছে। ইয়াৰে *মাৰ্কণ্ডেয় পুৰাণ* শীৰ্ষক পুথিখনিত ৰাজধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম, গাৰ্হস্থ্য ধৰ্ম আদিৰ বিৱৰণ আছে। *অগ্নি পুৰাণ*ত আছে শিৱৰ মাহাত্ম্য, প্ৰলয়, সৃষ্টি, জ্যোতিষ, আয়ুৰ্বেদ, ধনুৰ্বেদ, অলঙ্কাৰ আদি বিবিধ বিষয়। *বামণ পুৰাণ*ত বিষ্ণুৱে বামণ ৰূপ ধৰি দৈত্যৰাজ বলিক কৰা ছলনাৰ বিৱৰণ সন্নিবিষ্ট হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত পাঁচালী কবিৰূপে পৰিচিত দুৰ্গাবৰ কায়স্থৰ *গীতি-ৰামায়ণ*ৰ অৰণ্য কাণ্ডৰ প্ৰাপ্ত অংশটিৰ তথ্যও এই অধ্যায়তে সামৰা হৈছে। অগ্ৰজ কবি মাধৱ কন্দলিৰ ৰামায়ণৰ পদৰ হুবহু অনুকৰণ আৰু বিভিন্ন ৰাগ-ৰাগিনীৰ উল্লেখলৈ লক্ষ্য কৰি পুথিখনিক "....মাধৱ কন্দলিৰ পদ ৰামায়ণৰ ওজাপালি তাণ্ডৱণ বুলিলেহে ৰজিতা খাব যেন লাগে" [নেওগ, ১৯৬২ : ১২২]। সন্নিবিষ্ট *বিপুঞ্জয়* নামৰ পুথিখনত বিভিন্ন পাপৰ প্ৰায়শ্চিত্ত বিধিৰ বিৱৰণ আছে। সমাজত সংঘটিত বিভিন্ন অপৰাধৰ শাস্তি স্বৰূপ এই বিধানবোৰে কৌটিল্যৰ অৰ্থশাস্ত্ৰত থকা অনুৰূপ বিধি-নিষেধবোৰৰ কথা মনত পেলাই দিয়ে।

এই চমু আলোচনাৰ বাবে সংগৃহীত মুঠ ৪৩খন পুথিৰ ১৪খন সংস্কৃত ভাষাত, ৩খন ভূটীয়া ভাষাত, ২খন সংস্কৃত মিহলি অসমীয়াত আৰু বাকীখিনি বিশুদ্ধ অসমীয়াত ৰচিত। মন্ত্ৰ পুথিবোৰৰ প্ৰায় আটাইকেইখনতে কামৰূপী উপভাষাৰ ছাঁপ সুস্পষ্ট। বানান ৰীতিৰ ক্ষেত্ৰত সংস্কৃতত ৰচিত পুথিকেইখনৰ বাহিৰে বাকীবোৰত স্থানীয় উচ্চাৰণৰ স্পষ্ট প্ৰভাৱ লক্ষ্য কৰা যায়। অৱশ্যে পাঠোদ্ধাৰ কৰিব নোৱৰা বৌদ্ধধৰ্মৰ পুথিকেইখনৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য নহয়। তদুপৰি এই প্ৰসঙ্গত এটা কথা লক্ষ্য কৰিবলগীয়া যে প্ৰাপ্ত পুথিবোৰৰ প্ৰায় আটাইবোৰৰে আখৰৰ গঢ় অতি সুন্দৰ আৰু নকলকাৰসকলৰ সকলোৰে মূলতঃ কাইথেলী লিপি ব্যৱহাৰ কৰিছে।

পঞ্চতীৰ্থ মিলন ভূমি হাজো অঞ্চলৰ স্থানীয় ৰাইজৰ ধৰ্মীয় সহিষ্ণুতা এক মন কৰিবলগীয়া বিষয়। এই অঞ্চলৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্ক সমগ্ৰ দেশবাসীৰ আদৰ্শ হ'ব পাৰে। প্ৰাপ্ত পুথিৰ তথ্যয়ো তাকেই প্ৰমাণ কৰে। বিশেষকৈ মুছলমান সমাজত প্ৰচলিত মন্ত্ৰপুথি দুখনে সেই কথাকে প্ৰমাণ কৰে।

শেষত এটা কথা উনুকিয়াই থোৱা যুগুত হ'ব যে এই আলোচনাত হাজো অঞ্চলৰ আটাইবোৰ আপুৰুগীয়া পুথিৰ তথ্য সন্নিবিষ্ট হৈছে বুলি দাবী কৰিলে সত্যৰ অপলাপ কৰা হ'ব। বিস্তৃত অঞ্চল সামৰি ক্ষেত্ৰ অধ্যয়ন কৰিলে আৰু অনেক পুথি উদ্ধাৰ হোৱাৰ সম্ভাৱনা অস্বীকাৰ কৰিব নোৱাৰি। ভৱিষ্যত গৱেষকে এই দিশত মনোনিৱেশ কৰিব বুলি আশা কৰা হ'ল। ❑

**সহায়ক গ্ৰন্থ :**


১। ভূঞা, সূৰ্য্যকুমাৰ, ১৯৩০ (পুনৰ্মুদ্ৰণ, ১৯৮৭ ) : *কামৰূপৰ বুৰঞ্জী*, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।

২। শৰ্মা, বেণুধৰ (সম্পা.), ১৯৭২ : *পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী*, অসম সাহিত্য সভা, যোৰহাট।

৩। ঠাকুৰীয়া, ৰামচৰণ, ১৯৯০ : *ভাষা সাহিত্য সমীক্ষা*, বীণা লাইব্ৰেৰী, গুৱাহাটী।

৪। নেওগ, মহেশ্বৰ, ১৯৬২ (পুনৰ্মুদ্ৰণ, ১৯৮৭) : *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।

৫। ডেকা, শৰৎ চন্দ্ৰ, ১৯৯৯ : *"বৃহত্তৰ হাজো : এটি ভৌগোলিক বিশ্লেষণ"*, মণিকূট, ৬৫তম অসম সাহিত্য সভা হাজো অধিবেশনৰ স্মৃতিগ্ৰন্থ। সম্পাদক ধ্ৰুৱজ্যোতি চৌধুৰী, প্ৰকাশক আদৰণি সমিতিৰ হৈ প্ৰবীণ চন্দ্ৰ দাস।

৬। Gait, Sir Edward, 1905 (Reprint, 1994) : *A Hisotry of Assam*, Layer's Book Stall, Guwahati.

৭। Talukdar Umesh Chandra, 1957 : *The Place Mahaparinirbana of Gautam Buddha*, Publisher Author.








কথাগুৰু চৰিতৰ বিভিন্ন খণ্ডত মহাপুৰুষ মাধৱদেৱৰ হাজোলৈ আগমন, হয়গ্ৰীৱ মাধৱ দৰ্শন, হাজোৰ গায়নে মহাপুৰুষজনাৰ ওচৰত বাজনা শিক্ষা লোৱা, লক্ষীকান্ত আতৈৰ জন্ম বিৱৰণ, আতৈৰ হাজোলৈ আগমন আৰু সত্ৰ স্থাপন, হাজোৰ বিভিন্ন অঞ্চলত শাখা সত্ৰ স্থাপনৰ মনোৰম বৰ্ণনা পোৱা যায়। লক্ষীকান্ত আতৈ ঘোঁৰা ঘাটে আছিল ঃ ৰঘু ৰাজা সেই গ্ৰাম খানে দেউৰি কৈ হাজোলৈ দিলে ঃ লক্ষীকান্ত আতৈএ সৈতে গাঞঃ খানেই মহাপুৰুষক গুৰু বুলিলেহি।

# কথাগুৰু চৰিতৰ পোহৰত হাজোৰ ধোপৰগুৰি সত্ৰ আৰু লক্ষীকান্ত আতৈ

✍ ড° ৰঞ্জু ঠাকুৰীয়া মেধি

অসমৰ ইতিহাস বুলিলেই নহয়, ভাৰতীয় সংস্কৃতিত হাজোৰ এক বিশেষ স্থান আছে। ধৰ্মৰ ত্ৰিবেণী সংগমস্থল হাজোৰ ইতিহাস সঁচাকৈয়ে গৌৰৱোজ্জ্বল। এই গৌৰৱৰ ধ্বজাবহনকাৰী মঠ-মন্দিৰ (হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ, কমলেশ্বৰ মন্দিৰ, কামেশ্বৰ মন্দিৰ, কামেশ্বৰ মন্দিৰ, গণেশ মন্দিৰ) দৰগাহ (পোৱামক্কা) আদিয়ে প্ৰাগৈতিহাসিক কালৰ পৰাই ভাৰতীয় সংস্কৃতিত বিশেষ প্ৰভাৱ পেলাই আহিছে।

মহাপুৰুষ শংকৰদেৱৰ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ ঢৌৱে হাজোক কেনেদৰে আলোড়িত কৰিলে আৰু এই বৃহৎ অঞ্চলটোৰ (মন্দিৰ কেন্দ্ৰিক সংস্কৃতি য'ত বিৰাজমান) ইমান সত্ৰ কাৰ উদ্যোগত স্থাপিত হ'ল সেয়া সঁচাই বিচাৰ্য্যৰ বিষয়।

হাজো অঞ্চলত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল মহাপুৰুষ মাধৱদেৱৰ অন্যতম শিষ্য লক্ষীকান্ত আতৈদেৱৰ স্থাপিত ধোপৰগুৰি সত্ৰই। যদিও আজি এই সত্ৰৰ অৱস্থা শোচনীয়, আদিতে এই সত্ৰই বৃহৎ অঞ্চলটোক অতি দুৰ্দান্ত বুলি খ্যাত মানুহৰ মাজত সহজ সৰল ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল আৰু অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াইছিল।

**ধোপৰগুৰি সত্ৰ আৰু লক্ষীকান্ত আতৈ :**

মধ্যযুগীয় অসমৰ সাংস্কৃতিক ইতিহাস বিচাৰৰ বেলিকা 'কথাগুৰু চৰিত' অন্যতম হাতপুথি। কথাগুৰু চৰিতৰ বিভিন্ন খণ্ডত মহাপুৰুষ মাধৱদেৱৰ হাজোলৈ আগমন, হয়গ্ৰীৱ মাধৱ দৰ্শন, হাজোৰ গায়নে মহাপুৰুষজনাৰ ওচৰত বাজনা শিক্ষা লোৱা, লক্ষীকান্ত আতৈৰ জন্ম বিৱৰণ, আতৈৰ হাজোলৈ আগমন আৰু সত্ৰ স্থাপন, হাজোৰ বিভিন্ন অঞ্চলত শাখা সত্ৰ স্থাপনৰ মনোৰম বৰ্ণনা পোৱা যায়। লক্ষীকান্ত আতৈ ঘোঁৰা ঘাটে আছিল ঃ ৰঘু ৰাজা সেই গ্ৰাম খানে দেউৰি কৈ হাজোলৈ দিলে ঃ লক্ষীকান্ত আতৈএ সৈতে গাঞঃ খানেই মহাপুৰুষক গুৰু বুলিলেহি। বুলি উঠি গ'ল হাজোৰ ওচৰলৈ ঃ গৈ সবেও আলচকৈ বোলে আমি মহাপুৰুষক গুৰু বুলিলোহক.......গুৰুজন পাওখানি ধুৱাই গামচাৰে মচি পাটত থই ঃ কোশ মুৰি পিন্ধাই কট তুলি থই ঃ পাটচলি ধুই থই নিতে এইখানি সেৱা ধৰে।। (৬৬৪)

লক্ষীকান্ত আতৈক হাজোত স্থাপন কৰিছিল কোচ ৰজা ৰঘুদেৱে। যি ৰঘুদেৱে অৰণ্যাকীৰ্ণ মাধৱ দেৱালয় পুনৰ্নিৰ্মাণ কৰি নট-

ভাট আদিৰ ব্যৱস্থা কৰিছিল। লক্ষীকান্ত আতৈৰ শৈশৱ বিৱৰণ আৰু পিতা-পুত্ৰৰ চিনাকি পৰ্ব বৰ মৰ্মান্তিক। জন্মতে মাতৃহাৰা হোৱা লক্ষীকান্তক তিনি মাহতে (কিছুমানৰ মতে তিনি দিন) ঘৰৰ ওচৰত কেওকিছু নোহোৱা বুঢ়ী এজনীক (মহৎ চন্দ্ৰ মহন্তৰ লক্ষীকান্ত আতৈৰ নামৰ পুথি মতে নিঃসন্তান কেওটনী বুঢ়ী) চাব কৈ পুষ্কৰ আতৈ সংসাৰ বিৰাগী হৈ তীৰ্থ ভ্ৰমণলৈ ওলাই যায়। কথাগুৰু-চৰিতৰ বৰ্ণনা এনেধৰণৰ—

আৰু লক্ষীকান্ত আতৈৰ পিতৃ পুষ্কৰ আতৈক ঘোঁৰাঘাটতে আছিল ঃ (বেটা লক্ষীকান্ত জন্মি প্ৰসূতাৰ দোষে এক মাসতে মাক চলিল ঃ পুশকৰ আতৈএ কলা দুগ্ধ খুৱাই তুলিছে তিনি মাহ ঃ

দেখি আৰাৰ বিৰক্ত লাাগ এটকি সোণা আছিল আচলে বান্ধি থৈ গৈ বাৰি চুকে বুৰি আছিল বোলে মই এটে আহো চৰা মন কৰিবা ঃ কান্দিলত বুৰিএ চাই পাই তুলিছে ঃ পান্ধেৰ বৰ্ষ হলত ভটা খেদাত লৰা হাহিলত বাপ নই বুলি মাক বুৰিত সুধিলত কলে হই বুলি ঃ তেহে বিচাৰি গৈ গুৰুজনক পাই বস্তু লভি হাটিতে আছে। (৬৬৫)

ইয়াত অতি সংক্ষেপে লক্ষীকান্তৰ শৈশৱ তথা জীৱন বৃতান্ত বৰ্ণনা কৰা হৈছে। ইয়াত উল্লেখ থকা 'বস্তু'বিধ মহাপুৰুষ মাধৱদেৱ বিৰচিত 'ৰত্নাৱলী' গ্ৰন্থ বুলি বিভিন্ন পুথিত উল্লিখিত হৈছে।

গুৰু মাধৱদেৱৰ ওচৰত হেৰোৱা পুত্ৰক বিচাৰি পালে পিতৃ পুষ্কৰে। ঃ 'তেহে গুৰুজনে চিনাইছে পিতা-পুত্ৰ দুইকো বোলে এৰাই তোমাৰ বেটা ঃ পুষ্কৰ আতৈএ বোলে বাপ ঃ লক্ষিকান্তহে আমাৰ পিতৃ অন্ধকৰ চক্ষু। তেহে গুৰুজনে ফকৰা মাতিছে ঃ আগে উপজিল ছোট ভাই পাছে উপজিল কাকা। কেৰমেৰ কৈ মাক উপজিল তেহে উপজিল বাপা।। তেহে মহাপুৰুষক গুৰু বুলিলে।' (৬৬৫)

কথাগুৰু চৰিতৰ মতে মহাপুৰুষ মাধৱদেৱ হাজোলৈ আহিব লগা হৈছিল থলুৱা অস্কৰালি ভট্টাচাৰ্য্যৰ দৌৰাত্ম্যত পৰিহে। হাজোলৈ অহাত গুৰুজনাক আদৰ আপ্যায়ন কৰি ৰাখিছিল লক্ষীকান্ত আতৈ আৰু সনাতন আতৈয়ে। গুৰুজনাৰ ওচৰলৈ মানুহৰ লানি নিছিগা সোঁত বব ধৰিলে। ডিমা বায়ন, জগন্নাথ গায়ন আদিয়ে দিনে-নিশাই হৰি কীৰ্তন কৰি নটুৱা নাচ কৰে। ওচৰ-পাঁজৰৰ গাঁওসমূহৰ মানুহেৰে সত্ৰ ভৰি পৰিল। কথিত আছে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ মানুহ নোযোৱা হ'ল, বামুণসকলৰ ভয় হ'ল— "বোলে আমাৰ হয় গৃঞ গোসাই ঢাকিবলৈহে আহিল।" (৮১৪)

কথাগুৰু চৰিতত থকা কাহিনী মতে এজনী বুঢ়ীয়ে পকা কল এথোক গুৰুজনাৰ ওচৰলৈ আনোতে বাটত ব্ৰাহ্মণ এজনৰ লগত তৰ্কবাদ হয়। জীয়া মাধৱ থাকোতে কোনে মূৰ্তি মাধৱক কল দিয়ে। বুঢ়ীৰ কথা শুনি গুৰুজনাই নামঘোষাত এই বিখ্যাত ঘোষাটি ৰচনা কৰিলে— "মায়া আদি কৰি যত সমস্তে জগত জড় ঃ কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ। চৈতন্য কৃষ্ণক এড়ে জড়ক ভজিয়া মৰে ঃ কিনো লোক অধম মুগুধ।। (৮১৫)

মহাপুৰুষজনাই যে হাজোৰ ভক্তপ্ৰাণ ৰাইজৰ অনুৰোধত হাজোলৈ অহা নাছিল তাৰ স্পষ্ট প্ৰমাণ পোৱা যায় গুৰুজনাৰ এইষাৰ কথাৰ পৰা— 'তেহে গুৰুজনে দুখকৈ বোলে উদাৰ আমাৰ এতিয়া বৃদ্ধকালত প্ৰৱাস কৰিব লাগিয়া হ'ল ঃ (৮১৭) তেওঁ স্বইচ্ছাই হাজোলৈ আহিলে এনেদৰে নক'লেহেঁতেন। তথাপি মহাপুৰুষজনাই ধোপৰগুৰি সত্ৰত ছমাহ কাল (১৫৮৮ খ্ৰীষ্টাব্দ) থাকি এই অঞ্চলক নৱবৈষ্ণৱ ধৰ্মৰ আলোকেৰে আলোকিত কৰিছিল। হাজোৰ মন্দিৰৰ গায়নে তেৰাৰ ওচৰত বাজনা শিকিবলৈ যোৱা, মাধৱ মন্দিৰলৈ ক্ৰমান্বয়ে মানুহ নোযোৱা হোৱা, 'মৰা মাধৱ জিয়া মাধৱ' (৮২০) আদি বাক্যাংশৰ সৃষ্টি হোৱা কথাই প্ৰমাণ কৰে।

কথাগুৰু চৰিতৰ পৰা স্পষ্ট প্ৰমাণ হয় যে লক্ষীকান্ত আতৈক হাজোত স্থাপন কৰে ৰঘুদেৱে। আতৈয়ে ইয়াৰ ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত তিনিটা কোঠাযুক্ত সত্ৰৰ প্ৰাথমিক নিৰ্মাণৰ কামখিনি সম্পূৰ্ণ কৰে ১৫৮৭ খ্ৰীষ্টাব্দত। মহাপুৰুষ মাধৱদেৱ হাজোলৈ আহোতে লগত অনা ভকত আৰু স্থানীয় শিল্পীৰ সহযোগত 'ৰুক্মিণীহৰণ' নাট মনস্থ কৰে। লাহে লাহে গুৰুজনাৰ নিৰ্দেশমৰ্মে সমগ্ৰ অঞ্চলতেই আতৈয়ে একশৰণ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিলে। এইক্ষেত্ৰত তেওঁক সহায় কৰিলে তেওঁৰ পুত্ৰ একান্ত হৰি ভকত সনাতনদেৱে। তেওঁৰ সহযোগতে আতৈয়ে দধি, অভয়পুৰ, শুৱালকুছি, ৰামদিয়া আদিত সত্ৰৰ শাখা স্থাপন কৰে।

ধোপৰগুৰি সত্ৰৰ জৰিয়তে সমগ্ৰ পূৱ কামৰূপত নৱবৈষ্ণৱ ধৰ্মৰ ঢৌৱে বিধৌত হ'ল। শেষত কোচৰজা বীৰ নাৰায়ণেও আতৈৰ দ্বাৰা প্ৰভাৱান্বিত হৈ তেওঁৰ লগত ধৰ্ম চৰ্চাত প্ৰবৃত্ত হ'ল। শেষত গুৰু দুজনাৰ দৰে লক্ষীকান্ত আতৈয়েও ৰাজৰোষত পৰিব লগা হ'ল। হাবিত জন্তু চিকাৰ কৰিব নোৱাৰি ৰজাই তাৰবাবে জগৰীয়া কৰিলে লক্ষীকান্তক। মহাবৈষ্ণৱ থকা ঠাইত জীৱ-জন্তু সকলো নিৰাপদে থাকে বুলি এজন পণ্ডিতে ৰজাক পতিয়ন নিয়ালে আৰু শেষত ৰজাৰ ৰোষত পৰি সাত দিনৰ ভিতৰত স্বস্থান ত্যাগ কৰিব লগা হোৱাত আতৈয়ে শেষৰ দিনটোত অৰ্থাৎ ১৬০২ শকৰ ভাদ মাহৰ কৃষ্ণ একাদশীৰ দিনা মৃত্যুবৰণ কৰে।

আতৈৰ প্ৰয়াণৰ পিছত ধোপৰগুৰি সত্ৰৰ অধিকাৰ হিচাপে নৰোত্তম আতৈক অভিষিক্ত কৰা হ'ল। মহাপুৰুষ মাধৱদেৱৰ বাৰজন মুখ্য শিষ্যৰ অন্যতম লক্ষীকান্ত আতৈৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু স্বয়ং মাধৱদেৱেই ছমাহ কাল বাস কৰা ধোপৰগুৰি সত্ৰৰ অৱস্থা আজি অতি শোচনীয়। এই সত্ৰই আজি অঞ্চলটোৰ ধৰ্মীয়, সাহিত্য, সংস্কৃতিত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব লাগিছিল। কিন্তু পৰিতাপৰ বিষয় এয়ে যে সত্ৰখনে এনে ভূমিকা গ্ৰহণ কৰা দূৰৰ কথা, আজি হাজোৰ বাহিৰৰ মানুহে হাজোত যে এখন ঐতিহ্যপূৰ্ণ সত্ৰ আছে সেই কথাটোকে নাজানে।❑





# ৰামদিয়া ঃ সংস্কৃতিৰ মিলন ক্ষেত্ৰ

✍ আজিজুৰ ৰহমান
অৰ্থনীতি বিভাগ

মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত গুৱাহাটীৰ পৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ দূৰত অৱস্থিত কামৰূপ জিলাৰ এখন পুৰণি গাঁও। নামটিত ইয়াৰ মনোমোহা, সুৱদি শুৱলা। ইয়াৰ নাম মুখেৰে উচ্চাৰণ কৰিলে দেহ-মন শাত পৰে, ভাগৰৰ অৱসান ঘটে, পাপী-তাপীয়ে বৈকুণ্ঠ লভে। ৰাম নাম বিজড়িত ৰামদিয়া ইয়াৰ নাম।

আহোম যুগৰ বুৰঞ্জী পুথিত বিভিন্ন প্ৰসঙ্গত ৰামদিয়া গাঁৱৰ কথা পোৱা যায়। বৈষ্ণৱ যুগৰ একাধিক চৰিত পুথিত ৰামদিয়াৰ উল্লেখ আছে। মানৰ আক্ৰমণ আৰু পৰৱৰ্তী কালত কোম্পানীৰ শাসন প্ৰসঙ্গত ৰামদিয়াৰ কথা বুৰঞ্জীত পাওঁ। ৰামদিয়া গাঁৱৰ ইতিহাস প্ৰণয়নৰ প্ৰচেষ্টা বহুজনে কৰিছে যদিও ইয়াৰ ওপৰত আজিকোপতি কোনো বিজ্ঞানসন্মত গ্ৰন্থ প্ৰকাশ পোৱা নাই। ৰামদিয়া নামটি মূলতঃ দুটা মৌলিক শব্দৰ সংযোজন। এটা 'ৰাম' আনটো 'দিয়া'। ইয়াত 'ৰাম' শব্দৰ অৰ্থ ডাঙৰ আৰু 'দিয়া' শব্দৰ অৰ্থ নদীৰ মাজত সৃষ্টি হোৱা বালিচৰ বা চাপৰি। এই দৃষ্টিৰে চালে ৰামদিয়া যে মূলত মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰা সৃষ্টি হোৱা এটি ডাঙৰ দিয়া বা চৰ-চাপৰি এই ধাৰণাৰ সন্দেহ অকণো নাই। নিকটৱৰ্ত্তী টোক্ৰাদিয়া, হাৰদিয়া, বিহদিয়া আদি গাঁৱৰ 'দিয়া' শব্দয়ো ইয়াৰ অন্যতম প্ৰমাণ দাঙি ধৰে।

ৰামদিয়া নামটি যদিও হিন্দু ধৰ্মাৱলম্বী লোকৰ অৱাসস্থলী যেন লাগে তথাপিও প্ৰকৃততে ৰামদিয়া হ'ল হিন্দু আৰু মুছলমান ধৰ্মালম্বী লোকৰ এক বাসভূমি। ৰামদিয়াৰ উজানকুড়ি, মুছলিমপাৰা, কাজিপাৰা, নদীয়া, ভকুৱামাৰী সন্তাৰ হ'ল মুছলমান লোকৰ বাসস্থলী। আনহাতে ৰামদিয়া মৌজাৰ অন্তৰ্গত অন্যান্য ন-সন্তাৰ, অমিয়াপট্টি, নামপাৰা, নদীয়া আদি হিন্দু ধৰ্মাৱলম্বী লোকৰ আৱাসস্থলী।

ৰামদিয়া অঞ্চলৰ সংস্কৃতি বিভিন্ন ধৰ্ম, জাতি আৰু সম্প্ৰদায়ৰ ৰীতি-নীতি, পৰম্পৰা আৰু জীৱন চিত্ৰৰ ওপৰত গঢ় লৈ উঠা। এই অঞ্চলৰ সংস্কৃতি মূলত কৃষি শ্ৰম আৰু ধৰ্মভিত্তিক। ঐক্য, সংহতি, সমন্বয় আৰু সংমিশ্ৰণেই হ'ল এই অঞ্চলৰ চিৰযুগমীয়া সংস্কৃতিৰ মূল বৈশিষ্ট্য। সমগ্ৰ অসমতে ৰামদিয়াৰ দৰে সাম্প্ৰদায়িক ঐক্য, সংহতি আৰু সৌহাদ্য বিৰল। ৰামদিয়াৰ মুছলমানসকলৰ ধৰ্মীয় প্ৰতিষ্ঠান মছজিদ আৰু হিন্দু বসতি প্ৰধান 'অমিয়াপট্টিৰ' ধৰ্মীয় অনুষ্ঠান মন্দিৰ সন্মুখা-সন্মুখীনকৈ পূৱা-পশ্চিমাকৈ অৱস্থিত। এনেহেন সাম্প্ৰদায়িক ঐক্যৰ চিত্ৰ অসমত বিৰল। ৰামদিয়াক এক সাংস্কৃতিক মিলনভূমি বুলি ক'লে ভুল কোৱা নহ'ব। ৰামদিয়াত অসমীয়া সংস্কৃতিৰ উৎকৃষ্টতম নিদৰ্শন বিহুক সমিল মিলেৰে পালন কৰাৰ উপৰিও প্ৰথম বহাগৰ পৰা তিনিদিন ধৰি ভঠেলি মেলাৰ আয়োজন কৰা হয়। এই ভঠেলি মেলাত সকলো ধৰ্মাৱলম্বী লোকৰ পয়োভৰ দেখা যায় আৰু সমানে ইয়াক উদ্‌যাপন কৰা পৰিলক্ষিত হয়। মানুহৰ দৰকাৰী ঘৰুৱা সামগ্ৰীৰ পৰা কৃষি সামগ্ৰীলৈ ক্ৰয়-বিক্ৰয় কৰা দেখা যায়। নদীৰ পৰা উৎপত্তি হোৱা ৰামদিয়া গাঁও। ইয়াৰ সংস্কৃতিও নদী কেন্দ্ৰীক। এক কৃষি উৎসৱ বিহুক জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উদ্‌যাপন কৰে। অসমৰ অন্যান্য বহুতো ঠাইৰ দৰে ৰামদিয়াৰ প্ৰাণকেন্দ্ৰ ভঠেলিখোলাৰ মুকলি পথাৰত ৰাস উৎসৱ উদ্‌যাপন কৰা হয়। ৰাস যদিও সম্পূৰ্ণ হিন্দু ধৰ্মীয় উৎসৱ তথাপিও ৰামদিয়াত ইয়াৰ ৰূপ বিচিত্ৰ। হিন্দু ধৰ্মীয় লোকৰ সমানে মুছলমান লোকসকলৰ উপস্থিতি পৰিলক্ষিত হয়। ইয়ে ৰামদিয়াক এক সাংস্কৃতিবান মানুহৰ পৰিচয় বহন কৰে। মুছলমানসকলৰ দৰে হিন্দু ধৰ্মীয় লোকসকলেও মুছলমানৰ ধৰ্মীয় উৎসৱ ঈদৰ লগত সংগতি ৰাখি আয়োজিত বিভিন্ন খেল-ধেমালি, গীত-মাতত অংশ গ্ৰহণ কৰি এক সমন্বয় সদায় ৰক্ষা কৰি আহিছে।

সাহিত্য আৰু সাহিত্যিকৰ সাধন ভূমি আমাৰ গাওঁ ৰামদিয়া। ৰামদিয়াৰ এই সাহিত্য-সংস্কৃতিৰ ধাৰাটো বহু আগৰে পৰা প্ৰৱাহিত হৈ আহিছে। ৰামদিয়াৰ সুযোগ্য সন্তান তথা স্বনামধন্য সাহিত্যিক ভাষাবিদ কালীৰাম মেধিৰ আবিৰ্ভাৱে এই অঞ্চলৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা অনুৰাগ প্ৰকাশ কৰে। তাহানিৰ সত্ৰীয়া পৰিবেশত ৰামদিয়াত সাহিত্য চৰ্চা হৈছিল। আজিও কেইবাখনো সত্ৰই সত্ৰীয়া পুথিভঁৰালৰ স্বৰূপ পৰিবেশ বজাই ৰাখিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰামদিয়াৰ বহু কেইজন স্বনামধন্য সাহিত্যিকে অৰিহণা যোগাবলৈ সক্ষম হৈছে। ভাষাবিদ কালিৰাম মেধি ডাঙৰীয়াই ১৯১৯ চনত বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ তৃতীয় অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰি ৰামদিয়ালৈ সুকীয়া গৌৰৱ কঢ়িয়াই আনিছে। অনন্ত দেৱশৰ্মাই ৰচনা কৰি থৈ যোৱা শিশু সাহিত্যৰাজিয়ে শিশু কাব্যত পোহৰ সিঁচিছে। ড° জ্যোতিপ্ৰসাদ মেধিৰ ইংৰাজী গ্ৰন্থৰাজিৰ উপৰিও তিলক চন্দ্ৰ মজুমদাৰ, ড° পৱিত্ৰ কুমাৰ পাটোৱাৰী, সুৰেন্দ্ৰ নাথ মেধিৰ সাহিত্য সম্ভাৰে সাহিত্য জগতত যথেষ্ঠ অৱদান

আগবঢ়াইছে। এই জ্যোতিষ্মান সাহিত্যিকসকলৰ লিখনিয়ে ৰামদিয়াক অধিক সংস্কৃতিবান হোৱাৰ লগতে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এক এনাজৰীৰ ডোলেৰে বান্ধ খাই থকাত আৰু অধিক খোৰাক যোগাইছে।

ৰামদিয়াৰ গোটেই বৃহৎ অঞ্চলটিক সামৰি থকা ৰামদিয়াৰ প্ৰাণকেন্দ্ৰ ভঠেলিখোলাত থকা ৰামদিয়া পুথিভঁৰাল সামূহিক সাংস্কৃতিক কেন্দ্ৰই ৰামদিয়াৰ মানুহক অধিক সাহিত্যৰ প্ৰতি অনুৰাগী হ'বলৈ উৎসাহ যোগাইছে। এই পুথিভঁৰালত থকা সাহিত্য-সংস্কৃতিমূলক গ্ৰন্থ সকলো শ্ৰেণীৰ লোকৰে পঢ়াৰ বাবে মুকলি থাকে। এই সাংস্কৃতিক অনুষ্ঠানটোৱে উঠি অহা যুৱক-যুৱতীসকলক সাহিত্যৰ প্ৰতি অনুৰাগী হ'বলৈ স্মৰণীয় সাহিত্যিকসকলৰ জন্ম আৰু মৃত্যু দিৱস উদ্‌যাপন কৰে। ইয়াৰ উপৰিও আশে-পাশে থকা আন কেইটিমান পুথিভঁৰালেও সাহিত্য গঠনত বহু বছৰ আগৰে পৰাই সহায় কৰি আহিছে।

"ৰামদিয়াৰ জ্ঞানোদয় সাহিত্য সভা" আৰু "ৰামদিয়া প্ৰতিভা সন্ধানী সভা" অসম সাহিত্য সভাৰ স্বীকৃত সভা। ইং ১৯৯৪ চনত কামৰূপ জিলাৰ সাহিত্য সভাৰ একবিংশতিতম্ অধিবেশন ৰামদিয়াত অনুষ্ঠিত হৈছিল। ইয়াৰ উপৰিও চলিত বৰ্ষৰ পহিলা জানুৱাৰীত "নতুন সাহিত্য পৰিষদ"ৰ শাখা এটিও মুকলি কৰা হয়। এই সকলোবোৰ সাহিত্য সংগঠনে ৰামদিয়াৰ এক উমৈহতীয়া কৃষ্টি-সংস্কৃতিৰ পূৰ্বৰে পৰা ধ্বজা বহন কৰি আহিছে। হিন্দু, মুছলমান সকলোৰে বাসভূমি ৰামদিয়াৰ উমৈহতীয়া সংস্কৃতি হ'ল জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে মিলন সেতু গঢ়ি এনাজৰীৰে বান্ধ খাই থকা। বহল দৃষ্টিকোণৰ পৰা চালে ৰামদিয়া হ'ল জাতি-ধৰ্ম-বৰ্ণৰ বিভেদ নথকা সংস্কৃতিবান মানুহৰ এক বাসভূমি। ইয়াত বিভিন্ন জাতি-ধৰ্ম-বৰ্ণৰ লোকে বাস কৰিলেও ইয়াৰ স্বকীয় সংস্কৃতি হ'ল ইয়াৰ অনৈক্যৰ মাজত ঐক্য বিৰাজ কৰা। সেয়েহে ইয়াক সাংস্কৃতিক মিলন ভূমি বুলি গণ্য কৰিব পাৰি।❑

**সহায়ক গ্ৰন্থ ঃ**


১। মণিকূট, স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা ৬৫তম হাজো অধিবেশন, ১৯৯৯ খ্ৰীষ্টাব্দ।

২। 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' ড° মহেশ্বৰ নেওগ।

৩। 'ভঠেলি' ৰামদিয়া পুথিভঁৰাল আৰু সামূহিক সাংস্কৃতিক কেন্দ্ৰৰ মুখপত্ৰ, প্ৰথম সংখ্যা, ২০০১ খ্ৰীষ্টাব্দ।

৪। 'ৰামদিয়াৰ ইতিবৃত্ত' গোবিন্দ চন্দ্ৰ দাস।


**আমাৰ গৌৰৱ**

- অসমৰ প্ৰথম গ্ৰেজুৱেট — সাধাৰণ বিভাগ (বি. এ.) — আনন্দৰাম বৰুৱা।
- অসমৰ প্ৰথম গ্ৰেজুৱেট (বি. ই.) ইঞ্জিনীয়াৰিং বিভাগ — বলীনাৰায়ণ বৰা।
- অসমৰ প্ৰথম (এল. এল.) আইন বিভাগ — মাধৱ চন্দ্ৰ বৰদলৈ।
- অসমৰ প্ৰথম আই. চি. এছ. (ইণ্ডিয়ান চিভিল ছাৰ্ভিচ) — আনন্দৰাম বৰুৱা।
- অসমৰ প্ৰথম আই. এফ. এছ (ইণ্ডিয়ান ফৰেষ্ট ছাৰ্ভিচ) — জ্যোতিৰ্ময় বৰুৱা।
- প্ৰথম অসমীয়া ভাৰত ৰত্ন — গোপীনাথ বৰদলৈ।
- সাহিত্য একাডেমী বঁটা বিজয়ী প্ৰথম অসমীয়া মহিলা — নলিনীবালা দেৱী।





# শঙ্কৰদেৱৰ সাহিত্যত ভাষাতত্ত্ব

✍ ড° জ্যোতিষ চন্দ্ৰ বৰ্মন

অসমত নৱবৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰতিষ্ঠাপক আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। নৱবৈষ্ণৱ ভক্তিধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰধান আৰু একমাত্ৰ মাধ্যম আছিল শঙ্কৰদেৱৰ সাহিত্যৰাজি। শঙ্কৰদেৱৰ সাহিত্যৰাজিক শঙ্কৰী সাহিত্য আৰু তেওঁৰ যুগটোক শঙ্কৰী যুগ বোলা হয়। শঙ্কৰদেৱৰ সাহিত্য মূলতঃ নৱবৈষ্ণৱ ভক্তিধৰ্ম বিষয়ক হোৱা হেতু তেওঁৰ সাহিত্যক 'বৈষ্ণৱ সাহিত্য' বুলিও কোৱা হয়। বৈষ্ণৱ সাহিত্যলৈ শঙ্কৰদেৱৰ অৰিহণা আছিল যথেষ্ট বিস্তৃত। এইটোও স্বীকাৰ কৰিব লাগিব যে বৈষ্ণৱ সাহিত্যলৈ শঙ্কৰদেৱৰ প্ৰিয় আৰু প্ৰধান শিষ্য মাধৱদেৱ আৰু বৈষ্ণৱ ধৰ্মৰ অনুগামীসকলৰ (অনন্ত কন্দলি, ৰামসৰস্বতী আদি) অৰিহণা আছিল যথেষ্ট। বৈষ্ণৱ সাহিত্যই অসমীয়া জাতিৰ সাহিত্যৰূপে প্ৰতিষ্ঠিত হৈছে। শঙ্কৰদেৱৰ সাহিত্যৰাজি বিবিধ বিষয়ক আছিল। সিবোৰ এনেধৰণৰ ঃ উপাখ্যান (হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ আদি), ৰামায়ণ, ভাগৱত আদিৰ ভাঙনি, তত্ত্বমূলক আলোচনা (অনাদি পাতন, নিমি-নৱ-সিদ্ধ সংবাদ), কীৰ্ত্তন ঘোষা, গীত (বৰগীত, ভটিমা, পয়াৰ আদি) আৰু নাট বা অঙ্কীয়া নাট। সেই আটাইবোৰ ৰচনাৰ মাজেদি শঙ্কৰদেৱৰ ভিন্ন শৈলীৰ পৰিচয় পাব পাৰি। উদাহৰণ হিচাপে নাট আৰু বৰগীতত এটা শৈলী, কীৰ্ত্তন ঘোষা আৰু দশমত আন এটা শৈলী, ভক্তিপ্ৰদীপ, অনাদি পতন, নিমি-নৱ-সিদ্ধ সংবাদত বেলেগ ধৰণৰ শৈলীৰ পৰিচয় আছে। ঠিক সেইদৰে 'গুণমালা'ত আন একধৰণৰ শৈলী লক্ষ্য কৰিব পাৰি। কথা হ'ল শঙ্কৰদেৱৰ বিবিধ বিষয়ক সাহিত্যৰাজি বিবিধ শৈলীৰ পৰিচয় আছে যদিও সিবোৰৰ ভিতৰত ইটোৰ সৈতে সিটোৰ এটি যোগসূত্ৰ আছে। সিটো হ'ল শঙ্কৰদেৱৰ সাহিত্যৰ বিশেষ শৈলী। যিটো শৈলী পূৰ্ব পৰম্পৰা অনুসৰি গঢ় লৈছে। যিটো শৈলীত সংস্কৃতৰ তৎসম, অৰ্ধতৎসম, তদ্ভৱ শব্দৰ প্ৰচুৰ প্ৰয়োগ, সংস্কৃতৰ বিবিধ ছন্দ অলংকাৰ আদিৰ সুপ্ৰয়োগ, উত্তৰ-পূব ভাৰতৰ বিভিন্ন অঞ্চলৰ ভাষাৰ প্ৰভাৱ, নাট আৰু বৰগীতৰ ব্ৰজবুলি (অসমীয়া, মৈথিলী মিশ্ৰিত) ভাষাৰ উপাদান আৰু থলুৱা ভাষাৰ উপাদানেৰে পুষ্ট এটা বিশেষ শৈলী। এই শৈলীটোৰ মাজেদি শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাৰ এটা সুন্দৰ পৰিচয় পাব পাৰি। মুঠৰ ওপৰত শঙ্কৰদেৱৰ ভাষাটো ভাষাগত দিশৰ ফালৰ পৰা বিবিধ উপাদানেৰে সমৃদ্ধ এটা ভাষা।

শঙ্কৰদেৱৰ সাহিত্য মূলতঃ নৱবৈষ্ণৱ ভক্তিধৰ্ম বিষয়ক হোৱা হেতু তেওঁৰ সাহিত্যক 'বৈষ্ণৱ সাহিত্য' বুলিও কোৱা হয়। বৈষ্ণৱ সাহিত্যলৈ শঙ্কৰদেৱৰ অৰিহণা আছিল যথেষ্ট বিস্তৃত। এইটোও স্বীকাৰ কৰিব লাগিব যে বৈষ্ণৱ সাহিত্যলৈ শঙ্কৰদেৱৰ প্ৰিয় আৰু প্ৰধান শিষ্য মাধৱদেৱ আৰু বৈষ্ণৱ ধৰ্মৰ অনুগামীসকলৰ (অনন্ত কন্দলি, ৰামসৰস্বতী আদি) অৰিহণা আছিল যথেষ্ট। বৈষ্ণৱ সাহিত্যই অসমীয়া জাতিৰ সাহিত্যৰূপে প্ৰতিষ্ঠিত হৈছে। শঙ্কৰদেৱৰ সাহিত্যৰাজি বিবিধ বিষয়ক আছিল। সিবোৰ এনেধৰণৰ ঃ উপাখ্যান (হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ আদি), ৰামায়ণ, ভাগৱত আদিৰ ভাঙনি, তত্ত্বমূলক আলোচনা (অনাদি পাতন, নিমি-নৱ-সিদ্ধ সংবাদ), কীৰ্ত্তন ঘোষা, গীত (বৰগীত, ভটিমা, পয়াৰ আদি) আৰু নাট বা অঙ্কীয়া নাট। সেই আটাইবোৰ ৰচনাৰ মাজেদি শঙ্কৰদেৱৰ ভিন্ন শৈলীৰ পৰিচয় পাব পাৰি।

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাটোৰ ভাষাতত্ত্বৰ আলোচনা বিশেষ হোৱা বুলি ক'ব নোৱাৰি। তাৰ উপৰি একেটা প্ৰবন্ধত ভাষাতত্ত্বৰ আটাইবোৰ কথা বিচাৰ কৰাটো সম্ভৱ নহয়। আমাৰ ইয়াত কেৱল শঙ্কৰদেৱৰ সাহিত্যত ভাষাতত্ত্বৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ এটা চমু পৰিচয় দাঙি ধৰা প্ৰযত্ন কৰা হ'ব। এই ক্ষেত্ৰত মহাপুৰুষজনাৰ নিজৰ ৰচনা (কীৰ্ত্তন ঘোষা, দশম, নাট আদি)ৰ পৰা তথ্যসমূহ গোটাই ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ আলোচনাত উল্লেখ কৰি আমাৰ আলোচ্য বিষয়টি স্পষ্ট কৰিবলৈ যত্ন কৰা হ'ব।

এইখিনিতে ভাষাতত্ত্বৰ আলোচনা বুলিলে কি বুজায় তাৰ এটা পৰিচয় দাঙি ধৰা হ'ল। সাধাৰণতে ভাষাতত্ত্বৰ আলোচনাত ভাষাৰ লিখিত ৰূপৰ এটা শুদ্ধ আৰু পূৰ্ণ ৰূপ নিৰ্ণয় কৰা হয়। ভাষাৰ পূৰ্ণ ৰূপ বুলি ক'লে ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ কথাই ক'ব লাগিব। ধ্বনিতত্ত্বত ভাষাৰ

লিখিত ৰূপত ব্যৱহাৰ হোৱা ধ্বনি, বিশিষ্ট ধ্বনি, স্বৰ-ব্যঞ্জন ধ্বনি, দ্বিস্বৰ ধ্বনি, শ্ৰুতিধ্বনিৰ প্ৰয়োগৰ বিচাৰ আৰু ধ্বনি পৰিৱৰ্ত্তনৰ বিবিধ দিশৰ আলোচনাক সামৰি লোৱা হয়। ভাষাতত্ত্বৰ ৰূপতাত্ত্বিক আলোচনাত ভাষাটোৰ ৰূপ-গঠন-পদ্ধতিৰ বিচাৰ কৰা হয়। ভাষাটোত ব্যৱহৃত ৰূপ, ৰূপৰ পাছত লগ লগা বিবিধ যুক্ত ৰূপ অথবা প্ৰত্যয়, শব্দ বিভক্তি, কাৰক বিভক্তি, বিবিধ বিষয়ক শব্দৰ শ্ৰেণী বিভাগ আৰু শব্দ-গঠন-পদ্ধতিৰ আলোচনা আদিৰ ৰূপতত্ত্বৰ বিচাৰত সামৰি লোৱা হয়। আমাৰ তলৰ আলোচনাত ওপৰৰ আটাইবোৰ দিশৰ এটি চমু পৰিচয় দাঙি ধৰা হৈছে।

পোনতে শঙ্কৰদেৱৰ সাহিত্যত ধ্বনিতত্ত্বৰ এটা পৰিচয় দাঙি ধৰা হ'ল। শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাতো সাতোটা বিশিষ্ট স্বৰধ্বনি আৰু কুৰিটা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ পৰিপূৰক বিতৰণৰ ফালৰ পৰা বিচাৰ কৰিব পাৰি। বিশিষ্ট স্বৰধ্বনি কেইটা এনেধৰণৰ ঃ অ, আ, ই, উ, এ, ঐ আৰু ও। শঙ্কৰদেৱৰ ৰচনাত ব্যৱহাৰ হোৱা বিশিষ্ট স্বৰধ্বনিবোৰৰ উদাহৰণ তলত দাঙি ধৰা হ'ল ঃ

।অ। তৱ (উদ্ধাৰ হ) 'হৰি হৰি বুলি তৰা কহিলো ৰহস্য' (কীৰ্ত্তন)
।আ। তাৰ (তাক) 'কৃষ্ণত ভকতি বাঢ়িবে তাৰ' (কীৰ্ত্তন)
।ই। তিৰ (পাৰ) 'হ্ৰদক তিৰে ৰহল' (কালীয়দমন নাট)
।উ। তুৰ (তুল্য, তুলনা) 'যাহে নাহি তুৰ' (পাৰিজাতহৰণ নাট)
।এ। তেৰ (বেকা) 'তেৰ কৰি চাহন্ত' (ৰুক্মিণীহৰণ নাট)
।ঐ। তৈৰ (ত'ৰ, তাৰ) 'তৈৰ পৰা চিত্ত কৰি বাৰ্জ (দশম)
।ও। তোৰ (তোমাৰ) 'বাঢ়োক তোৰ প্ৰেম ভকতি' (কীৰ্ত্তন)

শঙ্কৰদেৱৰ সাহিত্যত প্ৰয়োগ হোৱা বিশিষ্ট ব্যঞ্জন কেইটা হ'ল এনেধৰণৰ ঃ ক, খ, গ, ঘ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স আৰু হ। সিবোৰৰ পৰিপূৰক প্ৰয়োগ দেখুৱাই উদাহৰণসহ তলত দাঙি ধৰা হ'ল ঃ

।ক। কায় (দেহ, শৰীৰ) 'তান থিৰ নুহি কায়' (দশম) কায়-বাক্য-মনে (দশম)
।খ। খায় (খাই) 'সিটো দুৰাচাৰে মনুষ্যক পাইলে খায় (দশম)
।গ। গাব্ (গা, শৰীৰ) 'গাৱৰে অঞ্চল তুলি থাকে' (কীৰ্ত্তন) 'গাৱে পীতবস্ত্ৰ' (দশম)
।ঘ। ঘাৱ (আঘাত, ঘা) 'পৰম পীড়াত ঘাৱ ওলমাল' (কা.দ. নাট)
।চ। চাৰি (ত্যাগ কৰা, এৰ) 'কৃষ্ণক চাৰি উফৰি পৰল' (কা.দ. নাট)
।জ। জাৰি (গুছোৱা) 'ধূলা জাৰি তুলি লৈলা কোলাত' (কীৰ্ত্তন)
।ত। তান (তেওঁৰ) 'তান চৰিত্ৰ বিস্তৰ' (দশম)
।থ। থান (ঠাই, সত্ৰ) 'বান্ধিলা কোন থানে' (দশম), স্বৰ্গতোধিক থান মথুৰা নগৰী (দশম)
।দ। দৰ (খাল, গহ্বৰ) 'চাৰু উদৰ দৰ' (পাৰিজাত হৰণ নাট)
।ধ। ধৰ (ধৰ্) 'পাৱত ধৰি' (কীৰ্ত্তন), 'বহুবিধ ধৰা ৰূপ' (দশম)
।ন। নৰ (মানুহ) 'হেন জানি সাবধানে শুনা সবে নৰে' (দশম)
।প। পাট (পাট) 'মুখ্য পাট ভৈল সৱে যাদৱ প্ৰজাৰ' (দশম)
।ফ। ফাট (ফাট্) 'বাজ ভৈল বাহু ফাটি শৰীৰ' (কীৰ্ত্তন)
।ব। বিত্‌বাত (টকা-পইচা, বায়ু) 'মলয়া বহে বাত' (কীৰ্ত্তন)
।ভ। ভিত, ভাত (ভয়, অন্ন) 'তিৰী বধ ভিত' (কেলিগোপাল নাট) 'ব্যঞ্জন ভাত বাম হাতে লই' (কীৰ্ত্তন)
।ম। মাত (মাত্) 'শুকমুনি মাতি' (দশম)
।ৰ। ৰাই (ৰাজ, অধিপতি) 'দিলন্ত উত্তৰ যাদৱ ৰায়' (কীৰ্ত্তন)
।ল। লাই (ফালে, লৈ) 'মিথিলাক লাই' (ৰামবিজয় নাট)
।স। সাত (সংখ্যা) 'সাত ধাতু ছাল' (দশম)
।হ। হাত (হাত) 'যশোদা হাত বুলাই' (দশম)

শঙ্কৰদেৱৰ ৰচনাৰ ভাষাত স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰৰ শব্দৰ আদি মধ্য আৰু অন্তস্থানত কেনেধৰণে প্ৰয়োগ হৈছে তাক তলৰ উদাহৰণবোৰৰ পৰা বুজা যাব ঃ

| | আদি | মধ্য | অন্ত |
|---|---|---|---|
| অ | অতি | তল | কত |
| আ | আতি | তাল | কতপা |
| ই | ইতি | তিল | কতি |
| ঈ | ঈষ | খীৰ | সতৰী |
| উ | উত | খুৰ | বধু |
| ঊ | ঊধ | কূপ | কাকূ/কাকূতি |
| ঋ | ঋচ | — | — |
| এ | এত | তেৰ | একে |
| ঐ | ঐত | মৈৰা | চলৈ |
| ও | ওত | চোৰ | নতো (নাই বা নহয়) |
| ঔ | ঔষধ | পৌত্ৰ | ঢৌ |
| ক | কমল | ভকত | পাতক |
| খ | খল | বাখৰ | দেখ |
| গ | গগন | গগনা | ৰাগ |
| ঘ | ঘাৰ | ঘাঘৰা ঘাঘৰ | পাঘ |
| চ | চতুৰ | বচন | নাচ |
| ছ | ছেদ | মিছা | আছ |
| জ | জল | মজল | বাজ |
| ট | টান | চটক | শকট |
| ঠ | ঠান | কঠিন | পাঠ |
| ড | ডৰ | ডৰডৰি | — |
| ঢ | ঢাক | — | — |
| ণ | — | মণি | কাণ |
| ত | তপ | যতন | জগত |
| থ | থান | কথাক | নাথ |
| দ | দান | মদন | পদ |
| ধ | ধৱল | অধম | ৰোধ |
| ন | নয়ন | দানৱ | পান |
| প | পৰম | পাপ | তাপ |
| ফ | ফাৰ | বিফল | লাফ |
| ব | বাপ | তবধ | তব |
| ভ | ভয় | অভয় | লাভ |
| ম | মগন | গমন | কাম |
| য | যতন | — | — |
| ৰ | ৰমন | পৰম | মাৰ |
| ল | লগন | পালটাই | পাল |
| শ | শক | শিশিৰ | পেশ |
| ষ | ষট | বিষয় | বিষ |
| স | সকাল | সাস | হাস |
| হ | হত | দোহো | মুহ |



সঙ্গম ঃ সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত 'ৱ' আৰু 'য়' শ্ৰুতিধ্বনিৰূপে ব্যৱহাৰ হোৱা লক্ষ্য কৰিব পাৰি। সিবোৰ তলৰ উদাহৰণৰ পৰা বুজা যাব ঃ

অ-আ ঃ কৱ, শৱ
অ-আ ঃ ছৱাল, 'ইটো ছৱাল তোমাৰ' (দশম)
আ-আ ঃ মাৱ, ৰাৱ, ঠাৱ, 'ৰোহিণীৰ গৰ্ভে দিল ঠাৱ' (দশম)
আ-এ ঃ গাৱে, আৱে, 'নিয়া আৱে যেন লাগে' (কীৰ্ত্তন)
ঈ-অ ঃ জীৱ, 'ধন জন জীৱন যাইবেক একে তিলে (দশম)
এ-অ ঃ দেৱ, 'সমস্ত দেৱৰ ৰাজা কৃষ্ণেসে ঈশ্বৰ' (দশম)
এ-আ ঃ সেৱা, 'সেৱা সময়ত যিটো আতি সুখতম' (কীৰ্ত্তন)
উ-আ ঃ হুৱা, 'কৃষ্ণ হুৱা শোষয় জীৱন' (কীৰ্ত্তন)
ও-এ ঃ যোৱে
অ-অ ঃ জয়, হৰয় 'হৰয় বিপদ যাক কৰিলে স্মৰণ' (কীৰ্ত্তন)
আ-অ ঃ যায়
আ-ও ঃ পঢ়ায়ো
ই-আ ঃ দিয়া 'দেখা দিয়া সদাশিৱ' (কীৰ্ত্তন)
ই-এ ঃ হিয়ে
ই-ও ঃ চাৰিয়ো, 'চাৰিয়ো বেদৰ তত্ত্ব' (কীৰ্ত্তন)
এ-অ ঃ দেয়, 'কতোজনী দেয় স্তন' (কীৰ্ত্তন)

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত দ্বিস্বৰ ধ্বনি প্ৰয়োগ আছে। সিবোৰ তলত দিয়া ধৰণৰ ঃ

অই ঃ কই
আই ঃ দুনাই, 'বালিত নামি দুনাই' (কীৰ্ত্তন)
আউ ঃ আউৰ, 'আউৰজনী বোলৈ কিবা' (কীৰ্ত্তন)
আও ঃ আওতা
ইঅ ঃ পিঅ
ইউ ঃ পিউ
উই ঃ দুই, 'ৰাম-কৃষ্ণ দুই ভাই' (কীৰ্ত্তন)
এই ঃ নেই, 'কতো গোপী নেই হৰি' (কীৰ্ত্তন)
এউ ঃ দেউ
ওই ঃ মোই

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত যুক্ত ব্যঞ্জন ধ্বনি প্ৰয়োগ পৰ্যাপ্ত পৰিমাণে আছে। সিবোৰ তলৰ উদাহৰণৰপৰা বুজা যাব ঃ

ক্ত ঃ ভক্তি
ক্ৰ ঃ চক্ৰ
দ্ধ ঃ উদ্ধৱ
ত্ন ঃ ৰত্ন
ন্ত ঃ তান্ত
ন্থ ঃ পন্থ
ন্ধ ঃ গন্ধ
প্ত ঃ দীপ্তি
ম্ভ ঃ গম্ভীৰ
ৰ্ঘ ঃ দুৰ্ঘোৰ
ৰ্থ ঃ তীৰ্থ
ৰ্ণ ঃ কৰ্ণ
ৰ্প ঃ সৰ্প
ৰ্ব ঃ গৰ্ব
ৰ্ভ ঃ গৰ্ভ
ৰ্ম ঃ কৰ্ম্ম
স্ত ঃ হস্ত
ৰ্জ্জ ঃ দুৰ্জ্জন
ৰ্দ্দ ঃ কৰ্দ্দম
ৰ্ব্ব ঃ সৰ্ব্ব
ৰ্ম্ম ঃ ধৰ্ম্ম
ৰ্ল্ল ঃ দুৰ্ল্লভ

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত দ্বিত্বসম ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। সিবোৰ তলত দিয়া ধৰণৰ ঃ

ক্ক্ ঃ ধিক্কাৰ
চ্চ্ ঃ উচ্চ
জ্জ্ ঃ লজ্জা
ত্ত্ ঃ উত্তম
ন্ন্ ঃ উন্নত
ব্ব্ ঃ চব্বিশ
ল্ল্ ঃ ভল্ল 'ওহো ভল্ল ভাট' (ৰামবিজয় নাট)

শঙ্কৰদেৱৰ ৰচনাত কিছুমান ৰূপত ব্যৱহাৰ হোৱা আৰু সাদৃশ্য থকা ধ্বনিৰ এটা যদি এটা পৰিৱেশত আৰু এটা আন এটা পৰিৱেশত দেখা যায়। ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ ফালৰ পৰা এটাক আনটোৰ সংধ্বনি বুলিও কোৱা হয়। স্বৰৰ হ্ৰস্ব, দীৰ্ঘ আৰু স্বৰ ব্যঞ্জন সংধ্বনিৰ বাহিৰে দুই-এটা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত উচ্চাৰণৰ ভিন্নতা লক্ষ্য কৰিব পাৰি। সিবোৰ তলৰ উদাহৰণৰ পৰা বুজা যাব ঃ

| | | |
|---|---|---|
| ঈ (ই) | ঃ | বীৰ (বিৰ) সাখী (সাখি) |
| ৎ (ত) | ঃ | উৎপাত (উতপাত) |
| থ (ঠ) | ঃ | লাথি (লাঠি) |
| স (চ্ছ) | ঃ | কৈসানি (কৈছানি, কৈচানি) |
| শ (চ) | ঃ | শিহৰণ (চিহৰণ) |
| ড় (ৰ) | ঃ | পড়ি (পৰি) |
| য (জ) | ঃ | যাৱ (জাৱ) সূৰ্য্য (সূজা) |

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত প্ৰাকৃত ভাষাৰ ধ্বনি-পৰিৱৰ্তনৰ নিয়ম দুই-এটা শব্দত লক্ষ্য কৰিব পাৰি। উদাহৰণ ঃ শিপা > সিআ।

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত নাসিক্যধ্বনিৰ যুক্ত ব্যৱহাৰ আছে। অনুনাসিকীকতা যুক্ত কিছুমান শব্দ তলত উদাহৰণ হিচাপে দাঙি ধৰা হ'ল ঃ

| | | |
|---|---|---|
| ১) | আণ্ঠু | আঁঠু |
| ২) | আকোৱালি | আকোঁৱালি |
| ৩) | কঙ্কাল | কঁকাল |
| ৪) | কণ্টক | কাঁইট |
| ৫) | কেঙ্কা | কেঁকা |
| ৬) | গ্ৰাম | গাঁও |
| ৭) | ঠোণ্ঠ | ঠোঁট |
| ৮) | পেম্পা | পেঁপা |
| ৯) | বঙ্ক | বেঁকা |
| ১০) | সঞ্চা | সাঁচা |
| ১১) | সোন্ত | সোঁত |

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাৰ ক্ৰমবিকাশৰ ধাৰণাটো ধ্বনি-পৰিৱৰ্তনৰ যোগেদি লক্ষ্য কৰিব পাৰি। ধ্বনি পৰিৱৰ্তন ভাষা এটাৰ উল্লেখযোগ্য পৰিৱৰ্তন। ইয়াক অবয়বী পৰিৱৰ্তন বা ক্ৰমবিকাশ বুলিও কোৱা হয়। শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত প্ৰয়োগ হোৱা কিছুমান ৰূপৰ ধ্বনি পৰিৱৰ্তনৰ ধাৰণাটো তলৰ উদাহৰণৰ পৰা বুজা যায় ঃ

| | | |
|---|---|---|
| ঐ>এ | ঃ | তৈল>তেল |
| ঔ>আ | ঃ | ঔষধ>আযুধি |
| ঔ>উ | ঃ | সৌহৃদ>সুহৃদ |
| ঔ>ও | ঃ | কৌটি>কোটি |
| ক>খঃ | ঃ | শুকান>শুখান |
| খ>হ | ঃ | মুখ>মুহ |
| ত>থ | ঃ | হাত>হাথ |
| থ>হ | ঃ | নাথ>নাহ |
| ধ>হ | ঃ | বিধি>বিহি |
| ভ>ব | ঃ | ভগিনী>বহিনী |
| স>হ | ঃ | কলস>কলহ |

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত ধ্বনি পৰিৱৰ্তনৰ কেইটামান প্ৰধান দিশ লক্ষ্য কৰিব পাৰি। সিবোৰ তলত দিয়া ধৰণৰ ঃ

**সমীভৱন ঃ**
কৃপণ>কিৰপিন
মেখলা>মেখেলা
সূৰ্য্য>সুৰুজ
ন-দেখি>নেদেখি

**বিষমীভৱন ঃ**
স্নান সিনান>(চিনান)
লাঙ্গল>লাঙাল, নাঙল
হাঙ্গাৰ>হাঙাৰ, হেঙাৰ

**লোপ ঃ আদিস্বৰ লোপ ঃ**
অভ্যন্তৰ>ভিতৰ
অসুৰ>সুৰ
আচ্ছন্ন>ছন্ন
আঘাত>ঘাত
ইহাক>ইয়াক>আক

**মধ্যস্বৰ লোপ ঃ**
সুবৰ্ণ>স্বৰ্ণ
ধৰম>ধৰ্ম্ম

**অন্তস্বৰ লোপ ঃ**
শিলা>শিল
বুকু>বুক

**আদি-ব্যঞ্জন লোপ ঃ**
স্কন্ধ>কন্ধ>কান্ধে, 'হামাৰ কান্ধে চৰসিয়া' (কেলিগোপাল নাট)
স্থিতি>থিতি
স্থান>থান
স্তন>তন

**মধ্য-ব্যঞ্জন লোপ ঃ**
অন্ধকাৰ>আন্ধাৰ
ঈশ্বৰ>ঈশ, 'হৰি পৰম ঈষ' (কীৰ্ত্তন)
নহয়>নয়





বিবাহ>বিহা, 'কৰিবা বিহা কন্যা সাৱন্ত' (কীৰ্ত্তন)
'বিহা কৰি বসুদেৱ গৃহে থাইবে চিত' (দশম)
ৰাজা>ৰাই, ৰায়
শুতি>শুই

**অন্ত ব্যঞ্জন লোপ ঃ**
অৰ্পন>অৰ্পা, 'মনত অৰ্পা মদন' (কীৰ্ত্তন)
অষ্টম>অষ্ট
আৰাধনা>আৰাধ
দশম>দশ
নৱম>নৱ
মহৎ>মহা
শতক>শত

**আগম ঃ আদি স্বৰাগম ঃ**
নব>এনব
বিহীন>অবিহনে
ৰক্ত>ৰকত>আৰকত, 'কোপে চক্ষু আৰকত' (কালীয়দমন নাট)

**মধ্য স্বৰাগম ঃ**
আত্মা>আতমা, 'সমস্ত ভূতৰ আতমা তুমি' (কীৰ্ত্তন)
উল্কাপাত>উলকাপাত
পৃথ্বীক>পৃথিৱীক
ভগ্নী>ভগিনী
ভক্তি>ভুকুতি

**অন্ত স্বৰাগম ঃ**
পুত্ৰ>পুতা পুতাই
ভূ>ভুই

**অপিনিহিত ঃ**
পুন্য>পুইন

**অভিশ্ৰুতি ঃ**
ময়ুৰ>মৈৰা
লাঞ্জ>লেজ

**মহাপ্ৰাণীকৰণ ঃ**
কেলি>খেড়ি, 'কৰন্ত গোপি সমে জলখেড়ি' (কীৰ্ত্তন)
ডেউকা>ডউখা, 'বাম ডউখা' (দশম)
শুকাল>শুখাল, 'অজগৰৰ শুখাল যেবে ছাল' (কীৰ্ত্তন)
শুকান>শুখান

**অল্পপ্ৰাণীকৰণ ঃ**
চক্ষু>চকু
বুভুক্ষা>ভোখ>ভোক
সিঠান সিতান, 'সিঠান দিবা গোপৰ কোলাত' (দশম)

শঙ্কৰদেৱৰ সাহিত্যৰ আধাৰ অথবা মূল উৎস হ'ল ৰামায়ণ, ভাগৱত আৰু বিভিন্ন পুৰাণসমূহ। সিবোৰ গ্ৰন্থ সংস্কৃত ভাষাত ৰচনা কৰা। শঙ্কৰদেৱ নিজেও এগৰাকী সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত। তেওঁ ৰচনাত সংস্কৃত বৰ্ণমালাৰ অনুকৰণত 'ঋ'ত বাহিৰে আটাইবোৰ বৰ্ণৰ ব্যৱহাৰ আছে। আমি ইয়াত 'বৰ্ণ'ক ধ্বনি আৰু বিশিষ্ট ধ্বনিত ভাগ কৰিছো। উচ্চাৰণৰ ফালৰ পৰা ধ্বনিবোৰৰ হ্ৰস্ব আৰু দীৰ্ঘৰ পাৰ্থক্য নাই। লেখাৰ ক্ষেত্ৰতো একেটা শব্দ এঠাইত হ্ৰস্ব আৰু আন এঠাইত দীৰ্ঘৰ প্ৰয়োগ আছে। সেইবোৰৰ উদাহৰণ ওপৰত উল্লেখ কৰা হৈছে। ব্যঞ্জন ধ্বনি চ, ছ, স, শ, ষ, ৰ একেটা শব্দৰ ভিন্ন স্থানত সিবোৰৰ এটাৰ সলনি আনটোৰ প্ৰয়োগ আছে। শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰৰ শব্দৰ আদি, মধ্য আৰু অন্ত স্থানত কেনেধৰণে প্ৰয়োগ হৈছে তাক ওপৰত দাঙি ধৰা হৈছে। অৱশ্যে এটা কথা ক'ব লাগিব যে ব্যঞ্জনান্ত শব্দবোৰো স্বৰান্ত হিচাপেহে উচ্চাৰণ কৰা হয়।

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত অসমীয়া ভাষাৰ প্ৰাচীন স্তৰৰ এটা পূৰ্ণ ৰূপ সংৰক্ষিত হৈ আছে। ভাষাৰ পূৰ্ণ ৰূপ বুলি ক'লে তাৰ প্ৰধানকৈ ৰূপ-গঠন-ৰীতিৰ কথাই ক'বলগীয়া হয়। ৰূপ, গঠন, পদ্ধতিয়ে বিবিধ বিষয়ৰ শব্দৰ লগতে সেইবোৰৰ পাছত যোগ হোৱা বিবিধ প্ৰত্যয় শব্দ বিভক্তি, ক্ৰিয়া বিভক্তি, শব্দবোৰৰ শ্ৰেণীবিভাগ (বিশেষ্য, সৰ্বনাম, বিশেষণ, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ) শব্দ গঠন পদ্ধতি আদিৰ কথা সামৰি লয়। এইবোৰৰ উপৰিও ঘৰুৱা প্ৰবাদ, প্ৰবচন, খণ্ড বাক্য, সংস্কৃত ভাষাৰ সন্ধি, সমাসবদ্ধ শব্দৰ প্ৰয়োগ সাহিত্যৰ ভাষাত আছে। সেইবোৰৰ তলত দাঙি ধৰা হৈছে।

শঙ্কৰদেৱৰ সাহিত্যত ধৰ্মীয়, সামাজিক, ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক আদি সকলো দিশ সামৰি ৰচনা কৰা হেতু ইয়াত বিবিধ ধৰণৰ শব্দমালাৰ ব্যৱহাৰ হৈছে। সেইবোৰক তলত দিয়া ধৰণে কিছুমান ভাগত ভাগ কৰি দেখুৱাব পাৰি ঃ

**গছ-গছনি সম্পৰ্কীয় শব্দ ঃ** শাল, তাল, তমাল, মন্দাৰ, আম, জাম, বেল, বকুল, সৰল, সোণাৰু, অশ্বত্থ, বট, পাকৰি ইত্যাদি।

**ফল-ফুল বুজোৱা শব্দ ঃ** আম, জাম, লেবু, জৰা, জামীৰ, খাজুৰী, বিল্ব, নাৰিকল, কল ইত্যাদি। মন্দাৰ, পাৰিজাত, চম্পক, অশোক, কুমুদ, উতপল, কদম্ব, ৰঘু, নাগেশ্বৰ, মালতী, মধাই, জাই, যুতী, পলাশ, শিৰিষ, সেউতী, লবঙ্গ, বাগী, গুলাল, কৰবী, বক, কাঞ্চন, শেৱালী, বকুল, কণৌৰ, কনাৰী, বাবৰী, ৰাজচম্পা, কুন্দ, কেতেকী, তগৰ, গুটিমালী, মৰুৱা, ধতুৰা ইত্যাদি।

**জীৱ-জন্তু সম্পৰ্কীয় শব্দ ঃ** বাঘ, ভালুক, শৃগাল, কুকুৰ, দাদুৰী, ঘোৰা, সিংহ, মৃগ, সাপ, গ্ৰাহ, গজেন্দ্ৰ, গৰু ইত্যাদি।

অঙ্গ-প্ৰত্যঙ্গবাচক শব্দ ঃ চকু, কাণ, নাক, জিভা, মুখ, জঙঘা, উৰু, জানু, পাৱ, দন্ত, মাথা, কপাল, কণ্ঠ, গাল, পেট, গ্ৰীবা, ভুজ, আঙ্গুলি, নখ, কেশ, লোম, ওঁঠ, ভ্ৰুৰ, নাভি, কঁকাল ইত্যাদি।

১) সংযুক্ত ক্ৰিয়া ৰূপ ঃ কৰি মৰা, 'মিছা মোৰ মোৰ কৰি মৰা'।
২) অসমাপিকা ক্ৰিয়া ৰূপ ঃ কৰি, 'শুনা সাৱধানে তাক স্থিৰ কৰি মতি'।
৩) তুমুনাৰ্থক ক্ৰিয়া - ৰূপ ঃ কৰিতে, 'ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন'।
৪) কৃদন্ত - ৰূপ ঃ কৰন্তা, 'হেন তপ কৰন্তা নাহিকৈ সংসাৰত'।
৫) ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ ঃ নকৰে, 'তথাপি নামত নকৰে প্ৰীতি'।
নাৰাখ, 'সৃষ্টি নষ্ট হুই কেনে নাৰাখা আমাক'।
নিদিবা, 'আৰোবাৰ দৈত্যক নিদিবা হেন বৰ'।
নুশুনো, 'আন মন কৰি নুশুনে কাণে'।
নেদেখো, 'তোমাৰ চিন্তাৰ কিছু নেদেখো কাৰণ'।
নোপজয়, 'ভয় নোপজয় নেৰয় আম্মাৰ পাশ'।

শঙ্কৰদেৱৰ নাট আৰু বৰগীতত ৰূপতত্ত্বৰ কিছুমান সুকীয়া প্ৰয়োগ আছে। নাট আৰু বৰগীতত ক্ৰিয়াৰূপ, সৰ্বনাম আৰু শব্দ বিভক্তিৰ ক্ষেত্ৰত সুকীয়া প্ৰয়োগ লক্ষ্য কৰিব পাৰি। ক্ৰিয়াৰূপৰ ক্ষেত্ৰৰ প্ৰয়োগ কিছুমান এনেধৰণৰ ঃ গাৱত, কৰত, বাজত, কৰসি, হোই, নোই, যাই, থিক, কহ, কহু, কহতু, দেখু, দেখহু, দেহু, লেহু, চিন্তহু, বোল, দেলহ, লেলহ, ভেলা, ভেলি, গেলি, ৰহবি, ৰহয়ে, নাহি, নাৰহে, শুনয়ে নাহি, কৰিব নাহি, নাৰি কৰবি, ৰাখয়ে নাহি পাৰল, কয়কহু, ধৰিকহু, প্ৰবেশিকহু, লভিকহু ইত্যাদি। নাট আৰু বৰগীতৰ ভাষাৰ সৰ্বনাম শব্দ কিছুমান এনেধৰণৰ ঃ কে, কি, সে,সো, যে, যো, ইহি, সোহি, যোহি, তুহু, তোহা, তোহো, তোহাৰি, তাহে, হামু, হামাক, হামাৰসবক, মেৰা, মেৰি, মুহ, মোহো, মোহোৰ ইত্যাদি। শব্দ বিভক্তিৰ ক্ষেত্ৰত বৰগীতৰ ভাষাত দ্বিতীয়া 'কূ' বিভক্তিৰ প্ৰয়োগ হয়। ইয়াৰ দ্বাৰা কেতিয়াবা ষষ্ঠী বিভক্তিৰ কামো সিদ্ধ হয়। উদাহৰণ ঃ যাকু কৰত সেৱ, হামাকু তেজল, নন্দকু নন্দন। কেতিয়াবা কোনো শব্দ বিভক্তি যোগ নিদিয়াকে চতুৰ্থী বিভক্তিৰ কাম চলোৱা হয়, কেতিয়াবা দ্বিতীয়া ক/-কুৰ পাছত 'লাই' পৰসৰ্গ ব্যৱহাৰ কৰা হয়। উদাহৰণ ঃ ব্ৰজ যাই, ভৰি আগকু বাঢ়য়ে নাহি, চললি কালি ৰমনক লাই। ষষ্ঠী বিভক্তিৰ বাবে কৰ, কেৰ, কেৰি, হেৰি, কহুৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। উদাহৰণ ঃ যাকৰ, চাকৰ, যাকেৰ স্ৰজনা, যাকেৰি নামে, যাকেৰি বিহাৰ, সবকহু ৰাজা নাম।

শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাত লক্ষ্য কৰিবলগীয়া আন কিছুমান ৰূপাতাত্ত্বিক লক্ষণৰ নিদৰ্শনৰ তলত দাঙি ধৰা হ'ল ঃ

১) তুলনা- বুজোৱা ৰূপ ঃ
ক) ত-কৰি ঃ 'মোত কৰি তোক্ষাত অধিক হৈবে মান'।
খ) ত-পৰে ঃ 'ভকতত পৰে মই নিচিন্তোহো আন'।
গ) তো অধিক ঃ 'তীৰ্থতো অধিক পৱিত্ৰ ভৈল অশেষ'।
ঘ) সম ঃ 'কৌটি সূৰ্য্য সম গৃহৰ জ্যোতি'।
ঙ) সৰি ঃ 'কৌটি এক ৰাজসূয় অশ্বমেধ যজ্ঞ আন নুহি সৰি'।
চ) সাৰতৰ ঃ 'নাহি সুপুৰস বৈষ্ণৱতে সাৰতৰ'।

২) জোৰ-বুজোৱা শব্দ ঃ
ক) সঃ কৰস, 'পাৰিষদ বোলাই কৰস চটি'।
খ) সিঃ তুমিসি, 'তুমিসি আম্মাৰ জীৱপ্ৰাণ সমুদায়'।
গ) সেঃ মইসে, 'মইসে কৃষ্ণ দেখ গোপীগণ'।

৩) কৃত-প্ৰত্যয় ঃ
ক) -অন ঃ মৰ্-অন, মৰণ, 'কতো হন্তে নুহিবেক মোহোৰ মৰণ'।
খ) -অন্ত ঃ মানন্ত, 'মানন্ত চাৰিও মুনি দুনাই'।
গ) -ইলা ঃ দুহ-ইলা, দুহিলা, 'পৃথিৱীক ধৰিয়া দুহিলা সৰ্বৰস'।

৪) তদ্ধিত প্ৰত্যয় ঃ
ক) -অক ঃ দাৰুণ-অক, 'ভয়ে দাৰুণক ত্ৰিজগতে কৰৈ সেৱ'।
খ) -অনী ঃ বাঞ্চা-অনী, 'দেৱবো বাঞ্চনী মনুষ্য নৰ'।
গ) -অৰীয়া ঃ লগ-অৰীয়া, 'যতেক ধোৱা লগৰীয়া আৰ'।
ঘ) -ঈ ঃ ক্ৰোধ-ঈ, 'পৰম ক্ৰোধী হুৱা ক্ৰৰমতি'।
ঙ) - ঈয়াৰ ঃ দোহ-ঈযাৰ, 'বলিৰ দ্ৰোহীয়াৰ বলি'।
চ) - উক ঃ ঘাত-উক, 'কেনে বোলা হেন ঘাতুক বাণী'।
ছ) -লা ঃ অন্ধ-লা, 'যেন অন্ধলাক অন্ধে উপদেশে'।

৫) পূৰ্ব প্ৰত্যয় ঃ
ক) অ- ঃ অবিনাসী, 'তাৰ অবিনাশী ফল'।
খ) অন- ঃ আনাদৰ, 'অনাদৰ আন ধৰ্ম সম্প্ৰতি'।
গ) আ- ঃ আজন্ম, 'আজন্মৰ পূণ্য তেখনে হবৈ'।
ঘ) উপ- ঃ উপপতি, 'উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম'।
ঙ) কু- ঃ কুকথা, 'কুকথায়ে হবৈ সমস্ত পূণ্য'।
চ) দুৰ- ঃ দুৰ্যশ ঃ 'বৈকুণ্ঠৰে আন দুৰ্যশ বৰ'।
ছ) নি- ঃ নিক্ষত্ৰিয়, 'নিক্ষত্ৰিয় কৰিলা সমস্ত বসুন্ধৰী'।
জ) প্ৰতি- ঃ প্ৰতিকাৰ, 'হেন জানি বিধি কৰিয়োক প্ৰতিকাৰ'।
ঝ) বি- ঃ বিমুখ, 'আকে লাগি ভৈলা হৰি বিমুখ'।
ঞ) স- ঃ সপত্নী, 'সপত্নী মাতৃৰ বাক্যে বিদাৰিলা মন'।
ট) সু- ঃ সুশোভন, 'কিবা সুশোভন পাঠ পঢ়ি আছা তাত'।

পৰসৰ্গ আৰু আন আন অব্যয় শব্দৰ প্ৰয়োগ কীৰ্ত্তন-ঘোষাৰ ৰচনাত পৰ্যাপ্ত পৰিমাণে আছে। তলত কেইটামান উদাহৰণ হিচাপে দাঙি ধৰা হ'ল ঃ


অৰ্থে ঃ 'তোমাৰাসবে মোৰ অৰ্থে আতি'।
অনুসাৰে ঃ 'মতি অনুসাৰে ভজিলো তোম্মাৰ পাৱ'।
উপৰে ঃ 'ত্ৰৈলোক্যৰ উপৰে তাহাঙ্ক থৈলা থাপি'।
কাৰণে ঃ 'সি কাৰণে শঙ্কৰ ধৰিলো নাৰিবেশ'।
তো ঃ 'দেৱতো উত্তম কৰুণাকৰ'।





নামে ঃ 'ভৈলাহা পৰশুৰাম নামে অৱতাৰ'।
নিমিত্ত ঃ 'তোৰেসে নিমিত্ত কৰৈ মদনে দগধ'।
নো ঃ 'কোননো নসাধে প্ৰভু তোমাৰ ভকতি'।
পৰা ঃ 'আমাসৰ পৰা কাঢ়িয়া নিবেক'।
বিনা ঃ 'চন্দ্ৰবিনা ৰাতি আন্ধাৰ'।
মতে ঃ 'এৰাইবে নামৰ দ্ৰোহ কিমতে'।
যেন ঃ 'কৰা যেন কল্পতৰু'।
সাহিতি ঃ 'চতুৰ্ভিতি চান্ত হৰে পাৰ্বতী সহিতি'।
হেতু ঃ 'ৰাৱণ বধিলা সীতা হৰণৰ হেতু'।
আউৰ ঃ 'কলিৰ কালে আউৰ আতপৰে'।
আৰো ঃ 'কপিল স্বৰূপে আৰো ভৈলা অৱতাৰ'।
আৰোৱাৰ ঃ 'আৰোৱাৰ দৈত্যক নিদিবা হেন বৰ'।
বা ঃ 'শুনৈ বা ভনৈ বা মনত স্মৰৈ'।

ওপৰৰ আলোচনাত শঙ্কৰদেৱৰ সাহিত্যৰ ভাষাৰ ভাষাতত্ত্বৰ এটি চমু আভাস দাঙি ধৰা হ'ল। আমাৰ এই আলোচনত কেৱল ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ কিছুমান দিশ বিচাৰ কৰা হৈছে। আলোচনাৰ স্পষ্টতাৰ কাৰণে শঙ্কৰদেৱৰ সাহিত্যৰ পৰা কিছু তথ্য সংগ্ৰহ কৰি উদ্ধৃতি হিচাপে দাঙি ধৰা হৈছে।❑



অজস্ৰ নাচৰ জন্ম দিছিল। এই নাচসমূহৰ মাজত থকা সৰু সৰু ভাগ, উপবিভাগ আৰু নাচসমূহৰ লগত সংজৰিত হৈ থকা তাল, মান, লয়, হস্তকৰ্ম, পাদকৰ্ম, শিৰকৰ্ম, গ্ৰীৱ, দৃষ্টি, চাৰি আৰু সাজপাৰ, আয়-অলংকাৰ ইত্যাদিৰে পৰিপূৰ্ণ এটা পূৰঠ নৃত্যশৈলাৰ পৰিচয় পোৱা যায়। "শঙ্কৰদেৱৰ অংকীয়া ভাওনাত নৃত্য আৰু গীত ঃ এক বিশ্লেষণাত্মক অধ্যয়ন" শীৰ্ষক গৱেষণা পত্ৰৰ জৰিয়তে অংকীয়া ভাওনাৰ অৰ্ন্তনিহিত গায়ন-বায়নৰ নাচ, সূত্ৰধাৰী নাচ, গোসাঁই প্ৰৱেশৰ নাচ, গোপী প্ৰৱেশৰ নাচ, লবণ চুৰি বা কৃষ্ণৰ আন আন নাচ আৰু অন্যান্য ভাৱৰীয়াৰ প্ৰৱেশ, প্ৰস্থান আৰু চলনৰ নাচ, শ্লোকৰ নাচ, গীত আৰু ভটিমাৰ নাচ। শঙ্কৰদেৱৰ বিৰচিত নাটসমূহত ব্যৱহৃত গী[ত] আৰু গীতসমূহত ব্যৱহৃত বিভিন্ন ৰাগ, তালৰ তালিকা আদি পৰিচয়মূলক আলোচনা আৰু বিশ্লেষণ কৰাৰ যত্ন কৰা হৈছে। অৱশে[ষত] ইয়াকে বিষয়টোৰ পূৰ্ণাঙ্গ ৰূপ বুলি দাবী কৰাৰ অধিকাৰ আমাৰ নাই। তথাপি এই আলোচনা কিছু পৰিমাণে হ'লেও শঙ্কৰদেৱ বিৰচি[ত] ভাওনাৰ মাজত সৃষ্ট নৃত্যসম্ভাৰৰ উক্ত দিশসমূহৰ এক গঠনমূলক ন[তুন] তথ্য পোহৰলৈ আনিব বুলি আৰু ভৱিষ্যতৰ অনুগামীসকল[ক] যৎকিঞ্চিতভাৱে হ'লেও উপকৃত কৰিবলৈ সক্ষম হ'ব বুলি আশা ক[ৰা] হৈছে।❑

**প্ৰসঙ্গ টোকা ঃ**

১। ড° প্ৰদীপজ্যোতি মহন্ত, ঘনকান্ত বৰা ঃ *সত্ৰীয়া নৃত্য ঃ ঐতিহ্যৰ আভাস*, পৃঃ ১০।
২। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ৯৫।
৩। গোবিন্দ শইকীয়া ঃ *সত্ৰীয়া নৃত্যৰ ৰূপৰেখা*, পৃঃ ১১৬।
৪। মহিম বৰা (সম্পা.) ঃ *শঙ্কৰদেৱৰ নাট*, অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী - ১, ২০০৮, (তৃতীয় প্ৰকাশ)।

**গ্ৰন্থপঞ্জী ঃ**

১। গোস্বামী, সুৰেশ চন্দ্ৰ (সম্পা.) ঃ *অসমৰ নাট্য-নৃত্য কলা*, গুৱাহাটী, ১৯৮২।
২। চলিহা, প্ৰদীপ ঃ *'অসমৰ নৃত্য-কলা'*, *অসম গৌৰৱ*, ড° হেমন্ত কুমাৰ শৰ্মা (সম্পা.), গুৱাহাটী, ১৯৭৩।
৩। দেৱ শৰ্মা, ৰজনীকান্ত (সম্পা.) ঃ *শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ নাট*, গুৱাহাটী, ১৯৬৭।
৪। নমঃ শূদ্ৰ, পংকজ ঃ *সত্ৰীয়া নৃত্যৰ হস্তঃ এক অধ্যয়ন*, অপ্ৰকাশিত গ্ৰন্থ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী, ২০১০, নৱেম্বৰ।
৫। নেওগ ড° মহেশ্বৰ, কেশৱ চাংকাকতি ঃ *সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল*।
৬। বৰা, মহিম (সম্পা.) ঃ *শঙ্কৰদেৱৰ নাট*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১, ২০০৮, ডিচেম্বৰ (তৃতীয় প্ৰকাশ)।
৭। বৰুৱা হেমচন্দ্ৰ ঃ *হেমকোষ*, গুৱাহাটী, ১৮১৪ শক (তৃতীয় সংস্কৰণ)।
৮। বৰদলৈ গোপাল চন্দ্ৰ ঃ *সত্ৰীয়া নৃত্যৰ তাত্বিক জ্ঞান*, মাৰ্চ, ২০১২ (পঞ্চম প্ৰকাশ)
৯। বেজবৰুৱা, লক্ষ্মীনাথ ঃ *শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ*, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী - ১, ১৯৭০ ফেব্ৰুৱাৰী, (দ্বিতীয় সংস্কৰণ)।
১০। ভট্টাচাৰ্য্য, ড° হৰিচন্দ্ৰ ঃ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-১, ১৯৭০, ফেব্ৰুৱাৰী (দ্বিতীয় সংস্কৰণ)।
১১। মহন্ত, গোলাপ ঃ *শঙ্কৰী সঙ্গীতৰ আধাৰ গ্ৰন্থ*, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ২০০২ ফেব্ৰুৱাৰী, ৫৫৩ শঙ্কৰাব্দ।
১২। মেধি, কালিৰাম (সম্পা.) ঃ *অঙ্কাৱলী*, গুৱাহাটী, ১৯৫০।
১৩। লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (সম্পা.) ঃ *কথা গুৰুচৰিত*, নলবাৰী, ১৯৫০।
১৪। শৰ্মা, ড° নবীন চন্দ্ৰ ঃ *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা*, চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, গুৱাহাটী।
১৫। শৰ্মা, ড° সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, বিহাবাৰী, গুৱাহাটী-৮, ২০০১ (নৱম সংস্কৰণ)।
১৬। শইকীয়া, গোবিন্দ ঃ *সত্ৰীয়া খোলপ্ৰদীপ*, চান্দমাৰী, গুৱাহাটী, ২০০৭ শক (দ্বিতীয় প্ৰকাশ)।





# শংকৰী সাহিত্যত দৰ্শন ঃ ভাগৱত পুৰাণত অদ্বৈতবাদ

✍ শ্ৰীসবিতা কলিতা
সহঃ অধ্যাপিকা, দৰ্শন বিভাগ

> অদ্বৈত বেদান্তৰ দৃষ্টিত একমাত্ৰ ব্ৰহ্মাই সৎ, বাকী জগত অসৎ। এই ব্ৰহ্মাৰ কোনো সামান্য বা বিশেষ নাই, ই নিৰ্বিশেষ। ব্ৰহ্মা দিক্, দেশ আৰু কালৰ ভেদ ৰহিত। ব্ৰহ্মা নিৰ্গুণ। কিবা বস্তুত গুণ আৰোপ কৰিলে সেই বস্তু সীমিত হয়। ব্ৰহ্মা অসীম কাৰণে এক আৰু অদ্বিতীয়, নিষ্ক্ৰিয় আৰু পৰিৱৰ্তনহীন। ব্ৰহ্মাক সৎ বুলি কোৱা হৈছে, সৎ মানে ব্ৰহ্মা, অসৎ বা মিছা নহয়, তেওঁৰ জন্ম-মৃত্যু নাই। ব্ৰহ্মা চিৎ মানে, ব্ৰহ্মা জড়বস্তু নহয়। ব্ৰহ্মা আনন্দ মানে ব্ৰহ্মা দুখস্বৰূপ নহয়। গতিকে ব্ৰহ্মাক সচ্চিদানন্দ বুলি কোৱা হয়।

অসমীয়া সংস্কৃতিলৈ অৱদান আগবঢ়োৱা মহাপুৰুষ শঙ্কৰদেৱ যদিও এজন ধৰ্ম প্ৰচাৰক আৰু কবিৰূপে পৰিচিত তথাপি তেওঁক এজন দাৰ্শনিক হিচাপেও চিহ্নিত কৰিব পাৰি। শঙ্কৰী কলা-কৃষ্টি, সাহিত্যৰ মূল ভেটিৰ ওপৰতেই অসমীয়া সংস্কৃতিৰ দৌল নিৰ্মিত। শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু শঙ্কৰী কলা-কৃষ্টি বহু শতাব্দীজোৰা পঙ্কিল পুখুৰীত নীলকমল সুশোভন। ধৰ্ম প্ৰচাৰৰ মহান উদ্দেশ্য আগত ৰাখি ৰচনা কৰা তেওঁৰ গ্ৰন্থসমূহে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰাৰ উপৰিও সেই সমূহত উপস্থাপন কৰা বিভিন্ন দাৰ্শনিক তত্ত্বই মানুহৰ আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশত বিশেষভাৱে অৰিহণা আগবঢ়োৱা পৰিলক্ষিত হয়। তেওঁ গীতাৰ পৰা একশৰণ, ভাগৱত পুৰাণৰ সৎসঙ্গ আৰু সহস্ৰনাম খণ্ড, পদ্মপুৰাণৰ পৰা নাম ধৰ্ম লৈ অসম, কামৰূপ, কোচবিহাৰত ভক্তিবাদ প্ৰচাৰ কৰে। সেই ভক্তিবাদৰ দাৰ্শনিক অৱলম্বন 'বেদান্তৰ ধৰ্ম'—ভাগৱত পুৰাণত প্ৰকট হোৱামতে। বেদান্ত বা বেদান্ত দৰ্শন বুলিলে সাধাৰণতে উপনিষদৰ অসংবদ্ধ ব্ৰহ্মাবাদ আৰু দ্বিতীয়তে বাদৰায়ণ ঋষিৰদ্বাৰা সুসংবদ্ধ ব্ৰহ্মাসূত্ৰসমূহক বুজায়।

শঙ্কৰী সাহিত্যত দৰ্শন সম্বন্ধে বিচাৰ কৰিবলৈ হ'লে তেওঁৰ ৰচনাৱলীৰ ওপৰতেই প্ৰধানভাৱে নিৰ্ভৰ কৰিব লাগিব। ৰচনাৱলীৰ ভিতৰত ভাগৱত পুৰাণৰ অসমীয়া পদ ভাঙনিতেই দাৰ্শনিক পক্ষটো বেছি স্পষ্টভাৱে দেখা যায়। কীৰ্তন, বৰগীত আদিত আভাস মাত্ৰহে পোৱা যায়। ভাগৱতৰ পদ ভাঙনিৰ তিনিটা প্ৰসংগত দৰ্শনৰ কথা আছে। প্ৰথম মূল ভাগৱতৰ দ্বিতীয় স্কন্ধৰ নৱম অধ্যায়ৰ পদ ভাঙনি 'চতুঃশ্লোকী ভাগৱত'ৰ প্ৰসংগ। দ্বিতীয় প্ৰসংগ অনাদি পাতন নামে পৰিচিত তৃতীয় স্কন্ধৰ সৃষ্টিতত্ব সম্বন্ধীয় আৰু তৃতীয় প্ৰসংগটো একাদশ স্কন্ধৰ পৰা লোৱা 'নিমি-নৱ-সিদ্ধ-সংবাদ' নামে পৰিচিত। কীৰ্তনৰ 'বেদস্তুতি' আৰু 'ওৰেষা বৰ্ণন'ৰ প্ৰসংগতো কিছু দাৰ্শনিক কথা আছে। গতিকে পৌৰাণিক যুগৰ দৰ্শনৰ ওপৰতেই শঙ্কৰদেৱৰ দৰ্শন নিৰ্ভৰ কৰিছে। ড° মহেশ্বৰ নেওঁগে কোৱাৰ দৰে "শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰিত হৈছিল জনসাধাৰণৰ আধ্যাত্মিক সান্ত্বনা আৰু সামাজিক উন্নতিৰ বাবে। সাধাৰণ লোকে বুজিবৰ বাবে ৰচনা কৰা গ্ৰন্থসমূহত ক'তো গুৰুজনাই একান্তভাৱে দাৰ্শনিক আলোচনাত প্ৰবৃত্ত হোৱা নাই। 'সমস্ত বেদান্ত' বোঁলোতে বাদৰায়ণ সূত্ৰৰ প্ৰতি লক্ষ্য নকৰি মাধৱদেৱেও উপনিষদসমূহৰ প্ৰতিহে ইংগিত কৰিছে আৰু সেই অধ্যায়ে যেন স্বাভাৱিকতে 'সকল-উপনিষদ-গাভী'ৰ দুগ্ধস্বৰূপ গীতাকো সামৰিছে।" বেদান্ত সূত্ৰ ষড়দৰ্শনৰ এখন। তাৰ ওচৰলৈ নগৈ অসমৰ ভক্তি প্ৰৱৰ্তকসকলে ভাগৱতৰ পৰাই উপনিষদৰ ধৰ্ম গ্ৰহণ কৰিছে আৰু সেই মতেই ঈশ্বৰতত্ত্বৰ ব্যাখ্যা আগবঢ়াইছে।

ভাগৱতত সাংখ্য আৰু যোগৰ প্ৰভাৱ আৰু ব্যাখ্যা আছে। ভাগৱতৰ তৃতীয় স্কন্ধত অৱতাৰ স্বৰূপে কপিলৰ সাংখ্যৰ যি ঈশ্বৰবাদী ব্যাখ্যা আগবঢ়োৱা হৈছে, সি পুৰাণখনিৰ দাৰ্শনিক অংশবোৰৰ অন্যতম। পতঞ্জলিৰদ্বাৰা নিৰ্দিষ্ট যোগৰ অৰ্ন্তগত য়ম-নিয়মাদিৰ অৰ্থাৎ যাৰ দ্বাৰা মনৰ মোহ বা চিত্ত মুক্তি আৰু শুদ্ধিৰ অভ্যাস কৰা হয় তাৰ বৰ্ণনা একাদশ স্কন্ধত দিয়া হৈছে। য়ম-নিয়মৰ জ্ঞানক ভক্তিপথৰ সহায়ক হিচাপে ধৰা হৈছে। সাতশ নিযুতৰো অধিক নাড়ী, ষট্‌চক্ৰ আৰু কুণ্ডলিনী শক্তিৰে যোগৰ শৰীৰ তত্ত্বৰ কথা শঙ্কৰী সাহিত্যত স্পষ্টকৈ আছে। শঙ্কৰদেৱে ভক্তি ৰত্নাকৰত একাদশৰ শ্লোক তুলি য়ম-নিয়মৰ কথাৰ এটি অধ্যায় সন্নিবেশ কৰিছে আৰু তাৰ শেষত নিৰ্ণয় কৰিছে

# অসমীয়া সংস্কৃতিত পাশ্চাত্যৰ প্ৰভাৱ

✍ শ্ৰীঅংশুমান তালুক
স্নাতক চতুৰ্থ ষাণ্মাসিক

সংস্কৃতিৰ কথা ক'বলৈ গ'লে পোন প্ৰথমতে সংগীতৰ কথা ক'বই লাগিব। সংগীত জগতখনৰ পৰিসৰ অতি বিশাল। এই বিশাল ক্ষেত্ৰখনত ধাৰাবাহিকভাৱে শ্ৰোতাৰ প্ৰিয়জন হৈ থকাটো অতি কঠিন কাম। বৰ্তমান সংগীতৰ জগতখনত শিল্পীসকলৰ জনপ্ৰিয়তা নিৰ্ণয়কাৰী হ'ল আমাৰ যুৱ প্ৰজন্ম। শেহতীয়াভাৱে অসমৰ সংগীত জগতত নবীন শিল্পীৰ আত্মপ্ৰকাশৰ জোৱাৰ উঠিছে। তাৰ ভিতৰত এগৰাকী অন্যতম শিল্পী হ'ল অসমৰ সু-সন্তান তথা অসম গৌৰৱ জুবিন গাৰ্গ।

শাৰ্ঙ্গদেৱে কৈছে, "গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীতমুচ্যতে"। অৰ্থাৎ, গীত, বাদ্য আৰু নৃত্য এই তিনিওটি কলাৰ সমাবেশেই হৈছে সংগীত।

পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখাণ্ডে মহোদয়ে কৈছে—"ভাৰতবাসীৰ মনত কণ্ঠ-সংগীত, বাদ্য সংগীত আৰু নৃত্য—এই তিনিওটি বিষয় পৰস্পৰ এনে ওতঃপ্ৰোতভাৱে যুক্ত যে প্ৰাচীন গ্ৰন্থাকাৰসকলে এই তিনিওটি বিষয়ক অৱগত কৰিবলৈ কেৱল মাত্ৰ 'সংগীত' শব্দকেই ব্যৱহাৰ কৰিছিল।

অসমীয়া সংস্কৃতি বুলিলে ঠেক অৰ্থত প্ৰকাশ কৰাটো অতিকে কঠিন। অসমখন নানা ধৰণৰ জাতি-জনগোষ্ঠী লগতে বিভিন্ন ধৰণৰ ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ সহবস্থানত পৰিণত হৈছে। লগে লগে এই জাতি-গোষ্ঠীৰ মাজত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে পোহাৰ মেলিছে। তাৰ ভিতৰত অতিকে আপোন, অতিকে মৰমৰ, অতিকে সাদৰৰ অসমীয়াৰ প্ৰিয় উৎসৱ বিহু।

বিহু বুলি ক'লে উজনি অসমৰ কথা ক'বই লাগিব। বিহু উৎসৱ প্ৰধানকৈ নামনি অসমতকৈ উজনি অসমত বেছি প্ৰচলিত বুলি ক'লেও ভুল কোৱা নহয়। বিহু উৎসৱ প্ৰধানকৈ তিনিটা। ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালি বিহু আৰু মাঘ বিহু বা ভোগালী বিহু। এই তিনিওটা বিহুৰে ন ন বৈশিষ্ট্য আছে যেনে—ব'হাগ বিহুত গো-সেৱা, কাতি বিহুত তুলসী সেৱা আৰু মাঘ বিহুত অগ্নি সে... আদি।

এই বিহু উৎসৱবোৰত পাশ্চাত্য বা পশ্চিমীয়া সভ্যতাৰ প্ৰ... বাৰুকৈয়ে পৰিছে। বিহুৰ ভিতৰত ব'হাগ বিহুক আগত ৰাখিব পা... ব'হাগ বিহুক ৰঙালী বিহু আখ্যা দিয়া হৈছে। কাৰণ অইন দুটি বি... লগত ব'হাগ বিহুৰ পালন কৰা কাৰ্যক্ৰমণিকাবোৰ অলপ বেলেগ ... দেখিবলৈ পোৱা যায়।

বিহু উদ্‌যাপনৰ নামত প্ৰতি বছৰে লাখ লাখ টকা ব্যয় ক... দেখা যায়। বিহুৰ সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰি বহুতে ম... কাৰণে আমন্ত্ৰিত শিল্পী বা কলা-কুশলী বাহিৰা ৰাজ্যৰ পৰা অনা ... পোৱা যায়। এই অনুষ্ঠানবোৰ ৰাতি যিমানে দুপৰলৈ হৈ থাকে ই... মাদকতাও সিমানেই বৃদ্ধি হৈ গৈ থাকে।

এই অনুষ্ঠানবোৰত ব্যৱহাৰ হোৱা নানা ধৰণৰ বাদ্যযন্ত্ৰ শিল্পী... দৰ্শকক আমোদ দিয়াৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। ... বাদ্যযন্ত্ৰবোৰৰ ভিতৰত বৈদ্যুতিক গীটাৰ, বৈদ্যুতিক পেড়, কে... বৈদ্যুতিক ড্ৰামছেট আদিৰ কথা ক'ব লাগিব। এইবোৰৰ ... ব্যৱহাৰৰ ফলত দৰ্শকৰ মন ভাৱাক্ৰান্ত হয়।

সাংস্কৃতিক অনুষ্ঠান বুলি ক'লে আজিকালি মাদকদ্ৰব্যৰ ক... ক'বই লাগিব। সৰু বা ডাঙৰ অনুষ্ঠানেই হওঁক মাদকদ্ৰব্যৰ ... সৰ্বজনবিদিত। সাংস্কৃতিক অনুষ্ঠান বুলি ক'লে অনুষ্ঠান পৰিচা... কমিটিবোৰে সামৰিক বাহিনীৰ সহায় ল'বই লাগিব, নহ'লে ন... এই অনুষ্ঠানবোৰৰ কথা ক'বলৈ গ'লে হাই-কাজিয়াবোৰক আগ... দিব লাগিব। যুৱপ্ৰজন্মৰ ক্ষেত্ৰত এইবোৰ সঘনে দেখিবলৈ পো... যায়।

সেয়েহে অসমীয়া জাতিটোৰ প্ৰতিগৰাকী ব্যক্তিয়েই যিমান ... সম্ভৱ পাশ্চাত্য সংস্কৃতিৰ কবলৰ পৰা আঁতৰি থকাটোৱেই শ্ৰেয়...





# পৰম্পৰাগত লোক চিকিৎসা

✍ শ্ৰীঅমূল্য কলিতা
সহঃ অধ্যাপক, বুৰঞ্জী বিভাগ

লোক চিকিৎসা অসমীয়া সমাজৰ সামাজিক লোকাচাৰৰ এটা অন্যতম দিশ। মানৱ সমাজত বেমাৰৰ চিকিৎসা আৰু প্ৰতিৰোধ ব্যৱস্থা প্ৰাক্-ঐতিহাসিক কালৰে পৰা চলি আহিছে। মানৱ সমাজৰ আৰম্ভণিৰে পৰা মানুহে নিজৰ আৰু পোহনীয়া জীৱ-জন্তুৰ ৰোগ নিৰাময় থলুৱাভাৱে উপলব্ধ অথচ ঔষধি গুণসম্পন্ন গছ-গছনিৰে চিকিৎসা কৰিছিল। অৰ্থাৎ আমাৰ সমাজত পৰম্পৰাগত ভাৱে চলি অহা চিকিৎসা পদ্ধতিকে চমুকৈ লোক চিকিৎসা (Folk Medicine) বুলিব পাৰি। লোক চিকিৎসা পুৰুষাণুক্ৰমে চলি অহা অভিজ্ঞতাৰ ফচল আৰু ই সহজলভ্য গছ-লতা, প্ৰাণী আৰু অন্যান্য বস্তুৰ ওপৰত নিৰ্ভৰশীল।

লোক চিকিৎসাৰ ধাৰণাতো পোহৰলৈ আহে বিংশ শতিকাৰ আৰম্ভণিতে। নৃতত্ত্ববিদসকলে পৃথিৱীৰ বিভিন্ন সমাজ আৰু সংস্কৃতি সম্বন্ধে ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ কৰাৰ সময়ত বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত লোক চিকিৎসা প্ৰত্যক্ষ কৰিছিল। আকৌ পৰম্পৰাগত চিকিৎসাৰ বিষয়ে প্ৰথমে চিন্তা-চৰ্চা কৰে W.H.R. Riverse নামৰ এগৰাকী ইংৰাজ চিকিৎসক আৰু নৃতত্ত্ববিদে ১৯২৮ চনত। ৰিভাৰ্চৰ মতে পৰম্পৰাগত চিকিৎসা পদ্ধতি আন আন সামাজিক নিয়মৰ দৰে যুক্তিসংগত আচৰণ। লোক চিকিৎসাৰ লগত সাধাৰণ চিকিৎসা পদ্ধতিৰ লগতে ধৰ্ম আৰু যাদুবিদ্যাও নিবিড়ভাৱে জড়িত হৈ থাকে।

আলোচনাৰ সুবিধাৰ্থে লোক চিকিৎসাক দুটা প্ৰধান ভাগত ভগাব পাৰি—

১। প্ৰাকৃতিক লোক চিকিৎসা আৰু

২। যাদু বিদ্যাগত ধৰ্মীয় লোক চিকিৎসা।

**১। প্ৰাকৃতিক লোক চিকিৎসা ঃ** প্ৰাকৃতিক লোক চিকিৎসা বনৌষধি আশ্ৰিত। গছ-লতা, তৃণ আদিৰ পাত ফুল-মুকুল, ফল-ফুল, ছাল-শিপা, কাঁইট-সাৰ আদিয়েই প্ৰাকৃতিক লোক চিকিৎসাৰ মূল উপাদান। ইয়াক যুক্তিপূৰ্ণ ঔষধ (Rational) অথবা ভেষজ ঔষধ (Herbal Medicine) বুলিবও পাৰি। প্ৰাকৃতিক চিকিৎসা আমাৰ সমাজত অতীত কালৰে পৰা চলি আহিছে। আমি প্ৰায় সকলোৱেই সাধাৰণ ঘৰুৱা বা গাঁৱলীয়া কবিৰাজী ঔষধ হিচাপে নানা বনৌষধ ব্যৱহাৰ কৰো। লোক চিকিৎসাৰ বিষয়ে লোক সাহিত্যতো উল্লেখ পোৱা যায়। বিশেষকৈ 'ডাকৰ বচনত' বিভিন্ন ঔষধি উদ্ভিদৰ গুণাগুণ আৰু নানা ৰোগত তাৰ প্ৰয়োগ বিধি বৰ্ণনা কৰা হৈছে। তুলসী আৰু বেলগছৰ ঔষধি গুণৰ কথা এইদৰে বৰ্ণনা কৰা হৈছে—

"কলীয়া তুলসী বেলৰ পাত।
মুঠাই সহিতে বটি পটাত।।
তপত কৰিয়া জননী খাইবো।
তেবেসে নাড়ীয়ে দৃঢ়ক পাইবো।"

গছ-লতা, জীৱ-জন্তু আদিৰ পৰা প্ৰস্তুত কৰা ঔষধৰ প্ৰয়োগ অনুসৰি প্ৰাকৃতিক লোক চিকিৎসা দুটা ভাগত ভাগ কৰিব পাৰি—খোৱা আৰু নোখোৱা ঔষধ।

খোৱা ঔষধ ৰোগ ভেদে ভিন ভিন আৰু প্ৰধানকৈ গছ-গছনিৰ বিভিন্ন অংশৰ পৰা এককভাৱে বা কেইবাবিধো মিহলি কৰি প্ৰস্তুত কৰা হয়। উদ্ভিদজাত খোৱা ঔষধবোৰ ৰস, ক্বাথ, কহ, ৰবি, চূৰ্ণ আৰু প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰা হয়।

নোখোৱা ঔষধবোৰ শৰীৰত ঘহা, মালিচ কৰা, প্ৰলেপ আৰি লোৱা ধৰণে ব্যৱহাৰ কৰা হয়।

### খোৱা ঔষধ

১। কাথ (সিজাই ৰস লোৱা)—জিভাত ঘা হ'লে ডালিমৰ বাকলিৰ কাথ।
২। কথ ৰস (পানীত তিয়াই থৈ প্ৰস্তুত কৰা ৰস)— তুলসীৰ ৰস আৰু মৌ কাহৰ বাবে।
৩। চূৰ্ণ—ত্ৰিফলা (ভৈৰা, শিলিখা আৰু আমলখি)
৪। শাক-পাচলি—প্ৰত্যক্ষ ভাৱে।

### নোখোৱা ঔষধ

১। প্ৰলেপ—ফোহা হ'লে লাইজাবৰি, মানিমুনি বতি লগাব লাগে; হাড় ভাঙিলে হাড়যোৰা লতাৰ প্ৰলেপ।
২। (ক) মালিচ— বাত বিষত এৰাগুটিৰ তেলৰ মালিচ।
(খ) গৰম সেক— গৰম ভাত, নিমখৰ সেক।
৩। (ক) ভৰণ—কপালত ছালকুৰৰী, টোপ মাহৰ ভৰণ—জ্বৰৰ বাবে।
(খ) তাবিচ—জন্দিজ, পানী লেঙ
৪। চূৰ্ণ-ছাই— পুনি+কেহৰাজ পুৰি ছাই লগালে চিফিলিচ ৰোগ ভাল হয়।

আধুনিক চিকিৎসা বিজ্ঞানেও নিশ্চিত কৰিছে যে তুলসী গছৰ গুটি আৰু পাত, বেলপাত, ভেদাইলতা প্ৰভৃতি উদ্ভিদ ঔষধি গুণযুক্ত। একেদৰে আদা, হালধি, নিম, বেল, আমলখি, শিলিখা, ভৈৰা, অশোক, অপৰাজিতা, আম, অশ্বগন্ধা, অমৃতা, কল, মুধৰীআম, বাহকা অ[illegible] বিভিন্ন গছ-গছনিৰ পৰা বিজ্ঞানসন্মত ঔষধ প্ৰস্তুত ক[illegible] হৈছে।

নিম্নলিখিত গছ-গছনি, ফল-ফুলে বিভিন্ন ৰোগ নিৰাময়ত সহায়ক হয়।

| গছ-গছনি/ফুল-ফল/জীৱ-জন্তু | ৰোগ |
|---|---|
| ১। কেচা হালধি | বদহজম, পিত্ত, ফিকা, ফুলা, উখহা, ঘাঁ, কটা, ছিঙা-ভঙা, অৰ্শ, প্ৰসূতিৰ ঘাঁ |
| ২। শিলিখা, আমলখি, অমিতা | বদহজম, কোষ্ঠকাঠিন্য |
| ৩। ডাকৰ বচনত উল্লেখ আছে—<br>"আদাৰে ভোজন শিলিখাৰে শুদ্ধি<br>"তেখেতে লভিবা আয়ুস বৃদ্ধি।।" | |
| ৪। ধনীয়া, পুৰণলতি, তেজপাত | —জ্বৰ |
| ৫। নহৰু | —কাঁহ-কফ, বাতবিষ, বদহজম, উচ্চ ৰক্তচাপ, ঘাঁ শুকোৱা। |
| ৬। গাজৰ | —স্মৃতিশক্তি আৰু দৃষ্টিশক্তি বৃদ্ধিৰ কাৰক। |
| ৭। ব্ৰাহ্মী, মানিমুনি | —দুয়োবিধ ঘিউত ভাজি খালে স্মৃতিশক্তি বৃদ্ধি পায়। |
| ৮। গো-মূত্ৰ/গোবৰ | — ভূত-পিশাচ দূৰ হয়। |
| ৯। ফেঁচাৰ মঙহ আৰু পাখি/<br>ঘন-চিৰিকাৰ মঙহ | —কামশক্তি বৃদ্ধিৰ কাৰক। |
| ১০। সাপৰ বিষ | —বিভিন্ন ৰোগ নিৰাময়। |
| ১১। শিঙি মাছৰ জোল | —ৰক্তহীনতা আৰু শাৰীৰিক দুৰ্বলতা দূৰ কৰে। |
| ১২। বহাগ বিহুত খোৱা সাতসেকী শাক—<br>(আমৰ আগ, কচু, খুতুৰা, নৰসিংহ, কলা কচুৰ পাত, চমহা পাত) | —বছৰটোত বিভিন্ন ৰোগৰ উপশম হয়। |
| ১৩। জেতুকা পাত | |
| ১৪। নুনি পাত, ঔ টেঙাৰ বীজ | —চৰ্মৰোগ নাশকাৰক। |
| ১৫। নাৰিকলৰ তেল, নেমুটেঙা, কেঁচা পিয়াঁজৰ ৰস | —চুলিৰ সৌন্দৰ্য বৃদ্ধি কৰে।<br>—উফি নাশক। |

লোক সাহিত্যত সুস্থ শৰীৰ লাভ কৰিবৰ বাবে বছৰটোৰ বিভিন্ন ঋতু-মাহত কেনেদৰে খাদ্য গ্ৰহণ কৰা উচিত সেইটো ডাকৰ বচনত উল্লেখ আছে—

"জেঠত দৈ আহাৰত থৈ।
শাওণে মৰাপাট খাবা গৈ।
ভাদত ওল আহিনত কল।
কাতিত কচু বঢ়াই বল।।
আঘোণত খাবা চিৰা।
পুহত পিঠা মাঘত কড়াই।।"

**২। যাদু বিদ্যাত ধৰ্মীয় লোক চিকিৎসা ঃ**

প্ৰাচীন কালৰে পৰা অসম যাদু বা মন্ত্ৰৰ বাবে বিখ্যাত। ইয়াৰ বাবে বাহিৰৰ লোক অসমলৈ আহিবলৈ ভয় কৰিছিল। খ্ৰীষ্টিয় নৱম শতিকাত অদ্বৈতবাদী দৰ্শনৰ প্ৰৱক্তা শংকৰাচাৰ্য কামৰূপলৈ আহোঁ[illegible] অভিনৱ গুপ্ত নামৰ শাক্ত ধৰ্মৰ লোক এজনে তেওঁক অভিসাৰ মন্ত্ৰ[illegible] ৰোগ জাপি দি মাৰি পেলোৱাৰ কথা জনা যায় (বিৰিঞ্চি কুমাৰ ব[illegible] ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃঃ ১৪৯)। একেদৰে গুৰু নান[illegible] মদন নামৰ শিষ্য এজনক কামৰূপৰ তান্ত্ৰিক মায়াবিনী এজনীয়ে [illegible] মন্ত্ৰৰ দ্বাৰা ভেড়া কৰি ৰাখিছিল (লীলা গগৈঃ অসমীয়া সাহি[illegible] ৰূপৰেখা, পৃ. ৬)। পুৰণি কামৰূপৰ অন্তৰ্গত দৰং আৰু মায়ং আ[illegible] যাদু-মন্ত্ৰৰ বাবে প্ৰখ্যাত হৈ আছে। প্ৰাকৃতিক লোক চিকিৎসা [illegible] যুক্তিনিষ্ঠ তেন্তে যাদু বিদ্যাগত ধৰ্মীয় লোক চিকিৎসা বিশ্বাসনিৰ্ভ[illegible]

যাদু বিদ্যাত লোক চিকিৎসাৰ দ্বাৰা ১। সাধাৰণভাৱে [illegible] ৰোগ, ২। কু-মন্ত্ৰ বা অভিচাৰ মন্ত্ৰজনিত ৰোগ, ৩। অপশক্তিজা[illegible] ৰোগ আৰু ৪। লেধা ছিদ্ৰত পৰি হোৱা ৰোগৰ চিকিৎসা কৰা [illegible]





মণ্ডল বা ঠিকনা চোৱাৰ জৰিয়তে ৰোগ চিনাক্ত হোৱাৰ পিছত জৰা-ফুকাৰ জৰিয়তে চিকিৎসা আৰম্ভ কৰা হয়। জৰা-ফুকাৰ বাবে মন্ত্ৰৰ পৰিসৰ অতি ব্যাপক।

মন্ত্ৰ দুবিধ— পূজা উপাসনাত প্ৰয়োগ কৰা মন্ত্ৰ প্ৰাৰ্থনাসূচক আৰু ৰোগ-ব্যাধি নিৰাময়ৰ বাবে প্ৰয়োগ কৰা স্তুতিমূলক আৰু ধমকিসূচক। আলোচনাৰ সুবিধাৰ্থে মন্ত্ৰসমূহক দুটা ভাগত ভগাব পাৰি—

১। অব্যভিচাৰ মন্ত্ৰ আৰু ২। অভিচাৰ মন্ত্ৰ। ইয়াক আকৌ কিছুমান উপ বিভাগত ভগাব পাৰি; যেনে— ১। কাহিনী প্ৰধান মন্ত্ৰ, (খ) কাহিনী বিহীন বা আঢ়ৈ আখৰীয়া মন্ত্ৰ, (গ) তুতি মন্ত্ৰ, (ঘ) দোহাই মন্ত্ৰ, (ঙ) গুপ্ত মন্ত্ৰ, (চ) দৰব যুক্ত বা দৰবৰ মন্ত্ৰ, (ছ) দৰবহীন মন্ত্ৰ, (জ) ভেলকী বা সন্মোহিনী মন্ত্ৰ, (ঝ) বীজ মন্ত্ৰ, (ঞ) জীৱ-জন্তুৰ ৰোগ নিৰাময়ক মন্ত্ৰ। তলত দৰঙৰ কিছুমান মন্ত্ৰ আৰু ইয়াৰ উপকাৰিতা উল্লেখ কৰা হ'ল।

| মন্ত্ৰ | ৰোগ/ব্যাধি |
|---|---|
| ১। পদ্মা বেজালি, কালি বেজালি | সৰ্প দংশন। |
| ২। সাগৰ মন্থন, বিষালী মন্ত্ৰ, ন-ভনী, বাৰ ভনী, ওঠৰ ভনী। | বাত বিষ। |
| ৩। সগুনি সৰ্বধাক | বিষ। |
| ৪। কৰতি মন্ত্ৰ | মুখলগা ভঙা। |
| ৫। অভিচাৰ মন্ত্ৰ | আনৰ অন্যায় কৰিবলৈ ব্যৱহাৰ কৰা হয়। |
| ৬। নেউল মূল কৰতি, ৰুদ্ৰ কৰতি, ব্ৰহ্মা কৰতি, ৰুদ্ৰ কৰতি, ব্ৰহ্মা কৰতি, জল কৰতি, শিৱ কৰতি, গৰ্ভ কৰতি, জন্ম সৰ্বধাক, পৰশু কুটীৰ, শক্তি শেল, সু-দৰ্শন আদি। | বিভিন্ন ৰোগ ব্যাধি দূৰ কাৰক। |
| ৭। ঘেনা জৰাৰ মন্ত্ৰ | গৰু-মহ শুকাই খীনাই গ'লে জাৰা-ফুকা কৰা হয়। |
| ৮। বিলাহী বেজালি মন্ত্ৰ | ঔষধ প্ৰস্তুত কৰা। |

দৰঙৰ উপৰিও অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোকসকলৰ মাজতো বিভিন্ন মন্ত্ৰৰ ব্যৱহাৰ দেখা যায়। বড়ো, ৰাভা, ডিমাছা, কাৰ্বি, মিচিং, তিৱা, দেউৰী প্ৰভৃতি জনগোষ্ঠীৰ মন্ত্ৰসমূহ তেওঁলোকৰ নিজা ভাষাত ৰচিত।

তলত দৰঙৰ বিশেষকৈ মঙ্গলদৈ মহকুমাৰ কেইগৰাকীমান বৈদ (বেজ)ৰ নাম আৰু তেওঁলোকৰ যাদু-মন্ত্ৰৰ দ্বাৰা কৰা চিকিৎসাৰ বিষয়ে উল্লেখ কৰা হ'ল—

| ক্ৰমিক নং | বেজৰ নাম | গাঁও | ক্ষেত্ৰ | ঔষধ/অনুপান |
|---|---|---|---|---|
| ১ | প্ৰয়াত জনাৰাম কলিতা | পানাৰা | জন্দিজ | শগুনি লতাৰ বন, কাতুৰিৰ ৰস, হালধিৰ ৰস, কদমৰ পাতৰ সিৰ |
| ২ | ছায়াৰাম হাজৰিকা | কালজুৰি | কাহ | বাহকাৰ পাত ৭ তাৰ ৰস আৰু মৌ। |
| ৩ | ৰবি ৰাম বৰুৱা | কালজুৰি | জিভাৰ জাৰি<br>কুকুৰে কামোৰা | ফুটকী গছৰ পাত<br>কপাহৰ গুটি, মকৰাৰ খোলা আৰু পাহৰুৱা আহুৰা পোক বটি মালভোগ কলত ভৰাই খাব লাগে। |
| ৪ | যদুৰাম কলিতা | কালজুৰি | হাড়ভঙা | মালভোগ কলৰ পচলাত মহাকিল তেলৰে জাৰা। |
| ৫ | যদু সুত্ৰধাৰ | বৰলাখাট | সাপে কামোৰা | চালনীৰে পানী তুলি চায়। |
| ৬ | গিৰিধৰ শৰ্ম্মা | টেঙেৰা | বসন্ত | তুতিমন্ত্ৰ |
| ৭ | প্ৰয়াত হৰেশ্বৰ কাকতি (ফকৈ) | কমাৰ গাঁও | | ঔষধ কৰাৰ লগতে ঔষধ উঠোৱা |
| ৮ | বেণু বৰুৱা | নাপ্তাপাৰা | ঠিকনা চোৱা | আহত গছৰ পাত জাৰে। |

মুঠতে লোক চিকিৎসাত মানুহ আৰু সমাজ জীৱনৰ ভালেমান মূল্যবান সমল সোমায় আছে। লোক ঔষধ, মন্ত্ৰ, জাৰণ-মাৰণ ক্ৰিয়া, কু-মন্ত্ৰ, যাদু, ভেলকি আদিয়ে যুগ যুগ ধৰি জনসাধাৰণৰ মাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰাকৃতিক লোক চিকিৎসাত বহুলভাৱে গছ-লতিকা ব্যৱহাৰ হ'বলৈ ধৰাত ইয়াৰ সংৰক্ষণো বৃদ্ধি পাইছে। ইয়ে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰিছে। একেদৰে মন্ত্ৰসমূহতো এফালে যেনেদৰে যাদুমূলক ঔষধি গুণ সোমাই আছে আনফালে ইয়াৰ মাজত সমাজ জীৱনৰ ছবিও প্ৰতিফলিত হৈছে। সগুণি সৰ্বধাক মন্ত্ৰত কাপোৰ ধোৱা, তেলপেৰা আদি কৰ্মৰ লগতে ঢোলবাদ্য আৰু অলংকাৰৰ উল্লেখ পোৱা গৈছে।

তদুপৰি বৈদিক যুগৰে পৰা আৰম্ভ কৰি বিভিন্ন মন্ত্ৰ আয়ুৰ্বেদ আদিৰ যোগেদি মন্ত্ৰজ আৰু ভেষজ প্ৰভৃতি বিবিধ চিকিৎসা পদ্ধতিয়ে ভাৰতীয় জনগণত চিকিৎসা সম্পৰ্কীয় লোক বিশ্বাসৰ ভেটি টনকিয়াল কৰিলে। চড়ক, সুশ্ৰুত প্ৰভৃতিৰ লগে লগে বৈদ্যনাথ আদিৰ দ্বাৰা প্ৰদৰ্শিত চিকিৎসা বিদ্যাৰ দৰেই ডাকৰ বচন আৰু লোক সাহিত্য বুকুত সঞ্জীৱিত হৈ থকা বিভিন্ন চিকিৎসা সম্পৰ্কীয় জ্ঞানৰ সম্ভে লোক জ্ঞান আৰু লোক প্ৰজ্ঞাৰ মাজেদি গঢ় লৈ উঠা সাংস্কৃতি উত্তৰাধিকাৰৰ বিষয়ে আমাৰ জ্ঞানৰ ধাৰণা বিকশাই তোলে।

ডাকৰ বচনত উল্লিখিত বিভিন্ন বনৌষধিৰ চিকিৎসাৰ বিষয়ে উল্লেখিত তথ্যসমূহ আধুনিক গৱেষণাতো সত্য প্ৰমাণিত হৈছে। মন্ত্ৰ যোগেদি আগবঢ়াই অহা চিকিৎসা পদ্ধতিৰ যোগেদি spirit o vibration-ৰ মাধ্যমত মনস্তাত্ত্বিক চিকিৎসা কৰা হৈছিল। ৰোগী ওপৰত তাৰ প্ৰভাৱ কেনেদৰে পৰিছিল সেয়া চিন্তাশীল বিষয় হ'লে ই আছিল পৰম্পৰাগত বিশ্বাস আধাৰিত। মন্ত্ৰৰ বশীকৰণ, সম্মোহ জাৰণ, মাৰণ প্ৰভৃতি ক্ৰিয়া আধুনিক দৃষ্টিৰ পৰা আশ্বৰ্য যেন লাগিলে লোক সংস্কৃতিৰ দিশৰ পৰা সেইবোৰৰ গুৰুত্ব অস্বীকাৰ কৰি নোৱাৰি। আকৌ আজিকালি বিভিন্ন ৰোগ চিকিৎসাৰ সময়ত আধুনি চিকিৎসকৰ একাংশই বনৌষধ ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। ই লোক চিকিৎসাৰ সবল ভিত্তি দাঙি ধৰে। ❑







# সংগীতৰ দ্বাৰা ৰোগ নিৰাময়

✍ ইমৰাণ হুছেইন
স্নাতক ৪ৰ্থ যাণ্মাসিক

মানুহৰ অন্তৰত গভীৰ প্ৰভাৱ পেলাব পৰা একমাত্ৰ মাধ্যমটো হ'ল সংগীত। সংগীতে মানুহক আনন্দ দিয়াৰ উপৰিও বহু দিনলৈ সুস্বাস্থ্য আৰু শান্তিৰে জীয়াই থকাৰ প্ৰেৰণা দিয়ে। বৰ্তমান সময়ত সংগীত কেৱল সংগীত কলা-কুশলী বা সাধাৰণ মানুহৰ মাজতেই আৱদ্ধ হৈ থকা নাই। অতি আনন্দৰ বিষয় যে চিকিৎসকলে সংগীতৰ দ্বাৰা ৰোগ উপশম কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। এই প্ৰচেষ্টাকেই সংগীত চিকিৎসা বা মিউজিক থেৰাপি বুলি কোৱা হয়। এই চিকিৎসা পদ্ধতিৰ মূল উদ্দেশ্য হৈছে সংগীতক চিকিৎসাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি ৰোগীৰ মানসিক তথা শাৰীৰিক ৰোগ উপশম কৰা। প্ৰাচ্য আৰু পাশ্চাত্য উভয় সমাজতে সংগীত চিকিৎসাৰ গৱেষণা বৰ্তমান দ্ৰুতগতিত চলি আছে।

প্ৰাচীন কালৰেপৰা সংগীতৰ দ্বাৰা মানুহৰ ৰোগ নিৰাময়ৰ বিষয়ে বিভিন্ন গ্ৰন্থৰপৰা জনা হৈছে। গ্ৰীক দাৰ্শনিক এৰিষ্টট'ল আৰু প্লেটোৰ ৰচনাসমূহত এই বিষয়ে বৰ্ণনা পোৱা যায়। ১৮০০ শতিকাৰ ফালে একাংশ বিজ্ঞানীয়ে মানৱ শৰীৰত সংগীতৰ প্ৰভাৱ সম্পৰ্কে গৱেষণা কৰিছিল। সেই সময়ছোৱাত মানুহৰ হৃদযন্ত্ৰৰ কৰ্মশক্তি, পালছৰেট, শ্বাস-প্ৰশ্বাসৰ হাৰ, ৰক্ত সঞ্চালন, ৰক্তচাপ, দেহৰ কলাসমূহত বৈদ্যুতিন প্ৰবাহ, অবশ ভাৱ আদি বিভিন্ন প্ৰক্ৰিয়াত সংগীতে কেনেধৰণৰ প্ৰভাৱ পেলায় তাৰ এক বিজ্ঞানসন্মত তথ্য আৱিস্কাৰ হয়। প্ৰথম বিশ্বযুদ্ধত আহত সৈনিকসকলৰ ওপৰতো মিউজিক থেৰাপি বা সংগীত চিকিৎসা প্ৰয়োগ কৰা হৈছিল। বিশেষকৈ মানসিকভাৱে ভাৰাক্ৰান্ত হোৱা সৈনিকসকলৰ ক্ষেত্ৰত এই চিকিৎসা প্ৰয়োগ কৰা হৈছিল। উল্লেখ্য যে বেদসমূহতো সংগীত চিকিৎসাৰ বিষয়ে বৰ্ণনা পোৱা যায়। সুখী আৰু স্বাস্থ্যবান জীৱন-যাপনৰ উপাদান হিচাপে আয়ুৰ্বেদত সংগীত চিকিৎসাৰ বিধান সন্নিবিষ্ট হৈছে। প্ৰাচীন ভাৰতীয় বৈদিক চিকিৎসা পদ্ধতি মতে বাত, পিত আৰু কফ এই ৰোগসমূহ সংগীত চিকিৎসাৰে নিৰাময় কৰা সম্ভৱ। সাংগীতিক চিকিৎসা বিষয়ক গৱেষণাত ইতিমধ্যে এই কথা প্ৰমাণিত হৈছে যে ৰোগীয়ে উপযুক্ত সংগীত শুনিলে উচ্চ ৰক্তচাপ, হতাশা, উদ্বিগ্নতা, পেটৰ অসুখ, মূৰৰ বিষ, শ্বাস-প্ৰশ্বাসৰ ৰোগ আদি নিৰাময় হয়। সংগীত চিকিৎসা প্ৰয়োগ কৰা ৰোগীক কমকৈ বিষনাশক ঔষধ দিলেও হয়।

জীৱ বিজ্ঞানীসকলে মন্তব্য কৰিছে যে প্ৰকৃতিৰ সকলো কথাই এটা সাংগীতিক ৰীতিৰে চলে। সাংগীতিক শব্দ বা ধ্বনিয়ে জীৱকোষক সতেজতা প্ৰদান কৰে। সেইবাবে জীৱৰ সুস্থ বিকাশত সাংগীতিক শব্দই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানুহৰ শৰীৰৰ পৰা নিঃসৰিত এম ডৰফিন আৰু নিউৰোপেপটাইডছ্ নামৰ জৈৱ ৰসায়নসমূহৰ মাজত এক সম্পৰ্ক আছে। এই জৈৱ ৰসায়নে মানুহৰে আৱেগ-অনুভূতিৰ ওপৰত প্ৰভাৱ পেলায়। সংগীতে ছেৰটিনন আৰু হৰ্‌ম'ন্‌ৰ মাত্ৰা বৃদ্ধি কৰে, ষ্ট্ৰেছ হৰ্‌ম'ন্‌সমূহৰ মাত্ৰা কমোৱাত সহায় কৰে। সংগীতে মানুহৰ মগজুৰ বিভিন্ন প্ৰক্ৰিয়াত প্ৰভাৱ পেলায়। সংগীতে এড্ৰিনেলিন নামৰ জৈৱ ৰসায়নবিধ নিঃসৰণত সহায় কৰে। এই জৈৱ ৰসায়নবিধ মগজুত থকা এমিগডালা নামৰ কোষৰ নিয়ন্ত্ৰণ কৰে। এই কোষসমূহ সক্ৰিয় হ'লেহে আমাৰ আবেগ-অনুভূতি সক্ৰিয় হয়। আনকি প্ৰসৱৰ সময়ত হোৱা বিষ-যন্ত্ৰণা মিউজিক থেৰাপিৰ দ্বাৰা লাঘৱ কৰিব পৰা যায় বুলি বিজ্ঞানীসকলে মন্তব্য কৰিছে। জন্মৰ আগলৈকে শিশুৱে মাতৃৰ হৃৎপিণ্ডৰ সাংগীতিক ছন্দ শুনি বিভোৰ হৈ থাকে।

চেন্নাইৰ এপ'ল হাস্পতাল কৰ্তৃপক্ষই জানিব দিয়া মতে নিম্ন উল্লেখিত ৰোগীৰ ক্ষেত্ৰত সংগীত চিকিৎসাৰ সুফল পোৱা যায়। যিকোনো প্ৰকাৰৰ বিষ, উদ্বিগ্নতা আৰু হতাশাগ্ৰস্ত মানসিক ৰোগ, উচ্চ ৰক্তচাপ, স্নায়ৱিক ৰোগ আৰু বহুতো।

সংগীতৰ শক্তি অপৰিসীম। ভাৰতীয় ৰাগ সংগীতৰ অন্যতম ৰাগৰ শক্তিয়ে বৃষ্টি আনিব পাৰে।

গতিকে দেখা যায় মানৱ জীৱনত সংগীত সৰোবৰ স্বৰূপ। এই সৰোবৰত অৱগাহন কৰি শাৰীৰিক, মানসিক দুয়ো দিশকে পৰম ঐশ্বৰ্য্যশালী কৰি তুলিব পাৰি।

সকলো দেশৰে লোক সাহিত্যৰ অন্যতম সাহিত্য সম্পদ নিচুকনী গীতৰ কথাও প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি। কেঁচুৱাক নিচুকাবলৈ মাতৃসকলে সুৰীয়া কণ্ঠেৰে পৰিৱেশন কৰা এই গীতসমূহো একো একোটা মিউজিক থেৰাপি বুলি একে আখৰতে ক'ব পাৰি।

বৈজ্ঞানিক চিকিৎসাই ৰোগ নিৰাময় কৰিব পাৰে, কিন্তু ইয়াৰ লগে লগে আমাৰ পৰম্পৰাগত গীত-মাতৰ শক্তিও কম নহয়। বসন্ত ৰোগ হ'লে ইয়াৰ প্ৰতিষেধক হিচাপে চিকিৎসকে চিটা দিয়াৰ ব্যৱস্থা কৰে। ই একান্তভাৱে বিজ্ঞানসন্মত।


যোড়শ শতিকাত ইউৰোপীয় গীৰ্জাত এক বিশেষ ধৰণৰ সংগীত সৃষ্টি কৰা হৈছিল। মৃত্যুশয্যাত শায়িত ৰোগীয়ে যাতে শান্তিৰে মৃত্যুক সাৱটি ল'ব পাৰে সেই উদ্দেশ্যে এই বিশেষ সংগীতৰ আয়োজন কৰা হৈছিল। এইখিনিতে স্বীকাৰ কৰিবই লাগিব যে অসমত সংগীত চিকিৎসাৰ ধাৰণাটো এতিয়াও জনপ্ৰিয় হোৱা নাই। আনহাতে আমাৰ দেশত অন্ধ অনুকৰণৰ ফলত সংগীত অশান্তিৰ কাৰণ হৈ পৰিছে। ❑

আদিকেই জীৱনৰ সৰ্বস্ব হিচাপে গ্ৰহণ কৰি অমূল্য সময়ৰ অপচয় কৰাৰ উপৰিও অন্ধকাৰ ভৱিষ্যতৰ পিনে আগবাঢ়িছে। আন এচামে উচ্চাকাঙ্ক্ষা পূৰণৰ পথত সামান্য উজুটি খায়েই হতাশগ্ৰস্ত হৈ পৰিছে আৰু তেওঁলোকৰ মাজৰে কিছুমানে আত্মহননৰ দৰে চৰম সিদ্ধান্তও গ্ৰহণ কৰিছে। সেইবাবে এই সময়ছোৱাত নেতিবাচক চিন্তাধাৰাৰ বশৱৰ্তী নহৈ জীৱনৰ প্ৰতিটো পদক্ষেপ অতি সাৱধানে আগবঢ়োৱা প্ৰয়োজন।

এটা সফল আৰু সাৰ্থক জীৱন গঢ়াত ইতিবাচক মনোভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংস্কৃতত এষাৰ কথা আছে 'য়দ্ ভাৱম্ তদ্ ভৱতি' অৰ্থাৎ যিদৰে চিন্তা কৰা যায় সেয়াই সংঘটিত হয়। স্বামী বিবেকানন্দয়ো কৈছিল, "Whatever you think, that you will be. If you think yourselves weak, weak you will be; if you think yourselves strong, strong you will be." সেইবাবে যুৱ প্ৰজন্মই ইতিবাচক চিন্তাধাৰা গঢ়ি তোলা অতি প্ৰয়োজন আৰু এনে মানসিকতাৰে আগবাঢ়িলে লক্ষ্যত উপনীত হোৱাত স্বাভাৱিকতে সহজ হ'ব।

জীৱনৰ পৰিক্ৰমাত পথভ্ৰষ্ট নহৈ শুদ্ধ পথেৰে আগবাঢ়ি যাবলৈ প্ৰত্যেকৰে এটা সপোন বা সুন্দৰ লক্ষ্য থকা উচিত আৰু এই সপোন দিঠকত পৰিণত কৰিবলৈ উপযুক্ত পদক্ষেপ বা কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। বিশিষ্ট বিজ্ঞানী আৰু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে.আব্দুল কালামে তেওঁৰ Ignited Mind নামৰ গ্ৰন্থত যুৱ প্ৰজন্মক উচ্চাকাঙ্ক্ষী হ'বলৈ আহ্বান জনাই লিখিছিল—"Ou youth must dream, dream, dream! Convert thes dreams into thoughts; and then transform thes thoughts into actions. We must think big, having lo aim is a sin." গতিকে কাৰ্যৰ প্ৰথম পৰ্যায়টোৱেই হৈছে এটা সু সপোন। এনে সপোন প্ৰথমে চিন্তা আৰু তাৰ পিছত কাৰ্য ৰূপান্তৰিত হয়। সেইবাবে জীৱন সুন্দৰ কৰিব পৰা এটা সুন্দৰ সপো সকলোৰে সঙ্গী হোৱা উচিত।

যুৱ প্ৰজন্ম হৈছে ৰাষ্ট্ৰ এখনৰ সৰ্বোৎকৃষ্ট শক্তি আৰু অমূ সম্পদ। তেওঁলোকৰ চৰিত্ৰ, মানসিকতা আৰু কাৰ্যই ৰাষ্ট্ৰ এখ ৰূপেই সলনি কৰি দিব পাৰে। সেইবাবে যুৱ প্ৰজন্মই নি অন্তৰ্নিহিত শক্তি উপলব্ধি কৰি সেইবোৰৰ উপযুক্ত ব্যৱহাৰ কৰা অ প্ৰয়োজন। তেওঁলোকে নিজৰ সামৰ্থৰ বিষয়ে সচেতন আৰু অৱগ হৈ ইয়াৰ সম্পূৰ্ণ সৎ ব্যৱহাৰৰ জৰিয়তে নিজৰ লগতে আন উপকৃত কৰিবলৈ প্ৰচেষ্টা চলোৱা উচিত। An idle brain devil's workshop বুলি কোৱা হয়। এই কথা মনত ৰাখি মূল্য সময়ৰ অপচয় নকৰি প্ৰতিটো মুহূৰ্তৰ সৎ ব্যৱহাৰ কৰা উচি জীৱনৰ এই মূল্যৱান আৰু প্ৰচুৰ সম্ভাৱনাপূৰ্ণ সময়ছোৱা এবাৰ প হৈ গ'লে দুনাই ঘূৰাই পোৱা নাযায়। 'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য ব নিবোধত'—কঠোপনিষদৰ এই উদ্‌গণি বাক্যশাৰী সাৰোগত কৰি প্ৰজন্মই নিশ্চিতভাৱে শুদ্ধ পথেৰে আগবাঢ়ি যাব পাৰিব।□








# শিশুৰ চিন্তা আৰু বুদ্ধিৰ সৈতে ভাষাৰ সম্পৰ্ক

✍ ড° পাৰুল দাস
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

চিন্তাৰ লগত ভাষাৰ ওতঃপ্ৰোত সম্বন্ধ আছে। ভাষা অবিহনে মানুহে চিন্তা কৰিব নোৱাৰে। ভাষা আৰু চিন্তা দুয়োটা এটা আনটোৰ পৰিপূৰক। ভাষা ব্যক্তিৰ মনৰ ভাৱ-চিন্তাৰ প্ৰকাশক। ব্যক্তি মনৰ ভাব-চিন্তাৰ প্ৰকাশক হিচাবে ভাষা দুই প্ৰকাৰৰ হ'ব পাৰে, যেনে— মৌখিক ভাষা আৰু আকাৰ-ইংগিতত প্ৰদৰ্শন কৰা ভাষা। এই দুই প্ৰকাৰৰ ভিতৰত আকাৰ-ইংগিতৰ দ্বাৰা মনৰ ভাৱ-চিন্তা দৈহিকভাৱে প্ৰকাশ কৰা ভাষাৰ পদ্ধতিটো অধিক পুৰণি। ভাষা আৱিষ্কাৰ হোৱাৰ পূৰ্বেই মানুহে দেহৰ আকাৰ-ইংগিতৰ যোগে মনৰ চিন্তা-ভাৱনা আনৰ আগত ব্যক্ত কৰিছিল। বৰ্ত্তমানেও এনেকুৱা আকাৰ-ইংগিতৰ ভাষা চালুকীয়া শিশু, মূক-বধিৰ শিশু আৰু পৃথিৱীৰ কোনো কোনো অঞ্চলত বাস কৰা মানৱ সভ্যতাৰ পৰা আঁতৰত থকা ব্যক্তিসকলে ব্যৱহাৰ কৰে।

ভাষাৰ যোগেদি নিজৰ চিন্তা আনৰ আগত ব্যক্ত কৰিব পাৰি আৰু আনৰ চিন্তা নিজেও গ্ৰহণ কৰিব পাৰি। ভাষা আৰু চিন্তাৰ এই পাৰস্পৰিক যোগাযোগৰ ফলতহে সামাজিক আদান-প্ৰদান আৰু সমাজ গঠন সম্ভৱ হৈ উঠিছে। অতীত কালত মানুহৰ চিন্তা-ভাৱনা আদি তেওঁলোকৰ লিখিত আৰু কথিত ভাষাৰ যোগেদি বৰ্তমানৰ মানুহে জানিব পাৰিছে। ফলস্বৰূপে অতীতৰ কৃষ্টি, সভ্যতা, সংস্কৃতি, বিজ্ঞান আদিৰ গভীৰ চিন্তাসমূহ মানৱ সমাজত সংৰক্ষণ আৰু বিকাশ সাধন কৰাটো সম্ভৱ হৈ উঠিছে। গতিকে ভাষাৰ দ্বাৰাহে চিন্তাৰ সৰ্বাত্মক বিকাশ সম্ভৱ হৈ উঠিব পাৰে।

ভাষাৰ যোগেদি নিজৰ চিন্তা আনৰ আগত ব্যক্ত কৰিব পাৰি আৰু আনৰ চিন্তা নিজেও গ্ৰহণ কৰিব পাৰি। ভাষা আৰু চিন্তাৰ এই পাৰস্পৰিক যোগাযোগৰ ফলতহে সামাজিক আদান-প্ৰদান আৰু সমাজ গঠন সম্ভৱ হৈ উঠিছে। অতীত কালত মানুহৰ চিন্তা-ভাৱনা আদি তেওঁলোকৰ লিখিত আৰু কথিত ভাষাৰ যোগেদি বৰ্তমানৰ মানুহে জানিব পাৰিছে। ফলস্বৰূপে অতীতৰ কৃষ্টি, সভ্যতা, সংস্কৃতি, বিজ্ঞান আদিৰ গভীৰ চিন্তাসমূহ মানৱ সমাজত সংৰক্ষণ আৰু বিকাশ সাধন কৰাটো সম্ভৱ হৈ উঠিছে।

শিশুৰ চিন্তা ভাষাৰ বিকাশৰ লগে লগেহে গঢ় লৈ উঠিব ধৰে। শিশুৱে কথা কোৱাৰ সময়ৰে পৰা চিন্তা কৰিবলৈ আৰম্ভ কৰে।

ভাষাই ব্যক্তি মনক শৃংখলাবদ্ধ আৰু সুসংগঠিত কৰি তোলে। কথিত আৰু লিখিত ভাষাৰ মাজেৰে সেয়েহে ব্যক্তিৰ মনৰ চিন্তাৰ সুসংগঠিত ৰূপ এটাৰ সৃষ্টি হয়। যি জাতিৰ ভাষা চহকী সেই জাতিৰ চিন্তাও অধিক স্পষ্ট আৰু বিজ্ঞানসন্মত হোৱা দেখা যায়।

মানৱ শিশুৰ ভাষাৰ বিকাশৰ দিশটো হৈছে বৌদ্ধিক বিকাশৰ অন্যতম উল্লেখনীয় দিশ। শিশুৰ বৌদ্ধিক দিশৰ বিকাশৰ লগত ভাষা প্ৰয়োগৰ সাধাৰণ কৌশল আৰু সামৰ্থৰ প্ৰয়োজনীয়তা অধিক বেছি। এটি মানৱ শিশুয়ে তাৰ সকলোধৰণৰ দৈহিক, মানসিক প্ৰয়োজনৰ বিষয়ে সাধাৰণ ভাষাৰ মাজেৰেই আনক জ্ঞাত কৰায়। তাৰোপৰি আমাৰ পাৰস্পৰিক বুজাপৰা আৰু ভাব-অনুভূতিৰ আদান-প্ৰদানৰ বাবে ভাষা হৈছে একমাত্ৰ নিৰ্ভৰযোগ্য মাধ্যম। এই মাধ্যমৰ যোগেদিয়েই প্ৰত্যেকটো মানৱ শিশুৰ বৌদ্ধিক জীৱন গঢ় লৈ উঠে।

শিশুৱে জীৱনৰ একেবাৰে প্ৰাথমিক অৱস্থাত বিভিন্ন দৈহিক আকাৰ-ইংগিত আৰু প্ৰকাশভংগীৰ সহায়ত পৰিৱেশৰ বিভিন্ন বস্তু আৰু তাৰ জ্ঞান আনুসঙ্গিক শব্দৰ মাজেৰে লাভ কৰিবলৈ সমৰ্থ হয়। এনে কাৰণতে জীৱনৰ প্ৰাক্-শৈশৱ কালত শব্দতকৈ দৈহিক আকাৰ-ইঙ্গিত তথা ভাব-ভঙ্গীৰ এক সাৰ্বজনীন আকৰ্ষণীয়তা আছে। জীৱনৰ এনে অৱস্থাত দৈহিক আচৰণ আৰু অঙ্গী-ভঙ্গী আদিৰ মাজেৰে ভাব প্ৰকাশ কৰিবলৈ লোৱা প্ৰক্ৰিয়াই পৰৱৰ্তী অৱস্থাত প্ৰণালীবদ্ধ চিন্তাৰ মাজেৰে কথিত আৰু লিখিত ভাষাৰ ৰূপ গ্ৰহণ কৰে। প্ৰাক্-শৈশৱৰ এনেবোৰ দৈহিক আচৰণ তথা প্ৰকাশভংগীৰ দ্বাৰা জীৱনৰ পৰৱৰ্তী পৰ্যায়ত চিন্তা কৰি কৰিব পৰা পাৰস্পাৰিক আদান-প্ৰদানৰ প্ৰাথমিক পৰ্যায় আৰম্ভ হয়।

মনোবিজ্ঞানীসকলৰ মতে কোনো শিশুৱে জন্মসূত্ৰে কোনো এটা বিশেষ ভাষা ক্ষমতা লগত লৈ নাহে। জন্মৰ পৰৱৰ্তী পৰ্যায়তহে পৰিৱেশ সাপেক্ষে নিজস্ব প্ৰয়োজনীয়তাৰ খাতিৰত কোনো এটা বিশেষ ভাষাৰ সহায়ত শিশুৱে তাৰ সামগ্ৰিক পৰিৱেশৰ বিভিন্ন বস্তু, ঘটনা আৰু অৱস্থাৰ মুখামুখী হৈ সেইবোৰৰ এক বিশেষ ধাৰণা গ্ৰহণ কৰিবলৈ সমৰ্থ হয়। এনে কাৰণতে নিচেই শৈশৱ অৱস্থাত মাতৃভাষাৰ বাহিৰে শিশুৱে আন ভাষা আয়ত্ত কৰিব নোৱাৰে বুলি ভবা ধাৰণা ভ্ৰান্তিকৰ।

পৃথক ভাষাৰ পৰিৱেশৰ মাজত থাকি শিশুৱে মাতৃভাষাৰ প্ৰতি দেখুওৱা অক্ষমতাৰ দৃষ্টান্তই এই কথা সুন্দৰভাৱে প্ৰমাণ কৰে। শিশুৰ নিজস্ব পৰিৱেশৰ সামাজিক সম্পৰ্কই তাৰ চিন্তা কৰা কাৰ্য, ভাষাৰ আয়ত্ত আৰু বিকাশৰ ক্ষেত্ৰত অধিক প্ৰভাৱ পেলায়।

ভাষাৰ আয়ত্তকৰণ আৰু চিন্তা প্ৰক্ৰিয়াৰ বিকাশৰ বাবে শিশুৰ দৈহিক অৱস্থা সম্পূৰ্ণৰূপে সুস্থ হ'ব লাগে। শিশুৰ দৈহিক অৱস্থাৰ উপযুক্ততা ভাষা বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে ভাষা উচ্চাৰণৰ ক্ষেত্ৰত বাগিন্দ্ৰীয়সমূহৰ ভূমিকা অতি উল্লেখনীয়। সাধাৰণতে পৃথিৱীৰ প্ৰায়বোৰ ভাষাতে হাওঁফাওঁৰ পৰা বাহিৰলৈ অহা বতাহক বাক্‌যন্ত্ৰত বাধা দি অথবা নিয়ন্ত্ৰণ কৰি ধ্বনিৰ উচ্চাৰণ কৰা হয়। কিন্তু দুই এটা ভাষাত বাহিৰৰ পৰা ভিতৰলৈ বতাহ নিও ধ্বনিৰ উচ্চাৰণ কৰা দেখা যায়। দৰাচলতে, হাওঁফাওঁৰ পৰা নিৰ্গত বায়ুক সচেতনভাৱে জিভাৰে দাঁত, তালু আদিত বাধা দি অথবা মুখগহ্বৰৰ ঠেক বা উন্মুক্ত ওঁঠৰ দ্বাৰা নিয়ন্ত্ৰণ কৰি যি ধ্বনি উচ্চাৰণ কৰা হয় তাকে বাক্-ধ্বনি বোলে। শিশুৰ বৌদ্ধিক দিশৰ উন্নয়ন ভাষাৰ বিকাশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। গতিকে, ভাষাৰ উন্নয়নৰ লগত সম্পৰ্কিত বিভিন্ন অংগ-প্ৰত্যংগসমূহৰ সুস্থ তথা সু-সামঞ্জস্যপূৰ্ণ বিকাশ সাধনক গুৰুত্ব সহকাৰে গ্ৰহণ কৰা উচিত। এইক্ষেত্ৰত পৰিয়াল, আমাৰ শিক্ষানুষ্ঠানসমূহে সাধ্যানুসৰি কিছুমান পদক্ষেপ লোৱা উচিত। সেই পদক্ষেপসমূহ তলত উল্লেখ কৰা ধৰণে গ্ৰহণ কৰিব পাৰি।

১। উপযুক্ত ভিটামিনযুক্ত খাদ্য ব্যৱস্থাৰে (Balance diet) শিশুৰ সৰ্বোতোমুখী বিকাশ সাধনত গুৰুত্ব দিয়াটো এৰাব নোৱাৰা কথা হোৱাৰ উপৰি, উপযুক্ত অনুশীলনৰ মাজেৰে শিশুৰ ইন্দ্ৰিয়সমূহৰ বিকাশ সুস্থ কৰি তুলিব লাগে।

২। কথিত ভাষাৰ বিকাশ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সময়ত মৌখিক উচ্চাৰণৰ উপযুক্ততা আৰু শুদ্ধতাৰ বাবে বিশেষ বিশেষ ধ্বনি মুখমণ্ডলৰ কোন কোন অংশৰ পৰা উচ্চাৰণ কৰিব লাগে নতুবা কি ধৰণে শুদ্ধ উচ্চাৰণ কৰিব লাগে, কোনবোৰ ধ্বনি উচ্চাৰণত জোৰ দিব লাগে ইত্যাদি কথাৰ প্ৰয়োজনীয় অনুশীলনৰ বাবে শিশুক শিকাব লাগে।

৩। ভাষাৰ বিকাশ প্ৰক্ৰিয়া আৰম্ভ হোৱা সময়ছোৱাত কোনে বিশেষ শব্দ বা ধ্বনিৰ অশুদ্ধ উচ্চাৰণৰ বাবে শিশুক ধমকি দিয়াৰ পৰিৱৰ্তে শুদ্ধ উচ্চাৰণৰ বাবে শিশুৰ ভুল আঙুলিয়াই দিব লাগে।

৪। কথিত ভাষাৰ বিকাশ হোৱাৰ লগে লগে বিভিন্ন শব্দ আৰু তা লগত সম্পৰ্কযুক্ত বিভিন্ন বস্তু, ঘটনা বা অৱস্থাৰ সৈতে শিশুৰ পৰিচিত কৰি দি ক্ৰমাগতভাৱে শুদ্ধ পঢ়ন আৰু লিখন অভ্যাস কৰাব লাগে।

৫। পঠন আৰু লিখন কাৰ্যৰ অভ্যাস কৰোৱাৰ সময়ত অতি সৰ আৰু সাধাৰণ শব্দৰ জ্ঞানৰ মাজেৰে ক্ৰমাগতভাৱে শিশু জটিল শব্দৰ জ্ঞান দিব লাগে।

৬। নিচেই চালুকীয়া অৱস্থাত শিশুৰ সন্মুখত বিশেষকৈ ঘৰ পৰিৱেশত পৰিয়ালৰ সদস্যসকলৰ মাজত কেইবাটাও ভাষ চৰ্চা কৰা অনুচিত।

৭। শব্দৰ স্পষ্ট আৰু শুদ্ধ উচ্চাৰণৰ প্ৰতি চকু ৰাখিব লাগে চালুকীয়া অৱস্থাত কোনো শব্দৰ ভুল উচ্চাৰণৰ শিক্ষা পৰৱৰ্তী অৱস্থাত সহজে শুধৰাব নোৱাৰি।

৮। কঠিন শব্দক শুদ্ধ উচ্চাৰণৰ বাবে পুনৰাবৃত্তিৰ দ্বাৰা অভ্যা কৰাব লাগে।

এনেদৰে ওপৰত আলোচনা কৰা ধৰণে সকলোবোৰ দি বিবেচনা কৰি নিজস্ব ভাষাৰ শুদ্ধ জ্ঞানৰ মাজেৰে শিশুৰ চিন্তাশক্তি আৰু বৌদ্ধিক বিকাশৰ পথ প্ৰশস্ত কৰিব পাৰি। ভাষা হ'ল মানুহ জ্ঞানৰ মূল ভেটি। সেয়েহে এনে ভেটি যিমানেই শুদ্ধ, শক্তিশালী আ বিজ্ঞানসন্মতভাৱে গঢ় লৈ উঠিব সিমানে শিশুৰ শুদ্ধ চিন্তা আৰু সু বৌদ্ধিক বিকাশৰ পথ গঢ়ি উঠিব। সকলো ব্যক্তিৰে প্ৰজ্ঞা ভাষ সহায়তে গঢ় লৈ উঠে। ব্যক্তিৰ সকলোবোৰ বৌদ্ধিক কাৰ্য সম্পাদি হয় ভাষাৰ মাধ্যমেৰে। গতিকে শিশুৰ ভৱিষ্যৎ জীৱনৰ ভেটি সু সৱলভাৱে গঢ়ি তুলিবলৈ ভাষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ দিশ।❑

ড° টমাছ কুপাৰে আঠ বছৰ অশেষ কষ্ট আৰু ধৈৰ্য্য সহকাৰে লিখা অভিধানখনৰ পাণ্ডুলিপিটো ঘৈণীয়েকে পুৰি ছাই কৰাৰ পিছত ড° কুপাৰৰ ঘৈণীয়েকৰ প্ৰতি কৰা মন্তব্য— "তোমাক খং কৰাৰ পৰিবৰ্তে ধন্যবাদ দিছো। কাৰণ তুমি মোৰ আয়ুস আঠ বছৰ বঢ়াই দিলা। অভিধানখন মই আকৌ লিখিম আৰু এইটোও ঠিক যে সেইখন শেষ নকৰাকৈ মই কেতিয়াও নমৰো।"





# পিতৃ-মাতৃৰ সামাজিক দায়বদ্ধতা

✍ মইদুল ইছলাম
স্নাতক ২য় বাৰ্ষিক

সন্তান জন্ম দিয়াৰ পাছত এহাল পতি-পত্নী মাক-দেউতাক হয়। আমাৰ এই পৃথিৱীত কিন্তু মাক-দেউতাকৰ অভাৱ নাই। কিন্তু অভাৱ হৈছে প্ৰকৃত অৰ্থত এহাল সৎ মাক-দেউতাকৰ, সফল পিতৃ-মাতৃৰ।

ভোগবাদী মানসিকতাই মানুহক ক্ৰমে ধ্বংসৰ মুখলৈ আগবঢ়াই লৈ গৈ আছে। নিজে নজনাকৈ আমি সকলোৱে ভোগবাদৰ গ্ৰাসত সোমাই পৰিছো। যাৰ ফলত মানুহ হৈ পৰিছে স্বাৰ্থপৰ, সৎ-অসৎ, ভাল-বেয়া চিনিব নোৱাৰা অমানবীয় প্ৰবৃত্তিৰ। নিজৰ সন্তান সৎ, সুন্দৰ শক্তিশালী হোৱাটো সকলো অভিভাৱকৰে একান্ত কাম্য। অতি পৰিতাপৰ কথা যে ইয়াৰে কিছুমান সন্তান বিপথে পৰিচালিত হয়। ইয়াৰ বাবে প্ৰথমে দায়ী অভিভাৱকসকল নে ল'ৰা-ছোৱালীবিলাক? ই এটা বিচাৰ্যৰ বিষয়। মই ভাবো, ইয়াৰ বাবে প্ৰথমে দায়ী অভিভাৱকসকল, অৰ্থাৎ নিজৰ পিতৃ-মাতৃ। যিখন ঘৰত এজন স্বামীয়ে নিজৰ পৰিবাৰক অনাহকত অত্যাচাৰ কৰে, যিখন ঘৰত দেউতাকে মদ খায় দুপৰ ৰাতি মাতাল হৈ ঘৰ সোমায়হি আৰু ঘৰখনত অনবৰতে হুলস্থূলীয়া পৰিৱেশ এটা বিৰাজ কৰি থাকে, তেনেবিলাক পৰিয়ালৰ ল'ৰা-ছোৱালী বিপথে পৰিচালিত হ'লে আচৰিত হ'বলগীয়া একো নাই। আজিৰ দিনত গৰিষ্ঠ সংখ্যক পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীক সৎ পথৰ সন্ধান দিয়া দূৰৰ কথা বৰং ল'ৰা-ছোৱালীৰ বহুতো অমানৱীয় কৰ্ম মানি ল'বলৈও কুণ্ঠাবোধ নকৰে।

নগৰাঞ্চলৰ বেছিভাগ ল'ৰা-ছোৱালী অবাটে যোৱাৰ কাৰণ হ'ল পিতৃ-মাতৃৰ দায়িত্বজ্ঞানহীনতা। আৰ্থিকভাৱে মজবুত পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীক লাগ বুলিলেই বিচৰা বস্তুৰ যোগান ধৰে। লাগিলে সেইবোৰ সিহঁতৰ বাবে ক্ষতিকাৰকেই হওক। স্কুলীয়া ল'ৰা-ছোৱালীক অত্যাধুনিক দামী ম'বাইলৰ কোনো প্ৰয়োজন নাই। প্ৰয়োজন মাক-দেউতাকৰ বাবেহে। পঞ্চাশ বছৰ আগৰ পৰিৱেশ আৰু বৰ্তমান আজিৰ পৰিৱেশৰ মাজত আকাশ-পাতাল পাৰ্থক্য। সন্তানক প্ৰথমে মূৰৰ ওপৰত তুলি তাৰ পাছত থেকেচা মাৰি নমাব খোজাৰ পৰিণতি সদায় সন্মান হানিকৰ। পিতৃ-মাতৃয়ে সদায় সন্তানক অত্যাধিক মৰম-চেনেহ কৰাৰ পৰা বিৰত থাকিব লাগে। কাৰণ সকলো অতিমাত্ৰা বস্তুৱেই ভয়ানক। বহু পৰিয়ালত দেখিছো নিজৰ ল'ৰা-ছোৱালীয়ে যি খোজে মাক-দেউতাকে অত্যাধুনিক দামী দামী ম'বাইল, দামী দামী বাইক ক্ৰয় কৰি দিয়ে। এইবোৰ সন্তানে বিদ্যালয়তনিক দিশত কিন্তু বিশেষ একো উন্নতি কৰিব নোৱাৰে। বহু ক্ষেত্ৰত অভিভাৱকৰ উপাৰ্জনৰ উৎস যেনে— চৰকাৰী ধন আত্মসাৎ অথবা ঘোঁচখোৰ স্বভাৱৰ বিষয়ে সন্তানবোৰ নিশ্চয় অৱগত আৰু এই বাহিৰা উপাৰ্জনৰ শক্তিয়েই সন্তানক আটাইতকৈ উশৃংখল কৰি তোলাত অৰিহণা যোগায়। নিশা দহ বজাৰ পিছত ঘৰ সুমোৱা সন্তানক মাক-দেউতাকে কিয় কৈফিয়ৎ তলব কৰিব নোৱাৰে? বিশেষকৈ গুৱাহাটী মহানগৰীকে আদি কৰি ৰাজ্যৰ প্ৰধান চহৰবোৰৰ বিভিন্ন বিলাসী ৰেস্তোঁৰা, দোকান-পোহাৰত ছাত্ৰ-ছাত্ৰীৰ ভিৰ বহু নিশালৈ দেখা যায়। য'ত সাধাৰণ চাহ একাপৰ দাম সাধৰণ মানুহৰ বাবে অকল্পনীয়। নক'লেও এই কথা বুজিব পাৰি যে ইয়াৰ বেছি সংখ্যক গ্ৰাহক আমাৰ অভিভাৱকবোৰে দুৰ্বাৰ আকাঙ্ক্ষাৰে বাহিৰত পঢ়িবলৈ পঠিওৱা সন্তান। মাক-দেউতাকৰ সৰলতাৰ সুযোগ লৈ এইচামে নিয়ন্ত্ৰনহীন হৈ কেৱল পৃথিৱীৰ ৰঙীন দিশটোহে দেখে। এনেকুৱা একাংশ ছাত্ৰ-ছাত্ৰীৰ বিলাসীতা আৰু লিভিং ষ্টাইল চাকৰিয়ালতকৈ বেছি উন্নত আৰু ব্যয়বহুল।

যৌৱনৰ প্ৰাৰম্ভতে কলেজলৈ গৈয়েই এচাম ছাত্ৰ-ছাত্ৰীয়ে সস্তীয়া আবেগৰ বলি হয়। ক্লিঅ'পেট্ৰাৰ দৰে সুন্দৰী আৰু হাৰ্কিউলিছৰ দৰে শক্তিশালী বুলি ভবা ছাত্ৰ-ছাত্ৰীয়ে নিজকে উটুৱাই দিয়ে কামনা-বাসনাৰ উত্তাল নদীখনত। য'ত এবাৰ সাঁতুৰিবলৈ পালে পাৰলৈ উঠি অহাটো সম্ভৱপৰ নহয়। এনেধৰণৰ সমস্যাবোৰৰ বাবে দায়ী অভিভাৱকসকল।

ঘৰখন হৈছে শিক্ষাৰ আচল ঠাই। ল'ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰে শিক্ষা প্ৰতিষ্ঠানত। কিন্তু ল'ৰা-ছোৱালীয়ে কৈশোৰ অৱস্থাত যি শিক্ষা লাভ কৰে সি গোটেই জীৱন ধৰি ব্যক্তিক প্ৰভাৱিত কৰে। সেয়েহে সৎ পিতৃ-মাতৃৰ পৰাই সৎ আৰু সুস্থ সমৃদ্ধ ব্যক্তি গঢ় লৈ উঠিব পাৰে।❑

# সন্ত্ৰাসবাদ আৰু ইয়াৰ ভৱিষ্যৎ

ৰাহুল আলী
স্নাতক ৪ৰ্থ ষাণ্মাসি

আজি গোটেই পৃথিৱী সন্ত্ৰাসবাদত জৰ্জৰিত। ইয়াৰ বিৰুদ্ধে বিশ্বৰ চিন্তাশীল মানৱসকলে অবিৰাম প্ৰতিবাদ কৰি আহিছে যদিও সন্ত্ৰাসবাদীৰ সন্ত্ৰাসবাদ কমা নাই, বৰং বঢ়াহে পৰিলক্ষিত হৈছে। সন্ত্ৰাসবাদীসকলে সদায় নতুন নতুন কৌশলৰে সন্ত্ৰাস চলায়েই আছে। কিন্তু সন্ত্ৰাসবাদীসকলে যি সন্ত্ৰাস চলাই আছে তাৰ দ্বাৰা কোনো সমস্যা সমাধান নহয়। এই সন্ত্ৰাসবাদৰ কাৰণে পৃথিৱীৰ বহু দেশ, জাতিৰ ধন-জন আৰু সম্পত্তিৰ বৃহৎ ক্ষতি হৈছে। হয়তো এই ক্ষতিয়ে বিশ্বৰ অৰ্থনৈতিক দিশত এক বৃহৎ প্ৰভাৱ পেলাইছে। আমেৰিকাৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন, জাতিৰ পিতা মহাত্মা গান্ধী, ইন্দিৰা গান্ধী, বিশ্বৰ বহু নিষ্পাপ শিশু প্ৰমুখ্যে বহু মহান ব্যক্তি সন্ত্ৰাসবাদৰ চিকাৰ হৈছে। আমাৰ সোণৰ অসমতো অনেক নিৰ্দোষী আৰু প্ৰচুৰ প্ৰতিভাৱান ব্যক্তি সন্ত্ৰাসবাদৰ বলি হৈছে। এই অমূল্য মানৱ সম্পদ ধ্বংস কৰি সন্ত্ৰাসবাদীৰ কিবা লাভ হৈছেনে? বিখ্যাত চিন্তাবিদ হেমিংৱেই কোৱা মহান কথাফাঁকি মনত পৰিছে ঃ তেখেতে কৈছিল যে মানুহক শাৰীৰিকভাৱে ধ্বংস কৰিব পাৰি কিন্তু পৰাজয় কৰিব নোৱাৰি। মানুহৰ আদৰ্শৰ মৃত্যু নাই। আজি বাপুজী মৰিও অমৰ। যদিও তেখেতৰ মৃত্যু হৈছে, তেখেতৰ আদৰ্শ পৃথিৱী থাকে মানে জীয়াই থাকিব, কেতিয়াও মৃত্যু নহয়। আজিৰ সন্ত্ৰাস, আতংক, হিংসাৰ পৃথিৱীত বাপুজীৰ অহিংসাৰ আদৰ্শ চীনৰ প্ৰাচীৰ হিচাপে থিয় হৈ আছে আৰু থাকিব। ইয়াৰ প্ৰাসঙ্গিকতা আজি বিশ্বৰ সকলোৱে স্বীকাৰ কৰিছে। এই 'অহিংসা' মন্ত্ৰটোৰ যোগেদি গান্ধীজীয়ে আমাক এখন স্বাধীন ৰাষ্ট্ৰৰ নাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিলে। তাৰ বিপৰীতে হিংসাৰ দ্বাৰা কোনো স্থায়ী কাম সম্ভৱপৰ নহয়। পৃথিৱীৰ বহু প্ৰতি... বিপ্লৱী নেতাই শেষত স্বীকাৰ কৰিছে যে সন্ত্ৰাসবাদৰ দ্বাৰা দে... উন্নয়ন অসম্ভৱ। সেই কাৰণেই তেওঁলোকে বিপ্লৱ এৰি নিজ নি... দেশৰ ৰাজনীতিত মনোনিৱেশ কৰিছে আৰু দেশৰ গুৰু দায়িত্বও গ্ৰ... কৰিছে। তেওঁলোকে নিজ দেশক ভৱিষ্যতে কোন দিশে লৈ যা... সময়েহে ক'ব। কিন্তু গণতন্ত্ৰৰ মূলসুঁতিলৈ তেওঁলোকৰ উভতি... এক উল্লেখযোগ্য ঘটনা। অসমতো বহু প্ৰতিভাবান ব্যক্তিয়ে বহু ব... সন্ত্ৰাসবাদৰ গুৰি ধৰাৰ অন্তত মূলসুঁতিলৈ ঘূৰি আহি নিজ নিজ জ... আৰু সোণৰ অসমৰ উন্নতিৰ কাৰণে ৰাতি-দিন একাকাৰ কৰি ক... কৰি আছে।

আজিৰ বিশ্বৰ সমস্যাই হ'ল সন্ত্ৰাসবাদৰ আতংক। এই সম... সমাধানৰ কাৰণে নিজ নিজ দেশৰ প্ৰশাসন বিভাগে নতুন ন... উপায় অৱলম্বন কৰি আহিছে। কিন্তু কিছুমান দুষ্কৃতিকাৰিয়ে দে... আভ্যন্তৰীণ বিষয়ত সন্ত্ৰাসবাদৰ বীজ সিঁচি সদায়েই সমস্যাৰ সৃষ্টি ক... আহিছে। সন্ত্ৰাসবাদীসকলে যে মানৱৰ কাৰণে কোনো বৰঙণি যো... পৰা নাই সেইটো তেওঁলোকে জনা উচিত। মানুহক সদায় ত... মাজত জীৱন কটাব দিয়াটো উচিত নহয়। ইতিমধ্যে এই সন্ত্ৰাসবা... জৰিয়তে বহু নিৰীহ মানুহৰ জীৱন নাশ হ'ল। ধ্বংস, বিভীষিকাৰ ... নিৰপৰাধী মানৱ সম্পদক ৰক্ষা কৰিবলৈ পৃথিৱীৰ সমূহ জনগণ ই... বিৰুদ্ধে এক হৈ থিয় হ'ব লাগিব। দেশ-বিদেশত সৃষ্টি হোৱা ... সমবেত সমন্বয়ে সন্ত্ৰাসবাদীৰ সন্ত্ৰাস, আতংক অলপ হ'লেও ক... পাৰিব বুলি আমাৰ আশা।□

"বুকু খহাই নিছে
অহৰহ বিষণ্ণতাই
সময় বৈ গৈছে
শ শ বছৰীয়া শিপা
উঘালি, ধাহি-মুহি,
মাটি খহাই
হিলদ'ল ভাঙি
অন্ধকাৰলৈ.......।"
(বিষণ্ণ প্ৰহৰ, ড° নিৰ্মলপ্ৰভা বৰদলৈ)





# প্ৰকৃত মানৱ

শ্ৰীৰমনী তালুকদাৰ
স্নাতক চতুৰ্থ ষাণ্মাসিক

এই জগতৰ বাহ্যিক ৰূপ অতি সুন্দৰ, মনোৰম। ঠিক এজনী ৰূপৱতী নাৰীৰ নিচিনা। কিন্তু ইয়াৰ আভ্যন্তৰীণ ৰূপ অতি জটিল। বিভ্ৰান্তিকৰ মৰীচিকাৰ নিচিনা। যি তৃষ্ণাৰ্ত পথিকক প্ৰবঞ্চিত কৰে। বৰ্তমান জগতৰ মানৱ ৰূপ ঠিক মৰীচিকাৰ দৰে। মিছা প্ৰলোভনেৰে বিভ্ৰান্ত কৰি নিয়ে অন্তিম দিশলৈ। এইটো প্ৰকৃত মনুষ্যত্ব নহয়। বৰ্তমান সমাজৰ মানৱ বন মানুহৰ সমতুল্য। অৰণ্যবাসী বন মানুহৰ মনত আনৰ প্ৰতি হিংসা, বিদ্বেষ আৰু স্বাৰ্থপৰতা থাকে। আনৰ মুখৰ আহাৰ কাঢ়ি নিয়াৰ প্ৰৱণতাই সিহঁতক অধঃপতনৰ মুখলৈ ঠেলি দিছে। ঠিক তেনেদৰে বৰ্তমান সমাজৰ মানৱ সেই একে দিশতে ধাৱিত হৈছে।

আমি কি প্ৰকৃত মানৱ? এই প্ৰশ্নটো সাধাৰণতে যিমান সহজ বুলি মনত ধাৰণা কৰা হয় কিন্তু তাৰ উত্তৰ সিমান সহজ নহয়। এই প্ৰশ্নৰ উত্তৰৰ বাবে আমি জনা উচিত যে এজন প্ৰকৃত মানৱ হ'বলৈ হ'লে তাৰ কি কি বৈশিষ্ট্য থকাৰ প্ৰয়োজন। নিজকে প্ৰকৃত মানৱৰূপে গঢ়ি তুলিবলৈ সৰ্বপ্ৰথমে নিজৰ অন্তৰ্নিহিত মনুষ্যতাক জাগ্ৰত কৰিব লাগিব। বৰ্তমান সমাজত মানুহ হৈ উঠিছে আত্মকেন্দ্ৰীক। সিহঁতে সদায় নিজক লৈ ব্যস্ত থাকে। সিহঁতে নিজৰ ব্যক্তিগত চিন্তাত ইমান মগ্ন হৈ থাকে যে আনৰ সুখ-দুখৰ কথা চিন্তা কৰাৰ সময় নাথাকে। মানুহৰ এই স্বাৰ্থপৰ চিন্তা ধাৰাৰ কাৰণে সিহঁত প্ৰকৃত মানৱ সমাজৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। এজন প্ৰকৃত মানুহ হ'ল ঈশ্বৰৰ সমান। স্বামী বিবেকানন্দই কৈছিল যে "জীৱক প্ৰেম কৰে যিজনে সেইজনেহে ঈশ্বৰক সেৱা কৰে।" কিন্তু বৰ্তমানৰ মানৱ সমাজৰ গতি ওলোটা দিশেৰে ঘূৰিছে।

বৰ্তমানৰ মানুহে নিজকহে প্ৰেম কৰে, সিহঁত নিজক লৈ ব্যস্ত। প্ৰকৃত মানৱ হ'বলৈ হ'লে আমাক লাগিব পৰস্পৰৰ প্ৰতি অন্তৰৰ ভালপোৱা, স্নেহ, কৰুণা, স্বাৰ্থপৰহীনতা আৰু এটি পৱিত্ৰ মন। প্ৰতিদিনেই খবৰ কাগজৰ পাত লুটিয়ালেই দেখা যায় বিশাল পৃথিৱীৰ বিভিন্ন স্থানত কি দৰে হিংসা, বিদ্বেষ, ক্ৰোধ, লুণ্ঠন, ধৰ্ষণ ইত্যাদি পাপ কৰ্ম হৈ আছে। এয়াই কি প্ৰকৃত মানৱৰ মনুষ্যত্বৰ পৰিচয়? বৰ্তমান পৃথিৱীত মানুহৰ প্ৰতি যি মানুহৰ ভালপোৱা, স্নেহ, মমতা দেখা যায় সেইবোৰ অতি কৃত্ৰিম। তাত কোনো আন্তৰিকতা নাথাকে। থাকে মাত্ৰ কপটতা আৰু স্বাৰ্থপৰতা। এই ভালপোৱা মাত্ৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেহে। বৰ্তমান সমাজত যিখন ৰথ চলিছে সেইখন চলিছে কেৱল মিছা আৰু চলনা নামৰ ইন্ধনৰ দ্বাৰাহে। এই ৰথত যিজনে চলা-ফুৰা কৰিছে সি প্ৰকৃত মানৱ নহয়। সিহঁতক বোলা হয় ভণ্ড, পাষণ্ড, লম্পট। এই ভণ্ডামিৰ কাৰণে বৰ্তমানৰ মানৱ সমাজ ধূলিৰ সমতুল্য আৰু এই ধূলিময় অৱস্থাৰ পৰা উঠি আহিবলৈ আমাক লাগিব প্ৰকৃত মনোবল, ভালপোৱা আৰু সু-শিক্ষা। যাৰ দ্বাৰা আমি বিশ্বৰ মানুহৰ মন জয় কৰি নিজকে প্ৰকৃত মানুহ বুলি পৰিচয় দিব পাৰিম।

এজন ব্যক্তিক প্ৰকৃত মানৱৰূপে গঢ়ি তুলিবলৈ নিজৰ ভাৱধাৰা পৰিৱৰ্তন ঘটোৱা একান্ত প্ৰয়োজন। যি ব্যক্তিয়ে জগতৰ সকলো ব্যক্তিকে বন্ধু, ভাই-ভনী, পিতা-মাতা হিচাপে গণ্য কৰিব পাৰে সেইজন ব্যক্তিহে জগতৰ প্ৰকৃত মানৱ। ইয়াৰ উপৰিও আমাৰ পৰস্পৰে পৰস্পৰৰ প্ৰতি ভাতৃত্ববোধ থকাতো প্ৰয়োজন। কিন্তু বৰ্তমান সমাজত এই ভাবধাৰাৰ মানুহ নিচেই নগণ্য। কিয়নো বৰ্তমান সকলো হৈ উঠিছে স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰীক। সিহঁতৰ এই ৰূপ, চিন্তাধাৰাৰ কাৰণে প্ৰকৃত মানৱ লাহে লাহে লোপ পাব ধৰিছে। আমি শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞানৰ উন্নতি যিমানেই নকৰো কিয় যদি প্ৰকৃত মানৱ হ'ব নোৱাৰো তেন্তে এই উন্নতিৰ কোনো মূল্য নাথাকিব। আমি হেৰুৱাই পেলোৱা আমাৰ মনুষ্যত্ববোধ আৰু মানৱ চৰিত্ৰৰ গুণবোৰ ঘূৰাই আনিব লাগিব। বৰ্ত্তমান সাম্প্ৰদায়িক সংঘৰ্ষই সভ্যতা আৰু সংস্কৃতিৰ ওপৰত কলংক সানিছে। মানৱতাক পদাঘাট কৰিছে। এয়াই জানো প্ৰকৃত মানুহৰ মানৱতা?

বৰ্তমানৰ মানৱ মানৱত্বহীন হৈ পৰিছে। মনুষ্যত্ব আমাৰ অন্তৰৰ বিষয় আৰু এই আভ্যান্তৰীণ বিষয়ক জাগ্ৰত কৰাৰ বাবে আমাক লাগে মানসিক শক্তি, অন্তৰত দৃঢ়বিশ্বাস। যিয়ে আমাৰ প্ৰগতিক

লতা, ফুল, জ্যামিতিক ৰূপচিত্ৰৰে এই অট্টালিকাৰ বাহিৰৰ বেৰসমূহ অলংকৃত।

ইয়াৰ পিছত তলাতল ঘৰলৈ গ'লো। এই ঐতিহ্যপূৰ্ণ ৰাজপ্ৰাসাদটি আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খৃষ্টাব্দত ১৭৫১-৬১) তেওঁৰ ৰাজত্বকালত সজাইছিল। এই ৰাজপ্ৰাসাদটিৰ কোঠালীবোৰ সমান্তৰাল আৰু ইমান সুন্দৰকৈ সজোৱা যে ইয়াৰ কাৰুকাৰ্য্য মোগল শিল্পশৈলীৰ লগত সাদৃশ্য থকা দেখা যায়। ইয়াৰ প্ৰত্যেকটো কক্ষ একোটা সৰু পথেৰে সংলগ্ন। ইয়াৰ প্ৰথম মহলাৰ ওপৰ ভাগ উন্মুক্ত আৰু কোঠালীবোৰ অসমীয়া গৃহবিন্যাস আৰ্হিৰে সজোৱা। এই ৰাজপ্ৰাসাদৰ পশ্চিম দিশত এটি আঠকোণীয়া মন্দিৰ আছে। শেহতীয়া প্ৰত্নতাত্ত্বিক খনন কাৰ্য্যৰ দ্বাৰা জুইয়ে পোৰা কাঠৰ স্তম্ভ, পোৰা ইটাৰ তিনিটা স্তৰযুক্ত ভগ্নাৱশেষ, লগতে উত্তৰ আৰু পশ্চিম দিশত একোটিকৈ পদপথ উদ্ধাৰ কৰা হৈছে। কাঠৰ স্তম্ভৰ অৱশেষ আৰু গাঁতৰ চিহ্নই এই বাকী ৰাজপ্ৰাসাদৰ স্থানত পূৰ্বতে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত কাঠেৰে নিৰ্মাণ কৰা ৰাজকীয় আবাস আছিল বুলি প্ৰমাণ কৰে।

ইয়াৰ পিছত বিষ্ণুদ'ল আৰু জয়সাগৰলৈ গ'লো। স্বৰ্গদেউ ৰুদ্ৰসিংহই নিৰ্মাণ কৰা এই দ'ল জয়দ'ল নামে খ্যাত। এই দ'ল ভগৱান বিষ্ণুৰ নামত উছৰ্গা কৰা হৈছিল। এই দ'লটি জয়সাগৰ পুখুৰীৰ উত্তৰপাৰত অৱস্থিত। ইটা আৰু শিলৰ গাঁথনিৰে নিৰ্মিত এ মন্দিৰৰ কাৰুকাৰ্য্য অতি সুন্দৰ। ইয়াৰ উপৰিভাগ এক গম্বুজ আকৃতি শিখৰে আবৃত আৰু মৌমাখি আবাস আকৃতিৰে সুশোভিত। মূ মন্দিৰৰ গৰ্ভগৃহৰ উপৰিও দুমহলীয়া অন্তৰালত মণ্ডপ সংলগ্ন আছে মন্দিৰৰ বৰ্হিবিভাগৰ পকীবেৰত বহু দেৱ-দেৱীৰ মূৰ্তিৰ ভাস্ক অংকিত আছে।

আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত (১৬৯৬-১৭১ খৃঃ) ৪৫ দিনৰ ভিতৰত ১৬৯৭ খৃঃত এই পুখুৰীটো খন্দোৱা হৈছিল ইয়াৰ পাৰত থকা তিনিটা মন্দিৰৰ যথাক্ৰমে বিষ্ণুদ'ল, শিৱদ'ল আ দেৱীদ'লৰ নিৰ্মাণ কাৰ্য্য ১৬৯৮ খৃঃত আৰম্ভ হয় আৰু দুবছৰ ভিতৰতে শেষ হয়।

সামৰণি ঃ

শিৱসাগৰলৈ গৈ মোৰ খুব ভাল লাগিল। কোনোদিনে এনেদৰে বাহিৰলৈ ওলাই যোৱা নাছিলো। তালৈ গৈ বাইদেউ ছাৰহঁতৰ লগত নাচিছো, গাইছো আৰু বহুত খেল-ধেমালী কৰিছো নাজানো আৰু বা কেতিয়া এনেদৰে যাব পাৰিম।

আকৌ যাতে ভৱিষ্যতে এনেকুৱা শিক্ষামূলক ভ্ৰমণ কৰিব পা তাৰ আশাৰে আজিলৈ লিখাৰ সামৰণি মাৰিলো। ❑







# মোৰ শিক্ষামূলক ভ্ৰমণৰ চমু অভিজ্ঞতা

✍ মইদুল ইছলাম
স্নাতক ৪ৰ্থ ষাণ্মাসিক

অসম চৰকাৰৰ শিক্ষা বিভাগে মহাবিদ্যালয়সমূহক শিক্ষামূলক ভ্ৰমণৰ বাবে দিয়া অনুদানৰ ভিত্তিত সুৰেণ দাস মহাবিদ্যালয়ৰ পৰা ৩৮ জনীয়া দল এটা ভ্ৰমণৰ বাবে যোৱাৰ আলোচনা কৰিলো। সেইমৰ্মে ২০১২ চনৰ ২ অক্টোবৰ মঙ্গলবাৰে যাত্ৰা কৰি পুনৰ ৬ অক্টোবৰত কলেজলৈ ঘূৰি আহিলো।



মহাবিদ্যালয়ত আমি সকলোৱে একগোট হৈ ১০ বজাত তাৰপৰা বাছেৰে ৰাওঁনা হ'লো পল্টন বজাৰ ষ্টেনলৈ। আমাৰ কলকাতালৈ যোৱা সময় আছিল ১২.৪৫ বজাত শৰাইঘাট এক্সপ্ৰেছত। আমি প্ৰথমতে গুৱাহাটী পল্টন বজাৰ ষ্টেচনৰ পৰা গৈ বলপুৰ ষ্টেচনত নামিছিলো ৰাতি প্ৰায় ৩.৪৫ বজাত। বলপুৰ ষ্টেচনত নামি ৰাতিপুৱা সকলোৱে সেই ষ্টেচনৰ চিত্ৰশিল্পৰে সজ্জিত প্ৰৱেশদ্বাৰ দেখি মুগ্ধ হৈ পৰিছিলো। ইমান ধুনীয়া দৃশ্য দেখিলেই কিবা আচৰিত যেন লাগে। বলপুৰ ষ্টেচনৰ পৰা শান্তি নিকেতনলৈ দূৰত্ব মাত্ৰ চাৰি কিলোমিটাৰ। ৰাতিপুৱা ষ্টেচনৰ পৰা গৈ সকলোৱে প্ৰথমে এটা জিৰণি কোঠা লৈ তাতেই গা ধুই ল'লো। তাৰপৰা প্ৰায় ৭.৩০ মান বজাত সকলোৱে ৰিক্সাৰে শান্তি নিকেতনৰ প্ৰধান প্ৰৱেশ দ্বাৰত উপস্থিত হৈছিলো। সিদিনা আছিল তিনি অক্টোবৰ বুধবাৰ। শান্তি নিকেতনত বুধবাৰৰ দিনটো বন্ধৰ দিন হিচাপে মানি চলা হয়। কিন্তু দেওবাৰৰ দিনটো তেওঁলোকে খোলা ৰাখে। ৰাতিপুৱা শান্তি নিকেতনৰ কেণ্টিনত আমি আহাৰ গ্ৰহণ কৰিছিলো। আমাৰ লগত যোৱা আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিশেষ বিভাগৰ অনুমতি লয় যদিও সিদিনাখন বিশ্ববিদ্যালয়ৰ অন্যান্য বিভাগবোৰ বন্ধ আছিল। তথাপি গাইডৰ নিৰ্দেশক্ৰমে কবিগুৰু ৰবিন্দ্ৰনাথে কোনখিনি ঠাইত বহি ছাত্ৰছাত্ৰীসকলক শিক্ষাদান কৰিছিল বা বিশ্বভাৰতী বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠা কেনেকৈ কৰা হৈছিল এই কথা জানিব পাৰিলো। এই বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠাতা, কবিগুৰু ৰবীন্দ্ৰনাথদেৱৰ দেউতাক মহৰ্ষি দেবেন্দ্ৰনাথ প্ৰতাপ নাৰায়ণে ২০ বিঘা মাটি লৈ তাত এখন বাগিচা তৈয়াৰ কৰিলে আৰু সেইখনৰ নাম দিলে শান্তি নিকেতন। ১৯১৮ চনত এই বিশ্বভাৰতী বিশ্ববিদ্যালয়খন স্থাপিত হয়। এই বিশ্বভাৰতীখনৰ প্ৰথম অধ্যক্ষ আছিল পণ্ডিত বিধুশেখৰ শাস্ত্ৰী। পণ্ডিত জৱহাৰলাল নেহৰু আছিল এই বিশ্ববিদ্যালয়ৰ প্ৰথম আচাৰ্য্য। ইয়াত থকা দৰ্শনীয় স্থানসমূহ হ'ল—

**চীনভৱন ঃ** ১৯২৮ চনত টীয়াং কহিমে আৰু বিশ্বভাৰতীৰ প্ৰাক্তন অধ্যাপক টাং থুং চাং দুয়োজনে লগ হৈ এই ভৱনটো নিৰ্মাণ কৰিছিল। কবিগুৰু ৰবীন্দ্ৰ নাথে ১৯৩৭ চনৰ ১৪ এপ্ৰিলত এই ভৱনটো চীন-ভাৰত সংস্কৃতিৰ আদৰ্শ পিঠ স্থান হিচাপে গঢ়ি তোলে। এই চীনা ভৱনৰ বাৰাণ্ডাতে এ. নন্দনলাল বসুৰ পৰিকল্পনা আৰু নিৰ্দেশনাত ছাত্ৰী নিৱাস তৈয়াৰ কৰা হৈছিল। এই ছাত্ৰী নিৱাসত এগৰাকী বিশিষ্ট মহিলা আছিল—ইন্দিৰা গান্ধী।

**হিন্দীভৱন ঃ** এই ভৱনটো বিচ্চেশ্বৰ লাল, মতীলাল, হালওয়া চিয়াৰ আৰ্থিক সাহায্যত নিৰ্মাণ কৰা হৈছে।

**পাঠভৱন ঃ** প্ৰথমে এই পাঠভৱনৰ নাম আছিল ব্ৰহ্মচৰ্যাশ্ৰম। এই ভৱনৰ বাৰাণ্ডাত থকা ছবিবোৰ আকিছিল শিল্পাচাৰ্য নন্দলাল বসুই।

**কলাভৱন আৰু সংগীত ভৱন ঃ** ১৯১৯ চনত সুৰেন্দ্ৰনাথ কৰ, আসিত হালদাৰ আৰু নন্দলাল বসুৰ উদ্যোগত কলাভৱন স্থাপিত হয়।

শান্তি নিকেতনৰ পৰা ওলাই আহোতে আমাৰ প্ৰায় ২.৩০ মান বাজিছিল। পুনৰ বলপুৰ ষ্টেচনলৈ গৈ আকৌ আমি ট্ৰেইনত উঠি এইবাৰ গ'লো কলকাতালৈ। আবেলি প্ৰায় ৬.০০ মান বজাত আমি

হাউৰা ষ্টেচনত নামিছিলো। সকলোৱে মিলি টেক্সি ল'লো; যাওঁতে আমাৰ হাউৰা দলংখন চাই খুবেই ভাল লাগিল। এই দলংখন ১৯৫৩ চনত স্থাপিত হৈছিল। এই দলংখন দীঘলে ৪৫০ মিটাৰ আৰু বহলে ৩০ মিটাৰ। আমি গৈ সকলোৱে এখন হোটেলত থকাৰ ব্যৱস্থা কৰা হ'ল। হোটেলখনৰ নাম আছিল ইণ্টাৰনেচ্নেল হোটেল।

৪ অক্টোবৰ বৃহস্পতিবাৰ। সকলোৱে ৰাতিপুৱা শুই উঠি গা-মুখ ধুই ইণ্ডিয়ান মিউজিয়াম চাবলৈ গ'লো। এই ভাৰতীয় সংগ্ৰহলটো ১৮১৪ চনত স্থাপিত হৈছিল। এইটোৱেই ভাৰতৰ ভিতৰত আটাইতকৈ ডাঙৰ মিউজিয়াম। এই মিউজিয়ামটো সোমবাৰে বন্ধ থাকে আৰো বাকী বাৰ কেইটাত ৰাতিপুৱা ১০.০০ বজাৰ পৰা আবেলি ৫.০০ বজালৈ খোলা থাকে। পৃথিৱীৰ সকলোবোৰ প্ৰজাতিৰ বান্দৰবোৰ দেখিলো। বান্দৰৰ পৰা কেনেকৈ মানুহৰ সৃষ্টি হ'ল, আদিম মানুহবোৰে ক'ত, কেনেকৈ জীৱন নিৰ্বাহ কৰিছিল আদিৰ বিষয়ে জানিব পাৰিছিলো।

তাৰ পিছত আমি গ'লো ভেক্টোৰিয়া মেমোৰিয়েললৈ। এই বুৰঞ্জীমূলক ডাঙৰ ঘৰটো ছাৰ টমাচ ব্ৰোক্তে ১৯২১ চনত ৰাণী ভেক্টোৰিয়াৰ স্মৃতিত সজাইছিল। ইয়াৰ নক্সা আছিল তাজমহলৰ নিচিনা আৰু ইয়াত সহায় কৰিছিল চাৰ উইলিয়াম ইম্পাৰচনে। এই ভেক্টোৰিয়া মেমোৰিয়েলটো সোমবাৰে বন্ধ থাকে আৰু বাকী বাৰত ৰাতিপুৱা ১০.০০ বজাৰ পৰা আবেলি ৫.০০ বজালৈ খোলা থাকে। ইয়াত আমি বুৰঞ্জীৰ বিষয়ে বহুতো কথা জানিব পাৰিছিলো। এই ভেক্টোৰিয়া মেমোৰিয়েলৰ সন্মুখত এটা পুখুৰী আছে। এই পুখুৰীটোৰ পাৰতে এখন ধুনীয়া পাৰ্ক আছে। ভেক্টোৰিয়া মেমোৰিয়েল চাই বহুত ভাল লাগিল।

এইবাৰ আমি আহিলো ব'টানিকেল গাৰ্ডেনলৈ। এই গাৰ্ডেনখন ১৭৮৬ চনত স্থাপিত হৈছিল। এইখনে পৃথিৱীৰ ভিতৰতে বিশাল উদ্যান হিচাপে দ্বিতীয় স্থান লাভ কৰিছে। ইয়াত এজোপা পৃথিৱীৰ ভিতৰত ডাঙৰ বৰ গছ আছে। এই উদ্যান আমাৰ ভালদৰে চোৱা নহ'ল কাৰণ সিদিনা নেৰা-নেপেৰা বৰষুণ দি আছিল। তথাপিও চাই বহুত ভাল লাগিল। এইখনো ৰাতিপুৱা ১০ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ খোলা থাকে।

৫ অক্টোবৰ শুক্ৰবাৰ। আন দিনাৰ দৰে ৰাতিপুৱা সোনকালে শুই উঠি গা-পা ধুই ব্ৰেকফাষ্ট কৰিলো। তাৰ পিছত আমি থকা হোটেলখনৰ মালিকে আমাক চাৰিখন গাড়ী ঠিক কৰি দিলে। আমি ৰাতিপুৱা ৫.৪৫ মান বজাত দীঘালৈ বুলি ৰাওনা হ'লো। দীঘা পাওঁতে আমাৰ প্ৰায় ১১ মান বাজিছিল। আমি সকলোৱে সাগৰত গা-ধূলো। প্ৰথমে আমি সাগৰৰ ঢৌবোৰ দেখি ভয় খাইছিলো। কিন্তু পিছত লাহে লাহে ভয় আঁতৰি গ'ল। আমাৰ খুব ভাল লাগিল আৰু আনন্দ উপভোগ কৰিলো। এই সাগৰখনৰ নাম আছিল বঙ্গোপসাগৰ। দীঘালৈ যাওঁতে-আহোতে New Bridge ওপৰেৰে আমি অহা-যোৱা কৰিছিলো। এই দলংখন ইমান ধুনীয়া দেখিলে কিবা আচৰিত লাগে। এই দলংখনৰ নাম বিদ্যা সাগৰ সেতু। এই দলংখন ১৯৯২ চনত স্থাপন কৰা হৈছিল। তাৰ পৰা উভতি আহোতে প্ৰায় নিয়া ৯ মান বাজিছিল।

৬ অক্টোবৰ শনিবাৰ। ৰাতিপুৱা সকলোৱে ৮ মান বজাত ওলাই আহিলো বজাৰ কৰা উদ্দেশ্যে। আমি সকলোৱে খোজকাঢ়ি গৈ এখন হোটেলত ব্ৰেকফাষ্ট কৰিলো। তাৰ পৰা বজাৰলৈ গৈ আমি সকলোৱে বজাৰ কৰিলো। বজাৰ কৰা হোৱাৰ পিছত একগোট হৈ ৰুমলৈ আহিলো। কাৰণ সিদিনা আছিল আমাৰ ঘৰলৈ উভতি অহাৰ দিন। সকলোৱে নিজৰ বই-বস্তু লৈ ষ্টেচনলৈ আহিলো। আমাৰ ৩.৫০ বজাত ট্ৰেইন আছিল। সকলোৱে আহি ট্ৰেনত উঠিলো আৰু ৰাতিপুৱা ৯.৩০ বজাত আমি মালিগাঁও ষ্টেচনত নামি সকলোৱে নিজৰ নিজৰ ঘৰলৈ ওভতি আহিলো।

এয়াই আছিল আমাৰ সকলোৰে ভ্ৰমণ কাহিনী। আমাৰ সকলোৰে বাবে সেই দিন কেইটি চিৰস্মৰণীয় হৈ থাকিব। লগতে ভ্ৰমণৰ সময়ত আমাক বিভিন্ন দিহা-পৰামৰ্শৰে সহায় কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।





# শিক্ষামূলক ভ্ৰমণ ঃ এটি অভিজ্ঞতা

✍ নাজমিনা ইয়াছমিন
স্নাতক দ্বিতীয় বৰ্ষ (চতুৰ্থ ষাণ্মাসিক)

মানুহৰ গতানুগতিক জীৱন যাত্ৰাত ভিন্নতা আনি জীৱনৰ অৱসাদ আঁতৰ কৰাত ভ্ৰমণৰ গুৰুত্ব অপৰিসীম। ভ্ৰমণৰ যোগেদিয়েই আমি আহৰণ কৰিব পাৰো নতুন অভিজ্ঞতা, নতুন শিক্ষা, নতুন জ্ঞান। সূত্ৰতকৈ কৰ্ম অভিজ্ঞতা শ্ৰেয়। বিশেষকৈ শিক্ষাৰ্থী জীৱনত ভ্ৰমণে অনাবিল আনন্দ প্ৰদান কৰাৰ লগতে মানসিক তৃপ্তি প্ৰদান কৰে। সেয়ে আজিকালি প্ৰায়ভাগ বিদ্যালয়, মহাবিদ্যালয়ে শিক্ষামূলক ভ্ৰমণ নামেৰে একোটা কাৰ্য্যসূচী ৰূপায়ণ কৰা দেখা যায়।


এনে উদ্দেশ্য আগত ৰাখিয়েই ২০১২ চনৰ জানুৱাৰী মাহৰ ১৩ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা বিনীতা দাস বাইদেউৰ তত্ত্বাৱধানত স্নাতক প্ৰথম ষাণ্মাসিকৰ 'শিক্ষা' বিষয়ৰ গুৰু পাঠ্যক্ৰম (Major)ৰ আমি আটাইকেইজন ছাত্ৰ-ছাত্ৰী গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীত অৱস্থিত বিভিন্ন আপুৰুগীয়া সামগ্ৰীৰ সংগ্ৰহালয় কলাক্ষেত্ৰলৈ ৰাওনা হৈছিলো। আমাৰ এই যাত্ৰাত সহকাৰী তত্ত্বাধায়িকা হিচাপে আছিল শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বীণাপানি তালুকদাৰ বাইদেউ, সহযোগী অধ্যাপিকা ড° পাৰুল দাস বাইদেউ, সহকাৰী অধ্যাপিকা বিনীতা দেৱী বাইদেউ আৰু বিশেষকৈ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ৰূপাঞ্জলী হাজৰিকা বাইদেউ। বাইদেউসকলৰ লগতে আমাৰ দলটোত মুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল। আমাৰ লক্ষ্য আছিল কলাক্ষেত্ৰ আৰু বিজ্ঞান সংগ্ৰহালয় দৰ্শন কৰা আৰু সেইসমূহ অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা।

আমাৰ এই শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ পূৰ্বে বাইদেউসকল তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আলোচনা হৈছিল। এই সন্দৰ্ভত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ পৰা আমি যথেষ্ট সঁহাৰি লাভ কৰিছিলো। ভ্ৰমণৰ ঠাই হিচাপে কলাক্ষেত্ৰ আৰু বিজ্ঞান সংগ্ৰহালয়লৈ যোৱাৰ সিদ্ধান্ত লোৱা হৈছিল। শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ হেঁপাহ পূৰ্ণ হ'ব বুলি আমি আটাইবোৰ বন্ধু-বান্ধৱীয়ে খুব আনন্দিত হৈছিলো।

অৱশেষত আমাৰ প্ৰতীক্ষাৰ অন্ত পেলাই সেই সুন্দৰ ৰাতিপুৱাটো আমাৰ মাজত আহি পৰিছিল। সেইদিনা আছিল ২০১২ চনৰ জানুৱাৰী মাহৰ ১৩ তাৰিখ, শুক্ৰবাৰ। ৰাতিপুৱা ৯ মান বজাত আমি আটায়ে আমাৰ সুৰেন দাস মহাবিদ্যালয়, হাজোত উপস্থিত হৈছিলো। তাৰ পিছত গুৱাহাটী অভিমুখে উইংগাৰেৰে যাত্ৰা আৰম্ভ কৰিছিলো। প্ৰায় ১০.৩০ মান বজাত আমি কলাক্ষেত্ৰত উপস্থিত হৈছিলো। তাৰ পিছত কলাক্ষেত্ৰৰ ভিতৰত প্ৰৱেশ কৰি প্ৰথমতে আমি আটায়ে ব্ৰেকফাষ্ট কৰিছিলো। মনত অশেষ আনন্দ অনুভৱ কৰিছিলো। তাৰ পিছত আমি আটায়ে কলাক্ষেত্ৰৰ ভিতৰত দৃশ্য পৰিদৰ্শন কৰাত ব্যস্ত হৈ পৰিছিলো। বাগিচাত ফুলি থকা বিভিন্ন ধৰণৰ মনমোহা ফুলৰ দৃশ্যই আমাক বাৰুকৈয়ে আপ্লুত কৰিছিল। তাৰ পিছত কেইবামহলীয়া সংগ্ৰহালয়ৰ ভিতৰত প্ৰৱেশ কৰি আমি সঁচাকৈয়ে নথৈ আনন্দিত হৈছিলো। তাত বিভিন্ন ধৰণৰ আপুৰুগীয়া সামগ্ৰী দেখা পাইছিলো। তাৰ ভিতৰত আছিল বাঁহ, বোকামাটি, গোবৰ, কাপোৰ, মৰাপাট আৰু ৰঙেৰে তৈয়াৰ কৰা উদ্ধৱ, যণ্ড, অমৰ্ক, দানৱ, যাদৱ সেনা আদিৰ মূৰ্তি। ইয়াৰোপৰি অসমীয়া সভ্যতাৰ সকলোৰে সমাদৃত পোছাক হিচাপে পৰিচিত পাট-সূতাৰে তৈয়াৰী চৰাইমুখি ৰিহা, মুগা সূতাৰ ৰিহা-মেখেলা, স্বাল, কপাহী মেখেলা, কাৰচিপি কৰা চাদৰ আদি সুন্দৰভাৱে সজাই থোৱা আছিল। আনহাতে অসমীয়া সাজপাৰৰ উপৰিও বিভিন্ন জনগোষ্ঠী আৰ্হিও প্ৰত্যক্ষ কৰিছিলো। আন আন বস্তুবোৰৰ ভিতৰত আছিল কুঁহিলাৰ বস্তু, হাতী দাঁতৰ সামগ্ৰী, তাঁতশাল, যঁতৰ, উঘা, চেৰেকী, বাদ্যযন্ত্ৰ, বৰতাল, পাতিতাল, পোৰা মাটিৰ টাইল, কাঠৰ সামগ্ৰী, বেতৰ হাত বিচনী, ভীমে পইতা ভাত খোৱা চৰিয়া আদি চাই আনন্দিত হৈছিলো। লগতে "সুন্দৰীদিয়া সত্ৰৰ পৰা সংগৃহীত" শ্ৰীশ্ৰীমাধৱদেৱৰ বাহৰ দুৱাৰখনো দেখিবলৈ পাইছিলো। তাৰপিছত আমি ড° ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ৰ পিনে ঢাপলি মেলিছিলো। সংগ্ৰহালয়ত সোমোৱাৰ আগমুহূৰ্তত সংগ্ৰহালয়ৰ বেৰত লগাই থোৱা স্পীকাৰৰ পৰা ভাহি অহা স্বৰ্গীয় ড° ভূপেন হাজৰিকাদেৱৰ যুগজয়ী সুমধুৰ সঙ্গীতৰ সুৰধ্বনিয়ে আমাক আপ্লুত কৰি তুলিছিল। তাৰ পিছত আমি আটায়ে ভিতৰত প্ৰৱেশ কৰিছিলো। তাত তেওঁ লাভ কৰা বিভিন্ন বঁটা আৰু সম্বৰ্ধনাৰ লগতে ড° হাজৰিকাদেৱৰ চিতাভস্ম, গ্ৰামোফোন কোম্পানী ইণ্ডিয়া লিমিটেডৰ দ্বাৰা প্ৰাপ্ত সোণৰ গ্ৰামোফোন ৰেকৰ্ড, তেখেতৰ মূল্যৱান টুপীটো, শয়ন কক্ষৰ চানেকী, চ'ৰা ঘৰৰ চানেকী ইত্যাদি দৰ্শন কৰি অতিশয় আনন্দিত হৈছিলো।

তাৰ পিছত কলাক্ষেত্ৰ দৰ্শনৰ অন্তত এইবাৰ যাত্ৰা আৰম্ভ কৰিছিলো বিজ্ঞান সংগ্ৰহালয়লৈ। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰৰ সন্মুখত অৱস্থিত বিজ্ঞান সংগ্ৰহালয়। আমি প্ৰায় ৩ মান বজাত বিজ্ঞান সংগ্ৰহালয়ত উপস্থিত হৈছিলো।

তাতেই কেণ্টিনত আমি আটায়ে মিলি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলো। তাৰ পিছত আমি আটায়ে ভিতৰত প্ৰৱেশ কৰি তাত থকা বিজ্ঞানৰ আৱিস্কৃত বিভিন্ন আহিলা-পাতিসমূহ প্ৰত্যক্ষ কৰি উৎফুল্লিত হোৱাৰ লগতে বিস্ময়ত আচম্ভিত হৈ গৈছিলো। তদুপৰি আমি কিছুমান বস্তু হাতেৰে স্পৰ্শ কৰি চাই অতিশয় আনন্দিত হৈছিলো। তাৰ ভিতৰত জলকুঁৱৰী, শক্তিবল, Video Spinner, Chaotic Ball, Acrobatic Stick, পেৰিস্কোপ, কুকুৰা পোৱালিৰ ভ্ৰূণীয় বিকাশ, Darwin Drama, কয়লাখনি, Spining Egg, Virtual Drum আদিয়ে বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। সেই মুহূৰ্তত আমাৰ উপলব্ধি হৈছিল যে বিজ্ঞান প্ৰযুক্তি বিদ্যাই যে মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ লগতে মানৱ সভ্যতাক উন্নতিৰ শিখৰত আৰোহণ কৰাইছে তাত কোনো সন্দেহ নাই। বিজ্ঞান সংগ্ৰহালয়ত বিজ্ঞানৰ বিভিন্ন সঁজুলিসমূহ প্ৰত্যক্ষ কৰি সঁচাকৈয়ে আনন্দিত হৈছিলো। এনে লাগিছিল যেন তাত থকা বিজ্ঞানৰ বস্তুসমূহ আৰু অলপ সময় প্ৰত্যক্ষ কৰিম। কিন্তু লাহে লাহে গধূলি হৈ আহিছিল আৰু আমি বিজ্ঞান সংগ্ৰহালয়ৰ পৰা বিদায় লৈ ঘৰমুখে যাত্ৰা আৰম্ভ কৰিছিলো। সন্ধিয়া প্ৰায় ৭ মান বজাত ঘৰ আহি পাইছিলো। এক ভাগৰুৱা অৱসাদে দেহ আৱৰি ধৰিছিল যদিও মন ভৰি আছিল পূৰ্ণতাৰে। দুচকুত বাৰে বাৰে ভাঁহি উঠিছিল অপূৰ্ব কলাক্ষেত্ৰ আৰু বিজ্ঞান সংগ্ৰহালয়ৰ বিভিন্ন ধৰণৰ বিস্ময়কৰ সঁজুলিসমূহ।❑







# নীলা খামৰ চিঠি

✍ ৰিংকু আহমেদ
প্ৰাক্তন ছাত্ৰ

মৰমৰ 'মান'

মৰম ল'বা। তোমালৈ বুলি মৰম যঁচাৰ অপৰাধকণ কৰিব পাৰোনে? মুখেৰে ক'বলৈ বিচৰা কথাবোৰ শুনিবলৈ নিবিচাৰিলেও হয়তো মামৰে ধৰা কলমে কিবা ক'ব। আশা কৰো ধৈৰ্য্য সহকাৰে পঢ়িবা।

মান,

যিদিনা প্ৰথম তোমাৰ মৌ-সনা মুখখন, সাগৰ নীলা চকুযুৰিলৈ চাইছিলো ঠিক সেইদিনাৰ পৰা তুমি মোৰ মন আকাশত লুকাভাকু খেলি আছা। মোৰ বিষয়ে তোমাৰ ধাৰণাটো কেনেকুৱা সেইটো কেৱল তুমিহে জানা। কাৰণ এতিয়ালৈকে সামান্য সৌজন্যতামূলক শব্দ এটাও কিজানি মই তোমাৰ লগত বিনিময় কৰা নাই। তোমাৰ সান্নিধ্য পাবলৈ যে মোৰ মন অনবৰতে ব্যাকুল হৈ থাকে। মোৰ মনৰ সৰু বাগিচাখনত তুমিয়ে সিঁচিছিলা শেৱালী কোমল প্ৰেমৰ বীজ। এতিয়া প্ৰেমৰ সেই বীজবোৰ ডাঙৰ হ'বলৈ ধৰিছে। এই প্ৰেমৰ গছবোৰত ফুলি থাকিবলৈ দিবানে আশাৰ ৰং বিৰং ফুলবোৰ? ফুল ফুলি থাকিলে মন ভাল লাগে। আৰু তুমি যেতিয়া ফুলবোৰ ছিঙি থৈ যোৱা......' একেবাৰে উদং হৈ ৰয় জানা মোৰ এই প্ৰিয় বাগিচাখন।

'মান',

সাগৰ দেখিছানে? নিশ্চয় দেখা নাই। মইয়ো দেখা নাই। তথাপিতো মোৰ তাৰ বিষয়ে অলপ অভিজ্ঞতা আছে। সন্ধিয়া যেতিয়া সাগৰত জোৱাৰ উঠে তেতিয়া বিশাল ঢৌবোৰে পাৰত থকা শিলবোৰক ওঠৰ পৰশ দিবলৈ হেতা-ওপৰা লগায়। কিন্তু ৰাতিপুৱা চাবা সেই ঢৌবোৰেই দুৰ্ভগীয়া শিলবোৰক নিসংগ কৰি বহু দূৰলৈ গুচি যায়। সেইবোৰ শিলৰ দুখ-বেদনা জানো কোনোবাই বুজি পায়? এনেকৈ তুমি মোক নিসংগতাৰ পথলৈ দলিয়াই নিদিবাদে মান। মই তোমাক ভীষণ ভাল পাওঁ। ভীষণ......। হয়তো সঠিককৈ ক'ব নোৱাৰিম। বুকুফালিটো দেখুওৱাব নোৱাৰো তোমাৰ বাবে থকা মৰমখিনি; তুমি বুজিবলৈ চেষ্টা কৰিবা দেই। ধৰ্মৰ ভয়ত তুমি আঁতৰি নাথাকিবা। কোনেও জনা নাছিল শিশু অৱস্থাত কাৰ কি ধৰ্ম আছিল। ডাঙৰ হোৱাতহে গম পালো কাৰ কি ধৰ্ম। এই ধৰ্মবোৰ মানুহে বনাইছে। কাৰণ সকলোৱে জানে বিশ্বব্ৰহ্মাণ্ডৰ মালিক এজন।

কোনেও দিব নোৱাৰে তোমাৰ-মোৰ মাজত থকা মৰমবোৰ। আৰু হয়তো এইটো নহ'বও পাৰে, মইহে ভাবিছো এনেকৈ। তুমি নাভাবিব পাৰা। এনেকুৱাও হ'ব পাৰে তুমি হয়তো মোক আৰু মোৰ ভালপোৱা বুজিবলৈ বহুত কম সময় হ'ল। এটা কথা জানা মান, প্ৰেমৰ নিৰ্ভেজাল, স্বচ্চ আনন্দই মানুহক উচ্চস্তৰলৈ লৈ যাব পাৰে। কিন্তু ইয়াৰ ব্যতিক্ৰম হ'লে লক্ষ্যয়েই সলনি হয়। মৰমৰ স্পৰ্শত প্ৰেমো আবেদনময়ী হৈ উঠে। জীৱনৰ লালসাই বাৰে বাৰে হাত মেলে জীয়াই থকাৰ আনন্দক পাবলৈ। কিন্তু কেতিয়ালৈ? যেতিয়ালৈ জীৱন পাৰঘাটত সহায়-সহযোগ কৰা সুহৃদয়জন থাকে তেতিয়ালৈ, নহয় নে?

সেয়ে নালাগে তুমি মোক ভাল পাব। নালাগে তুমি মোক মৰম দিব। তুমি মাথো কুশলে থাকা। হাঁহি থাকিবা, মন বেয়া কৰি নাথাকিবা। তুমি হাঁহি থকা গম পালে মোৰ ভাল লাগিব। কেতিয়াবা ক'ৰবাত দেখিলে মাতিবা, যদি মন কৰা এসময়ৰ চিনাকী বুলি অন্ততঃ। বাৰু এতিয়া তুমি ভালে আছাটো.......? মোক নোসোধা মই কেনে আছো.......!

প্ৰান্তত —

তোমাৰেই

'মই'

# মাতৃ স্নেহ

✍ শ্ৰীসংগীতা দাস
স্নাতক দ্বিতীয় বাৰ্ষিক, চতুৰ্থ ষাণ্মাসিক

সোণজনীয়ে আজি অতীতৰ কথাবোৰকে ভাবি আছিল। জন্ম হোৱাৰ পৰাই দুৰ্ভাগ্যই তাইৰ পিছ এৰা নাছিল। সৰু কালতে মাক-দেউতাক ঢুকোৱাত আইতাকৰ লগত থাকিয়েই তাই ডাঙৰ-দীঘল হৈছে। আজি সেই কথাটো তাইৰ বৰকৈ মনলৈ আহিছে। তেৰ বছৰ বয়সতে আইতাকে তাইক কাকুমণিৰ লগত বিয়াপাতি দিছিল। কাকুমণিক ঘৰত মণি বুলিলেই মাতিছিল। মণিৰ বয়স তেতিয়া প্ৰায় দুকুৰি বছৰ হৈছিল। মণিয়ে কিন্তু তাইক বৰ মৰম কৰিছিল।

বিয়াৰ তিনি বছৰ পিছতে উৎপলৰ জন্ম হ'ল। সি দেখাত হুবহু মণিৰ দৰেই। তাই গোটেই দিনটো কেঁচুৱাটোৰ লগতে ব্যস্ত হৈ থাকে। মণি যেতিয়া কাৰখানাৰপৰা উভতি আহে তেতিয়া উৎপলে 'পাপা, পাপা' কৈ তাৰ ওচৰলৈ দৌৰি আহে। মণিয়েও তাক কোলাত তুলি লয়। এইদৰে সময়বোৰ ভালদৰে পাৰ হৈছিল।

কিন্তু ভাগ্যই এইবিলাক নসহিলে। সেইদিনা আন দিনাতকৈ ঠাণ্ডা অলপ বেছি আছিল। মণিৰ জ্বৰ হৈ থকা সত্ত্বেও সি কামলৈ গৈছিল। সন্ধিয়া যেতিয়া উভতিছিল তেতিয়া তাৰ শৰীৰৰ উত্তাপ অত্যন্ত বেছি হৈছিল। সোণজনীয়ে ডাক্তৰক ঘৰলৈ আনিবলৈ পাৰে মানে চিকিৎসা কৰিছিল। কিন্তু জ্বৰৰ কোনো পৰিৱৰ্তন নহ'ল। চাৰিদিন নবীয়াপাটিত পৰি থাকি মণিয়ে ইহ সংসাৰৰ পৰা বিদায় মাগিলে। সোণজনী আৰু উৎপলক এই সংসাৰ যুঁজত যুঁজিবলৈ অকলে এৰি থৈ গ'ল। মৃত্যুৰ সময়ত মণিয়ে কৈ গৈছিল তাইক— "মই যাওঁ, উৎপলক ভালদৰে পঢ়াই-শুনাই মানুহ কৰিবা, সিয়ে তোমাক চাব।"

সোণজনীৰ এতিয়া অ'ত-ত'ত কাম কৰি খোৱাৰ বাহিৰে অন্য উপায় নাই। তাই কিন্তু ভাগৰি নপৰিল। মণিৰ শেষ কথাষাৰ সোঁৱৰণ কৰি তাই উৎপলক স্কুলত নাম লিখাই দিছিল। উৎপলো পঢ়া-শুনাত বৰ চোকা আছিল। সকলো পৰীক্ষাতে সি সদায় প্ৰথম স্থান অধিকাৰ কৰিব পাৰিছিল।

সময়ত উৎপলে মেট্ৰিক পাছ কৰিলে। সেইদিনা তাইৰ যে কিমান আনন্দ লাগিছিল। উপযুক্ত বয়সত সোণজনীয়ে উৎপলৰ বিয়াপাতি দিলে। বোৱাৰীজনীও দেখিবলৈ বৰ মৰমীয়াল আছিল। উৎপলৰ চাকৰি এটাও হ'ল, ৰেলৰে বিভাগত। আহ্ তাইৰ যে কিমান স্ফূৰ্ত্তি! কিছুদিনৰ পৰা সোণজনীয়ে মাধৱ মন্দিৰত এটা কাম পাইছিল। মন্দিৰটো চোৱা-চিতা, চাফ-চিকুণ কৰিব লাগে। মন্দিৰৰ পৰা কাম কৰি উভতি আহোতে সিদিনা সোণজনীৰ অলপ পলম হৈছিল। প্ৰথমবাৰৰ বাবে উৎপল আৰু বোৱাৰীয়েকে তাইক সিদিনা বেয়াকৈ কৈছিল—"মা, এইটো ভাল কথা হোৱা নাই। তুমি গোটেই দিনটো মন্দিৰতে থাকা আৰু সন্ধিয়াও ইমান পলমকৈ ঘৰলৈ আহা। মানুহে নানা কথা কয়"। তাই একো মাতিব পৰা নাছিল। বাধা দিওঁ বুলিও সজোৰে ওলাই অহা চকুপানীবোৰ তাই বাধা দিব নোৱাৰিলে। তাইৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। সেইদিনা গোটেই ৰাতিটো সোণজনীয়ে কান্দিয়ে কটালে আৰু মন্দিৰলৈ যোৱাটো বন্ধ কৰিলে।

সোণজনীৰ প্ৰতি পো-বোৱাৰীৰ ব্যৱহাৰ দিনক দিনে বেয়া হৈ আহিছিল। একমাত্ৰ পুত্ৰ উৎপলক সুমতি দিয়াৰ কাৰণে সোণজনীয়ে মাধৱ মন্দিৰত এখন শৰাই দিম বুলি মানস কৰিছিল। সেইদিনা আছিল পূৰ্ণিমা তিথি। মানস কৰা শৰাইখন দিওঁ বুলি সোণজনী সিদিনা মন্দিৰলৈ গৈছিল। আহি ঘৰত সোমাব নৌপাওতেই উৎপলে বিভিন্ন কটু বাক্য-বানেৰে তাইক থকা-সৰকা কৰি ঘৰৰ পৰা উলিয়াই দিছিল। সেইদিন ধৰি সোণজনীয়ে আৰু সেইখন ঘৰত সোমোৱা নাছিল। মন্দিৰৰ কামতে পুনৰ যোগ দি তাই জীৱিকাৰ পথ মোকলাইছিল। মন্দিৰৰ পৰিচালনা সমিতিয়ে তাইক থাকিবলৈ মন্দিৰৰ চৌহদতে কোঠা এটাও দিছিল। ভাত-কাপোৰখিনিক লৈ তাইৰ অকলশৰীয়া জীৱন সুন্দৰকৈ অতিবাহিত হৈছিল। কেৱল উৎপলৰ কাৰণে তাইৰ মনটো একোবাৰে কান্দি উঠিছিল।

আজি তাইক মণিয়ে কৈ যোৱা কথাষাৰ বাৰে বাৰে মনলৈ আহিছিল—"উৎপলক ভালদৰে পঢ়াই-শুনাই মানুহ কৰিবা, সিয়ে তোমাক চাব।" তাই ভাবি পোৱা নাই উৎপলক পঢ়াই-শুনাই ভাল মানুহ কৰিবলৈ যাওঁতে তাইৰ ক'ত ভুল হৈ গ'ল। মণি জীয়াই থাকিলে এই কথা হয়তো সুধিলেহেঁতেন। কিন্তু........।

হঠাতে কাৰোবাৰ মুখৰ পৰা সোণজনীয়ে শুনিবলৈ পালে উৎপলক গাড়ীয়ে খুন্দিয়াইছে। তাৰ কপাল ফাটি বহুত তেজ ওলাইছে। চৰকাৰী চিকিৎসালয়ৰ ডাক্তৰে কৈছে উৎপলক তেজৰ প্ৰয়োজন।

আনহাতে উৎপলৰ তেজৰ গ্ৰুপৰ লগত মিলা তেজ কোনো বিচাৰি পোৱা নাই। তাইৰ সৰ্বশৰীৰ জিকাৰ খাই উঠিল। উৎপলৰ তেজৰ গ্ৰুপ 'নিগেটিভ'। আগতেও উৎপলক এবাৰ তেজ দিবলগীয়া হোৱাত বৰ সমস্যাৰ সৃষ্টি হৈছিল। শেষত আন ক'তো নোপোৱাত দিবৰ পৰা অৱস্থা নথকা সত্ত্বেও সোণজনীয়ে নিজৰ শৰীৰৰ পৰা তেজ দি তাক বচাইছিল। সোণজনীৰ তেজৰ গ্ৰুপ উৎপলৰ লগত একে। কথাটো ভাবি মূৰটো ঘূৰাই গ'ল সোণজনীৰ। কি কৰা যায় এতিয়া। তাইয়েই তেজ দি বচাব লাগিব উৎপলক। উধাতু খাই গৈ তাই বিছনাৰ তলত সোমাই থোৱা মোনাখনৰ পৰা খুচুৰি খুচুৰি চাৰিশ টকা উলিয়ালে। বহুদিনৰ পৰা জমা কৰি ৰাখিছিল সেই কেইটা উৎপলৰ ল'ৰা-ছোৱালী কিবা এটা উপজিলে সোণৰ কিবা গঢ়াই দিয়াৰ মনেৰে। চাদৰৰ আঁচলত টকা কেইটা বান্ধি লৈ চৰকাৰী চিকিৎসালয়লৈ বুলি দৌৰ মাৰিলে। উধাতু খাই দৌৰোতে ভৰিত ক'ত কেইটা উজুটি লাগিছে ক'ব নোৱাৰে তাই। চিকিৎসালয়লৈ যোৱাৰ আগৰ পৰাই ভয় আৰু শোকে তাইৰ বুকুখনত হেঁচা মাৰি ধৰিলে। দূৰৰ পৰাই সোণজনীয়ে চিকিৎসালয়ৰ সন্মুখতে বগা কাপোৰেৰে ঢাকি ৰখা মৰাশ এটা দেখিলে। চাৰিওফালে মানুহ। তাৰ মাজতে বোৱাৰীয়েকৰ হিয়া ভগা বিননি এটা শুনি তাইৰ বুকুখন চিৰিংকৈ গ'ল। গাটো কঁপিব ধৰিলে। মূৰটো আচন্দ্ৰাই কৰিলে। ঢলং পলং কৈ আৰু দুটা মান খোজ দি গৈ তাই আৰু আগুৱাব নোৱাৰিলে। মাটিত বাগৰি পৰিল। তাৰ পিছত আৰু কি হ'ল তাই নাজানে। ইতিমধ্যে বগা কাপোৰেৰে ঢাকি ৰখা উৎপলৰ মৰাশটো লৈ মানুহবিলাকে 'হৰি বোল, বোল হৰি' বুলি তাইৰ কাষেৰে পাৰ হৈ গ'ল ওচৰৰ গাঁওখনলৈ। ❑



# পৃথিৱী মোৰ কবিতা

কলম মোৰ কমাৰৰ হাতৰ হাতুৰি, ভাঙি-পিটি গঢ়ি লওঁ শব্দ,
খেতিয়কৰ ফাল যেন চোকা, সীৰলুত সোণৰ সীতা,
মিস্ত্ৰিৰ কৰত যেন ৰূঢ়
কঠিন কাঠৰ আঁহ ফালি টানি আনো
অভিজ্ঞতাৰ তেজ লগা শব্দ, চাওঁতাল মৰদৰ ধনুৰ কাড় যেন
লক্ষ্যভেদী একো একোটা শব্দ মোৰ
ৰক্ত-মাংস-ইচ্ছাত তীব্ৰ হৈ উঠে,
সিহঁতৰ কোনোটো পৰ্বতৰ দৰে উদ্ধত,
কোনোটো নদীৰ দৰে নত, আৰু কোনোটো বা হ্ৰদৰ দৰে গম্ভীৰ,
কাৰো কথাত উঠা-বহা নকৰে।

নদ-নদী-পৰ্বত বিচিত্ৰ বিপুল মহাদেশৰ মই কবি,
পৃথিৱী মোৰ কবিতা।



# সূৰ্যোদয়

✍ মুকতাৰ হুছেইন
সহকাৰী অধ্যাপক, আৰবী বিভাগ

তেজৰ চেঁকুৰা জিলিকে
ৰক্তিম আভাত
অস্তমিত ৰবিৰ।
কংস ওলোৱা ৰাতি
তেজপিয়া মানুহ, ........ আৰু
গুপ্তঘাটকৰ হাতত
মৃত্যুৰ অনুজ্ঞা পত্ৰ,
তজবজীয়া অপৰাধী।
সময়,
সুৰুয লুকাই মেঘৰ আঁৰত
এমুঠি আশাৰ মেটমৰা
বোজা লৈ।
সময় পলায়ন কৰে
দিনবোৰেও
ৰাতিৰ বেশত
কিমান যে কৰিব
সংগ্ৰাম।
তমসাৰ বুকুত
অধীৰ অপেক্ষাৰত
সময় নৱসূৰ্যোদয়ৰ......।

●●●

# ছায়া ছবি

✍ আৰজুল আহমেদ

কোনোফালে পোহৰ নাই
আন্ধাৰে গিলিছে পৃথিৱী

দিনৰ ভাগৰবোৰ সামৰি থৈ
সকলো মানুহ টোপনিত লালকাল।

স্বপ্নীল কোমল পালেঙত
কিয় মোক শুৱাই থ'ব পৰা নাই
ৰাতিটোৱে
সৰ্বত্ৰ এক মায়াৱী ছায়া
এক মায়াময় ছবি
ফুচফুচ কথাৰ আমনিয়ে
মোক শুব নিদিয়ে।

●●●

# শৰৎ

✍ শ্ৰীশ্যামল কুমাৰ দাস
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি আহিছা
কহুঁৱা ফুলিছে
তুমি আহিছা
নিয়ৰ সৰিছে
তুমি আহিছা
হৃদয় গলিছে
তুমি আহিছা বাবেই
মোৰ জাহ যাবলৈ মন গৈছে
তোমাৰ বুকুত........।

●●●

# আঘাত

✍ ৰফিকুল ইছলাম
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি মোৰ অন্তৰৰ প্ৰেয়সী
কিয় দিলা তুমি মোৰ অন্তৰ ভাঙি
সাঁচিছিলো তোমাক লৈ বহুতো আশা
ভাবিছিলো দিনে-নিশাই তোমাৰ কথা।

আঘাত দিলা তুমি মোৰ সেই আশাত
নিলা তুমি মোক নিৰাশাৰ বাটত
কৈছিলা তুমি মোক ৰুবলৈ প্ৰেমৰ বীজ
মোৰ হে অন্তৰত।

নিজেই সৃষ্টি কৰিলা বানপানী
তুমি মোৰ এই অন্তৰত
ধৰ্ম-সন্মানৰ ভয়ত গুচি গলা
তুমি মোৰ এই অন্তৰৰ পৰা
অকলশৰীয়া কৰিলা তুমি মোক
এই ভয়াবহ বৃহৎ পৃথিৱীত।

তোমাক পোৱাৰ আশা এৰি মই পিছ পৰিলো
মৃত্যুক আঁকোৱালি ল'বলৈ মই আগবাঢ়িলো।

●●●

# হাজো পঞ্চতীৰ্থ

✍ মঃ ৰাজু আহমেদ
স্নাতক তৃতীয় বৰ্ষ

পঞ্চতীৰ্থ পঞ্চতীৰ্থ হাজো পঞ্চতীৰ্থ
আমাৰ মাজত ইয়াত নাই কোনো স্বাৰ্থ।
সকলোৱে ভাই ভাই থাকো মিলিজুলি
নাই কোনো হিংসা ভাই মন খোলা-খুলি।।

মছজিদ আছে মন্দিৰ আছে নামঘৰো আছে
হাজাৰ মানুহৰ বাহুত অযুত সাহস আছে
আছে পুখুৰী নিজৰাও আছে
মাধৱৰ পুখুৰীত মাছ, কাছও আছে।।

পাহাৰৰ ওপৰত পোৱামক্কা আছে
অসমৰ চুকে-কোণে হাজোৰ নাম আছে
মাধৱ মন্দিৰও পাহাৰতে আছে
পোৱামক্কাৰ কাযতে কেদাৰ মন্দিৰ আছে।।

চাব লগা বহুত আছে হাজোলৈ এবাৰ আহা
হিন্দু-মুছলিম সকলোৱে মিলিজুলি থাকো আহা।।


●●●





# বেদনাৰ স্মৃতি

✍ শ্ৰীচুমি মালাকাৰ
স্নাতক প্ৰথম ষাণ্মাসিক



এদিন আহিছিলা তুমি
মোৰ জীৱনলৈ
মোৰ সুখ-দুখৰ
সমভাগী হ'বলৈ।
পাইছিলো তোমাক
অচিনাকী ঘাটত
মোৰ এই যাযাবৰী
জীৱনৰ বাটত।
মোক তুমি
তোমাৰ বুকুৰ আপোন কৰি
সিচি দিলা মোৰ
দুচকুত অযুত ৰঙীন স্বপ্ন।
এদিন তুমি কৰিছিলা প্ৰতিজ্ঞা
বহি স্নিগ্ধ জোনাকত
প্ৰতিশ্ৰুতি দিছিলা তুমি
আজীৱন থাকিম তোমাৰ ওচৰত,
কিন্তু আজি প্ৰতিজ্ঞা, প্ৰতিশ্ৰুতি
কিয় গলা পাহৰি?
ভালপোৱাক ভৰিৰে মোহাৰি
মোক এৰি গলা আঁতৰি
এবাৰো নাভাবিলা কিয়
মোৰ জীৱনৰ কথা
এবাৰ নুবুজিলা কিয়
মোৰ হৃদয়ৰ ব্যাথা।
এতিয়াহে বুজিলো
প্ৰেম-ভাল পোৱা সকলো দুঃস্বপ্ন মাথো
আজিৰ আধুনিক সভ্যতাত
প্ৰেমৰ অৰ্থ মাথো মৰীচিকা।

●●●

# ভগ্ন হৃদয়

✍ মইদুল ইছলাম
স্নাতক তৃতীয় ষাণ্মাসিক

তুমি এৰি দিলা মোক গভীৰ সাগৰত,
ভাঁহিল চিৰকাল এই দুখৰ সাগৰত।
দুখৰ ঢৌ আহি মোক নিব ইপাৰ-সিপাৰলৈ
তথাপিও জীয়াই থাকিম তোমাৰ সপোনলৈ।
দুখেৰে ভৰা এই অসহায় কষ্টকৰ জীৱন
কেনেকৈ খোজ দিম পিছৰ জীৱনলৈ।
কিয়বা আহিছিলা জীৱন সংগী হৈ
কিয়বা গুচি গলা আনৰ হাতলৈ
প্ৰেমৰ জ্বালাত মোক বন্দি কৰি থৈ।
হাজাৰ প্ৰলয় বা ধুমুহা আহক
আশাত থাকিম তোমাৰ আপোন হ'বলৈ
মোৰ চকুলোৰে বুকুত সাগৰ বৈ যায়
তথাপিও কিয় তোমাৰ হিয়া নুজুৰায়।
মই এৰিব নোৱাৰো মই ধৰিব নোৱাৰো
থাকো মাথো জীয়াই অতীতৰ সপোন চাই।

●●●

# দিশহাৰা জীৱনত তুমি.....

✍ চাৰ্জিদা বেগম
স্নাতক তৃতীয় বৰ্ষ

দিশহাৰা জীৱনলৈ
আহিলা তুমি অজানিতে
অচিনাকি তুমি মোৰ প্ৰতি
চিনাকি হৈ দিলা সাহস
জীৱন সংগ্ৰামত আগুৱাবলৈ।

তোমাক পাই জীৱনৰ কোবাল নদীত
বলিছে এতিয়া আশাৰ মলয়া
উন্মনা মনে আঁকিবলৈ লৈছে
ৰঙীন সপোন।

সঙ্গী হৈ আহিলা নিসঙ্গতাৰ পলত
গোপনে নামিছে হৃদয়ত সেউজী ধৰা
অনুৰাগৰ ৰাগিনী বাজিছে
ৰিঙা ৰিঙা মনত।

হৃদয়ৰ কামনা
থাকে যেন চিৰযুগমীয়া হৈ
তোমাৰ প্ৰেৰণা,
প্ৰতিজ্ঞা ৰাখিবা তুমি নিদিও বুলি।

মোৰ দুচকুত ব'বলৈ অশ্ৰুধাৰা
আৰু নানিবা কেতিয়াও
মোৰ বুকুত বিষাদৰ ধুমুহা
মোৰ হৃদয় তেনেই ঠুনুকা।

●●●

# নিসংগী জীৱনৰ ক্ৰন্দন

✍ চজিদুৰ ৰহমান
স্নাতক প্ৰথম ষাণ্মাসিক

বহুদিন হ'ল এইদৰে
আৰু কিমান ঘূৰিম
জোনাকৰ সন্ধানত।
তুমি দেখিছানে মোক?
মই একো দেখা নাই
এই গভীৰ অমানিশাৰ মাজত।
আৰুনো কিমান সহিম
আশাহীন দ্বীপত
নিসংগতাৰ বেদনা।
কেতিয়া লগ দিবা
জোনাক হৈ বাস্তৱত
আঁতৰাই জীৱনৰ অমানিশা।।

●●●

# তোমাক পাহৰিব নোৱাৰো

✍ আবুবক্কৰ আলী
স্নাতক প্ৰথম ষাণ্মাসিক

তোমাক পাহৰিব নোৱাৰো
পাহৰিব নোৱাৰো
হেৰায় যোৱা দিন-ৰাতিবোৰ
স্বপ্ন-দুস্বপ্নৰ ক্ষণবোৰ।
ভাল পাবলৈ হয়তো বহুতে বিচাৰে
ময়ো বিচাৰো
তুমি ভুল নুবুজিবা
কিয়নো মই সদায়
তোমাৰ হৈ থাকিব বিচাৰো।

●●●





# অৰ্থহীন স্মৃতি

✍ ফাৰুকুদ্দিন আহমেদ
স্নাতক প্ৰথম বৰ্ষ

বৰফ শীতল বুকুত উন্মতা বিচাৰি
তাই ঘনকৈ অহা-যোৱা কৰিছিল
মোৰ দুবাহুৰ মাজলৈ।
মোৰ কামিহাড়ৰ সুৰঙ্গত মুখ গুজি
তাই বিচাৰি পাইছিল
জীয়াই থকাৰ অযুত প্ৰেৰণা
আৰু তেতিয়া
মই বিচাৰি পাইছিলো নিজৰ অস্তিত্ব।
কঠিন শিলৰ মাজেৰে বৈ অহা
স্ফটিক পানীৰ ধাৰাই
ধুই পেলাইছিল তাইৰ সাতোৰঙী কলিজা।
অন্য দহোজনীৰ দৰে
হাজোৰ আলিয়ে-গলিয়ে
উন্মোক্ত বুকু উদঙাই ফুৰা তাই
ভেনাচ অথবা ছেৰেনা উইলিয়ামছ নহয়
তথাপি........
তাইৰ হেঁপাহৰ ৰঙীন বানে
জীপাল কৰি তুলিছিল মোৰ
শেঁতা পৰা কলিজা।

●●●

# নিস্তব্ধ নিশা কোন সাৰে আছে?

✍ আৰ্জিনা বেগম
স্নাতক প্ৰথম বৰ্ষ

নিস্তব্ধ নিশা
সকলো টোপনিত লালকাল
গছ-লতাকেইজোপাও যেন ঢলি পৰিছে
নিদ্ৰাদেৱীৰ শীতল কোলাত।
চৌদিশে বিৰাজমান নিশাৰ অন্ধকাৰ
দূৰৰ তৰাবোৰৰ তিৰ্‌বিৰ্ পোহৰে
পাৰিছেনে আঁতৰাব
এই জোন বিহীন নিশাৰ এন্ধাৰ?
নাই পৰা
নোৱাৰে সিহঁতে
কণ কণ জোনাকী পৰুৱাকেইটিৰ আপ্ৰাণ চেষ্টা
আন্ধাৰ আঁতৰাই পোহৰ বিলাবলৈ
কিন্তু সেয়াও যেন নিস্ফল।
এই অন্ধকাৰ নিশাৰ নিস্তব্ধতা ভেদ কৰি
হঠাৎ শুনা গ'ল
দূৰণিৰ পৰা ভাঁহি অহা এক কৰুণ বিননি।
এই বিননি কাৰ?
সন্ত্ৰাসৰ কবলত পুত্ৰ হেৰুওৱা
এক অভাগিনী মাতৃৰ!
যাৰ চকুৰ পৰা চিৰদিনৰ বাবে
হেৰাই গ'ল সুখৰ নিদ্ৰা।

●●●

# মহান সুধাকণ্ঠ

✍ কমলা দাস
স্নাতক দ্বিতীয় বৰ্ষ (চতুৰ্থ ষাণ্মাসিক)

হঠাৎ এজাক ধুমুহাৰ আগমন হ'ল
অসমবাসীৰ মূৰত সৰগ ভাঙি ৰ'ল
নয়নৰ অশ্ৰুধাৰেৰে বাট নেদেখা হ'ল।
অসমৰ পুত্ৰ
অসমী আইৰ বুকু শুদা কৰি
আমাৰ ভূপেন মামা আঁতৰি গ'ল
অগ্নিযুগৰ ফিৰিঙতি নুমাই গ'ল আজি
দি গ'ল এটি বিৰাট যুগৰ সম্ভেদ
এটি বিৰল ইতিহাসৰ টোপোলা।
অসম ৰসাতলে গ'ল বুলি
কোনে আজি চিঞৰিব
দেশ গ'ল গ'ল বুলি
কোনে আজি সোঁৰৰাব!
হে অসমীয়া,
আমি যুজিব লাগিব
আমি জিনিব লাগিব
ভেদা-ভেদৰ প্ৰাচীৰ ভাঙি
গঢ়িব লাগিব সোণৰ অসম।
জাগা অসমীয়া জাগা
হে নৱ প্ৰজন্ম জাগা
নহ'লে আমি অসমীয়া
অসমতে ভগনীয়া হৈ ৰ'ম।
আমি জিলিকাব লাগিব লুইতৰে পাৰ
পুজিব লাগিব অসমী আইক
আমি আনিব লাগিব শান্তি অসমৰ
গঢ়িব লাগিব প্ৰগতিৰ অসম
ৰাখিব লাগিব অসমৰ মান।
হে মহান সুধাকণ্ঠ!
আজি তোমাৰেই চৰণত পৰি
তুমি দিয়া সাহসেৰে আমি
আগবাঢ়ি আহি
গঢ়িম আমি শান্তিৰ অসম
"জয় আই অসম"।
হে মহান পূজাৰী!
অসমৰ ৰত্ন তুমি
তুমি অমৰ হৈ ৰ'বা।

●●●

# মৰমৰ সুবাস বিচাৰি

✍ নৰুল ইছলাম
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি আহিবা বুলি
সদায় বাট চাই থাকো
তোমাৰ আশাত বৈ থাকো
কিমান দিন ৰাতি সময়ৰ সীমা নাই।
তোমাক যে ইমান
ভাল পাওঁ মই
কিয় নুবুজা তুমি
মোৰ মনৰ ভাষা
তোমাকলৈ কিমান যে আশা মোৰ
অকাস্মতে তুমি আঁতৰি গ'লা দূৰলৈ
কিয় তুমি এনেকুৱা কৰিলা
তোমাৰ প্ৰেমত মই
মজিছো কিমান জানানে?
কেনেকৈ পাহৰো তোমাক
সেই তাহানিৰ ভালপোৱা মৰমক
মই যেন বৈ থাকো সদায়
তোমাৰ অলপ মৰম পাবলৈ।

●●●






# তুমি দুচকুত কাজল ল'লে

✍ শ্ৰীকৰণ মেধী
স্নাতক প্ৰথম বৰ্ষ

তুমি দুচকুত কাজল ল'লে
তোমাৰ কাজল স'না চকুৰ ৰ'দে
দপ দপকৈ পুৰি ছাই কৰে মোৰ
প্ৰণয়ৰ লক্ষ্যাধিক সেউজীয়া।
তুমি দুচকুত কাজল ল'লে
স্তব্ধ হয় গতিশীল সময়
শ্বাসৰুদ্ধ হয় আশাবাদী ডেকা ল'ৰাজাক
লাহে লাহে বয় খৰস্ৰোতা নৈখনি
বিনা মেঘে নামে বৰষুণ।
তুমি দুচকুত কাজল নললেও
মোৰ হৃদয়ৰ আকাশত
উদয় হ'ব
পূবৰ প্ৰভাতী সূৰ্য্য।

●●●





# সপোন পৰী

✍ চাকিল আহমেদ
স্নাতক চতুৰ্থ ষাণ্মাসিক

সপোনৰ পৰি তুমি
আহা উৰি উৰি
মোৰ প্ৰাণৰ কাষলৈ
মিঠা মিঠা মৰম দিবলৈ।

সপোনতে আহা তুমি
দেখা দিয়া কিয় ৰাতি
ভাঙি দিয়া চিকুণ ঘুমটি
সুকৃয উঠিবলৈ
নিদিলা তুমি।

নিদ্ৰাহীন ৰাতি সাৰে আছো মই
তোমাৰ বাবে বৈ
আজি কিয় নাহা তুমি
সপোনৰ পৰী হৈ
মৰম সনা মৰম
দিবলৈ।

●●●

# বেদনা

✍ আছিকুৰ ৰহমান
স্নাতক প্ৰথম বাৰ্ষিক

তুমি যাবাগৈ কাইলৈ
মোৰ দুচকুৰ আগৰ পৰা।
হৃদয়ত মোৰ যাব বৈ
বহু দুখ আৰু বেদনা।।
বহুত সপোন দেখিছিলো
দুচকুত মাথো তোমাক লৈ।
বহুত সপোন ৰচিছিলো
হৃদয়ত মাথো তোমাক চায়।।
কৰিছিলো বহুত কল্পনা
তোমাক পাম বুলি।
সকলো হ'ল আউল-বাউল
কিয় বাৰু তুমি এনে কৰিলা?
মোৰ সকলো সপোন ভাঙি-চিঙি
তুমি কিয় আজি দূৰলৈ আঁতৰি গলা।
হৃদয়ত মোৰ আজি থাকিল
মাথো তোমাক নোপোৱাৰ বেদনা
মোৰ মুখৰ হাঁহি তুমি কাঢ়ি নিলা
এতিয়া এটি মাথো মোৰ
তুমি দিয়া বেদনা।

●●●

# উচুপনি

✍ আয়ুৰ আনচাৰী
স্নাতক তৃতীয় বৰ্ষ

দুৰ্ঘটনাগ্ৰস্ত হৈ আঁতৰি গ'লা মোৰ বুকুৰ মাজৰ পৰা!
দুচকুৰ চকুপানী যদিও ওলোৱা নাছিল
বুকুখনৰ কোনোবা এটা চুকত অনুভৱ হৈছিল দূৰৰ গধুৰ বোজা।
বুকুৰ কোনোবা চুক উদং কৰি গ'ল
তোমাৰ মৃত্যুৰ বাতৰিয়ে।

অবাক হৈ মাথো মজিয়াত বহি ৰ'লো
প্ৰকৃততে এয়া সপোন নে দিঠক
ম'বাইলত তোমাৰ নম্বৰ ডায়েল কৰিলো।

বুকু চেপি ওলাই আহিলো ৰূমৰ পৰা
উদং আকাশখনলৈ চাই পঠিয়ালো
দেখিলো জোনাক বিহীন আকাশখন
পৃথিৱীক পোহৰাবলৈ হয়তো তাৰো আজি সময় নাই।

বুকুত সাঁচি থোৱা মধুৰ স্মৃতি
দি গ'লা মাথো হিয়া-ভৰা দুখ
আৰু হিয়াভৰা উচুপনী।

●●●





# ধূলি

✍ উৎপল দাস
স্নাতক তৃতীয় বৰ্ষ

ধূলিবোৰ বেকাৰ প্ৰেমিকাৰ দৰে
উদাস চহৰত যেনে-তেনি
উৰি ফুৰে।

মাজে মাজে
এই চহৰৰ মানুহবোৰৰ
আড্ডাৰ একান্ত
সহচৰ হৈ উঠে।

ধূলিবোৰে দাবী কৰে
এই পৃথিৱী
এমুঠি ধূলিৰ বাহিৰে
আন একো নহয়।
এই শৰীৰ এই জীৱন
এমুঠি ধূলিৰ বাহিৰে আন একো নহয়।

●●●

# শূন্য হিয়াৰ মালিতা

✍ তৈহিদুৰ ৰহমান মোল্লা
স্নাতক দ্বিতীয় বৰ্ষ

চুই চাব নোৱাৰা দূৰত্বত
বৈ তুমি সুধিছা
কেনে আছো?

কেনেকৈ অনুভৱ কৰিবা
মোৰ হিয়াৰ শূন্যতা
দুখৰ গভীৰতা—
তুমিতো মোৰ দৰে
দুখৰ বৰযুণত তিতা নাই!

ৰাগীত মতলীয়া হৈ
আভিজাত্যৰ চোলা পিন্ধি

কেনেদৰে আঁকিবা
অভাৱী দিনৰ নিখুঁত ছবি?


নুসুধিবা দুনাই মোক
কেনে আছো।

এবুকু যন্ত্ৰণা লৈ
শৰবিদ্ধ শৰীৰেৰে
পাৰ কৰিছোঁ
পল-অণুপল।

ভাগৰুৱা মন
নিঃসংগ জীৱন।

দুখক লৈয়ে এতিয়া
মোৰ দুখ
আৰু দুখক লৈয়ে জীৱন।

●●●



# শূন্যতা

✍ উৎপল দাস
স্নাতক তৃতীয় বৰ্ষ

কিমান আৰু অকলশৰে থাকিম
আহানা এবাৰ মোৰ কাষলৈ
মোৰ হিয়াৰ শূন্যতাখিনি পূৰাবলৈ।
একেলগে সাজিম আমি সপোনৰ বালিঘৰ
বিচৰাবোৰ সকলো আনি দিম তোমাৰ মৰমৰ।
আমিও বিচাৰো সঁচা প্ৰেমৰ মিঠা মাদকতা
দুৰ্ভাগ্যৰ কবলত পৰি আমি যে সদায় বঞ্চিত।
কল্পনাৰ সাগৰত বুৰ যাওঁ জোনটি ওচৰত পাবলৈ
উপায় বিচাৰি নাপাওঁ তাৰ ওচৰলৈ যাবলৈ।
নীৰৱে চকুলো টুকো নিজানত অকলে বহি
কোন দিনা বাৰু মাৰিম এটি সুখৰ হাঁহি।
কিমান ভালপালে তুমি মোৰ হ'বা
তোমাক নাপাই মই সঁচাই আধৰুৱা।

●●●

# বাৰিষা

✍ সমুজ্জ্বল মেধি
স্নাতক প্ৰথম বৰ্ষ

ৰিম্‌ঝিম্‌ বৰষুণ পৰে
আকাশ ডাৱৰে ঢাকি ক'লা পাল তৰে।
গছৰ পাতেৰে সৰে ঝিৰ্‌ঝিৰ্‌ পানী
খলা-বমা একে কৰি মাটি নিয়ে খানি।
চকু পিৰিকাই হাঁহে সোণালী বিজুলী
বাৰিষাৰ নৈত খহে সোণৰ মাজুলী।
ঘৰৰ চালেৰে বয় বাৰিষাৰ ধল
গাঁও-ভূঁই তল যায় সোঁতে তলবল।
মথাউৰিত উঠে আহি গৰু ম'হ যত
আই-পিতা, ভাই-ভনী, ধনী, দুখী কত।
দুখৰ নপৰে ওৰ যেৱে বান আহে
টাইফয়েদ, ডায়েৰিয়া, মহামাৰী বাঢ়ে।
বানৰ কোব দেখি মন পৰে জই,
অনাহাৰে শোক দুখে চকুলোহে বয়।

●●●





# Hajo: A Cultural Mosaic of Integration

✍ **Dr. Ali Akbar Hussain**
Associate Professor, Deptt. of English

If unity in diversity is a pin-point of Indian cultural heritage, Hajo, a place of antiquity, a confluence of three major religions of the world-Islam, Buddhism and Hinduism can justly be called a 'Mini-India'. It is both Ajmeer Sharif and Jagannath— a place of pilgrimage for devotees irrespective of caste, creed and religion. Hajo occupies unique place in the history of Assam. It symbolizes communal unity and religious tolerance. It is the blessed land sheltering the Mughals, Koches and the Ahoms. Hajo is temple city. There are a number of shrines and temples meant for the Hindus, Buddhists and Muslims. Here one can find shrines dedicated to Siva, Paravati, Madhava or Vishnu, the Buddha and to Muslim saint.

Hajo was known by different names in different periods of history. The *Kalika Purana* (11th century A.D.) uses two names for the Hajo —Apurnabhava and Manikuta. The *Yoginitantra* (14th century A.D.) mentions the area as Vishnupuskara and Apurnabhava. During the region of Koch king Raghudeva Narayan in the 16th century A.D. Hajo was known as Manikutgram. According to some, the name Shah Sujauddin Hajo was named as Suja nagar. We come across the name Hajo for the first time in the chronicles written in the Ahom Court. Caritas or the biographies of Vaishnava saints of Assam also have been found to use the name Hajo. The name Hajo relates to Bodos, Buddhists, Muslims and Hindus. Dr. B. Kakati and Dr. Upendranath Goswami opine that Hajo may be bodo place name. 'Ha' means land in Bodo, 'Gojou' means high. 'Ha-Gojou' means high land. Some scholars associate Hajo with 'haj' the Muslims pilgrimage to Mecca. Poa-Mecca, situated at Hajo is a holy shrine for the Islamic world. It is believed that the visit to Poa-Mecca brings the one-fourth holiness of going to 'Haj' in Mecca. It is said that hundreds of sages were engaged in meditation on the top of the Manikuta hillock. In the midst of their meditation the sages concentrated and they started crying 'hata yoga' 'hata yoga'. From 'hata yoga', it is said the word Hajo was derived. According to tradition Buddha attained *mahaparinirvana* at Hajo. When he lost his earthly existence the disciple of Buddha started crying and uttered 'haaju' 'haaju' meaning. Another theory goes that the place acquire the name Hajo after a king Hajo or Haju by name. The name Hajo itself unites many castes and communities.

People belonging to different sections throng in Hajo. The population structure of Hajo may be broadly divided into two religious groups— Hindus and Muslim. The Hindu population includes many communities— viz. Brahmin, Kalita, Mali, Koch, Keot, Napit, Kamer, Nat'or Gayan, Dhoba, Kumar, Dom or Kaivarta, Caral or Namasudra etc. The Muslims have two communities —viz. Maria and Garia (Fakir). Presently five categories of Muslims have been found to reside in the area—

1. Muslim soldiers captured by the Ahom rulers in 1532.
2. The artisans and the learned Muslims brought by the Ahom rulers.
3. Muslim preachers who propagate Islam in Assam.
4. Converts to Islam at different historic times and
5. Immigrants.

Hajo is a peaceful abode of different cults and sects. 'Live and let live' is their motto. In the great Indian tradition, the Muslim rulers of India specially Babar and Akbar understood the value of communal amity and realized the importance of inter community tolerance and understanding. This can be visualized in the words Barbar to his son Humayun in his will:

"O my son, people of diverse religions inhabit India, and it is a matter of thanks giving to God that the

kings has entrusted the government of this country to you. It therefore behooves you that :

"You never destroy the place of worship of any community and always be justice loving, so that relations between the king and his subjects may remain cordial and there be peace and contentment in the land." This concept a secular and non-communal state was quite clear in Akbar's mind also. In Assam during the Ahom rule king Rudra Singha as well as Koch king favoured the Muslim Saints and established social harmony.

Some other factors like common language, nationality, polity, educational policy, secular constitution, literature, music architecture and painting catered to unity in diversity. The most forceful thread that bridges or link the people of this area is the Bhakti cult and the activities of the Sufis in Assam. Some festivals like 'urus', Manikut utsav and social institution like Boat race. Bihu, Mahoho etc. are commonly participated by all communities. Even some Muslims were engaged as paiks by the Ahom kings.

An important phenomenon that needs serious discussion here is the identical likeness between sufi movement and Vedantic philosophy. Most of the Sufis in India conceived of and preached unity in form of idealistic monism. The Hindus found their ideas very similar to those of Vedantic philosophy. But the great test attraction for the lower castes of Hindus was Islam that preached equality and fraternity. Quite a large number of Hindus embraced Islam, and even those who did not were now better disposed to the Muslims. The Hindu converts to Islam were at first ostracized by their own people but gradually came to be tolerated and served as a connecting link between their brothers in blood and their brethen in faith. Ramanada, Kabir, Guru Nanak, Chaitanya were the other personalities who created a general atmosphere of religious harmony between the Hindus and the Muslims. The song of love and devotion sung by Kabir is a symphony of the deepest notes of the religious feeling of the common people of India–Hindus, Muslims and others.

One individual who shaped the cultural personality of Assam and brought about a tremendous change in the Hindu society was Sankardeva (1449-1569 A.D.). He was philosopher, a poet and artist and reformer. He was a philosopher, a poet an artist and reformer. He preached tolerance and advised his followers not to hurt the religious sentiments of others. He tried to aliinate castism sheltering Koch, Chandal, Muslims, Hindus and other untouchables in his liberal roof. It is true that the he could not eradicate all the evils of Jati system but he did unify and integrate the Assamese socity.

Such in an atmosphere of Assam specially of Hajo area where the liberal Ahoms and the Koch king flourished, the great Sufis like Jalauddin Tabrizi, Giasuddin Aoulia and Azan Fakir happened to establish shrine and where satra and temple culture is active in the blood of the people. Hindu Muslim unity in Hajo area has been described as unique. The Hindu visiting the mosque of Poa-Mecca Dargah for offering homage there once in a year and the Muslims of the village serving the temples in different capacities speaks of the nature of harmony that has been prevailing among them.

The Zikirs (devotional songs) by Azan Fakir have been able to score success in ensuring the harmonious relation between Islam ad Hinduism, particularly the Vaishnavism preached by Sankardev as shown in the following lines–

*Hindu Musalman ek Allar farman*
*.....garasthane kabar sari sari*
*...Hinduk puriba mominak gariba....*

(Hindus and Muslims are bounded by the same set of the derived rules of Allah..... The act of cremating a Hindu and the entombing of a Muslim only signify one end–death for all.) with the foundation of the Poa-Mecca and other Dargah in the present day Kamrup region as the centres of Islam in the early $14^{th}$ century some Arabic and Persian words find their way into Assamese literature. The Kavyas like Madumati and Shahpari upakhyan were written on popular Islamic themes. Some of the Assamese ballads contain fasinating and secular toles of romance and advauture. The Jana Gabharur Geet, a popular song among the





Marias of the eastern Bhramputra valley, shows its affinity with that of Gul-wa-sonowar. Haidor Gazir Geet is equally popular among the Muslims and Hindus of Hajo. It is believed by some that the practice of Manasa puja (Serpent worship) was introduced in Kamrup in medieval period by a section of Muslim called Mariyas. Many Muslims are associated with Manasa Geet. In music specially, in Zikrirs, Thumri and Ghozal the contribution of the Muslims can not be neglected. Hastividyarnava, a marvelous painting by two painters— Dilbar, a Muslim and Dosai of Hindu reminds us of the affinity between the Mughal and Hindu architecture.

While people of the world are fighting each other in the name of narrow communal feeling, raical discrimination and political subjugation, Hajo can surely be a place of inspirations and hope, where 'Harinam' in the Hayagriba Madhab Temple and Azan in the Poa-Mecca can be heard at the same time–ringing in our ears one tune that we are the creations of the same creator.

No where else in India is the relationship, in the social and cultural plane, between the Hindus and Muslims, so cordial and complementary as in Assam–particularly in the Bramaputra valley. ❑

*"If there is light in the soul,*
*There will be beauty in the person.*
*If there is beauty in the person,*
*There will be harmony in the house.*
*If there is harmony in the house,*
*There will be order in the nation.*
*If there is order in the nation,*
*There will be peace in the world."*

***—Chinese Proverb***

# Impact of Ethno-Nationalism in the Politico-Administrative Aspects of Assam

✍ **Dr. Ramen Medhi**
Associate Professor
Department of Political Science

Most of social scientists raises an endless series of questions emphasizing 'why' and 'how' the issues of ethnicity and identity evolved after the post colonial nation building exercise. In fact, ethnic identity is an expression of socio-cultural, societal formation and resides at the core of the problems. Such ethnic formations are visible in most of the third world countries during the phase of de-colonization. The newly independent communities searched for acquiring identities in the newly emerging state system. In this way, 'ethnic identity' became a common ground of socio-cultural formations. India is no exception of that.

The question of ethnic identity is very complex in North-East India in general and Assam in particular. Since independence, Assam has been experiencing several Ethno-Political Movements. These movements have been signalling very complex problems within Indian Social and Political System. In fact, the question of ethnic identity has acquired significance facilited by its history, geography, culture, religion and finally the behaviour of Indian State. It has been striving to a large extent to find military solutions to the problems of ethnic conflict and thus rise of 'Ethno-Natinalism' in the region. In the process, ethnics self consciousness and its consolidation along the lines of tribe, community or language in these groups have become increasingly manifest in the entire region. It is pertinent to be noted here that ethnic identity is not only relevant in case of people's relations within outsiders but it has created inter-ethnic clashes and conflict amongst groups as well.

**Conceptual Framework of Ethnicity, Identity and Ethno-nationalism :**

The concepts of Ethnicity, Identity and Ethno-Nationalism have inter-relationship. Their meaning and relevance vary with both time and place. The word 'ethnicity' is derived from the Latin word 'ethnike' which means 'common identity'. It gives a sense of belonging to group of people (Chaturvedi: 2003: Preface). In the modern usage, ethnicity means a group of people who share a feeling of peoplehood based on a common language, region, religion, race, endogamy, customs and beliefs. In fact, ethnicity is a socially negotiated achievement rather than a fact (Narang : 2005-626).

Identity is a dependent memory and therefore undergoing constant revision. It sustains certain subjective positions, social boundaries and course of power. Political leaderships use the language of identity claiming an interest in protecting and enhancing national identity with the concept of 'nation' further enhances sensitivity of the issue.

Ethno-Nationalism on the other hand refers to the phenomenon of Political Movements learned on the basis of Ethnic Identity. Many of the powerful groups such as Nagas, Mizos, Bodos etc. consider themselves as nations in the sense of Ethno-Nationalisms which defines the self understanding of ethnic groups in North East India in various forms of their struggle for identity. Carman Abubakar defines Ethno-Nationalism as ethnic groups claiming an interest in protecting and enhancing national identity with the concept of 'nation' further enhances sensitivity of the issue.

The present study is an attempt to find out some causes of Ethno-Nationalism in Assam for the separate ethnic identity as well as to analyse whether unfulfilled political aspirations of different enthnic groups have led to unrest. The study is mainly based on various secondary data.

The recent demographic profile of Assam presents a mosaic which has always been a composite multi-ethnic and multi-lingual. The total population of Assam has been 2,66,555,528 where STs and SCs comprise 12.4 percent and 6.8 percent respectively. Among STs, Bodo represents 40.9 percent, Mishing 17.8 percent, Karbi 10.7 percent, Rahba 8.4 percent, Kachari 7.1 percent; Tiwa 5.2 percent, Dimasa 3.4 percent. North Cachar Hills and Karbi Anglong Hill districts of Assam are predominantly tribal housing of two important STs of the State— the Dimasa and the Karbi. As per 2001 Census, the North Cachar Hills has got the highest 68.3 percent ST population, followed by Karbi Anglong 55.7 percent (http;//en. Wikipedia. Org/wiki/Assam). Assam shelters sixteen Scheduled Castes and in the Autonomous Districts, there are fourteen main Scheduled Tribes and thirty seven Sub-Tribes. In the rest of Assam excluding the Autonomous District, there exist nine Scheduled Tribes (The Scheduled Castes and scheduled Tribes Orders (Amendment) Act, 1976 (No.109 of 1976, dated 18th September, 1887). The latest estimates show that the Assamese comprises 29.3 percent, the Bengali, Hindu 13.1 percent, Bodos 5.1 percent, Bodos 5.1 percent. Adibasis 9.5 percent, Karbis 1.5 percent, Nepalis 1.7 percent, Mishings 1,7 percent, Koch-Rajbongshis 2.07 percent, Dimasas 0.35 percent, Muslims 30.1 percent and others 9.4 percent (Das: March, 2010 : 13,14).

**Ethno-Nationalism for separate Ethnic Identity — its causes and consequences :**

After the promulgation of the constitution on 26 January, 1950, there were agitations in different regions of the country for re-organisation of the states. The boundary commission was appointed in 1952 and it recommended states' boundaries on the basis of language. The recommendations of the Commission were implemented through the State Re-organization Act of 1956.

However, the pent up feelings and grivances of different ethnic groups of the country were unleashed in the process of re-organization of states on the basis of language. But this happened in more intense manner in Assam because Assam was the only state encompassing the entire North-East except Tripura and Manipur. In 1954, there were various demands for re-organization of Assam demanded a Hill State. This demand contemplated the unification of all the Hill Districts mentioned in 'Part A' of the sixth schedule including the Naga Hill District. But the Naga National Council (NNC) remained aloof from the proposed Hill State. Then there was a demand for formation of Kamatapur State was consisting of Goalpara, Garo Hills, Coach Bihar, Darjeeling and Jalpaiguri. But the State Re-Organisation Commission (SRC) did not accept any of the these demand (Rajput : 2011 : 10).

The recommendation of the SRC was not acceptable to the hill people. The Nagas continued to demand for independence from India. The other hill areas also continued to press for separation from Assam. In 1960s, the language controversy in Assam drew the attention of almost all sections of people. Meanwhile, the Government of Assam passed "The official Language Act" announcing Assamese as the official language. It aggravated the situation in Assam. In 1963, Nagaland got statehood. The people of other Hill Districts were encouraged by it and continued their agitation for autonomy. Ultimately the state of Meghalaya, Mizoram and Arunachal Pradesh were created. Of course, Tripura and Manipur were earlier princely native states and became Union Territories after independence. Later, they achieved separate statehood.

In this way, the tribal areas under the sixth schedule got statehood and Assam was broken up and North East India became seven states. Further, two Autonomous Districts of Karbi Anglong and North Cacher Hills were formed since 1950. Thus, the re-organisation of the states on linguistic terms further aggravated the scene.

The process of getting division on the line of ethnicity did not stop here. The aspiration for a distinct identity among the ethnic groups resulted in number of

political movements demanding autonomy. To meet the demands of the different ethnic groups in the state, some political and administrative arrangements with Sub-federal Political Re-Organization have been made in the past two decades.

The Bodoland Territorial Autonomous Districts (BTAD) is formed on the basis of ''The Bodo Accord, 2003''. It exercises powers under the sixth schedule of the constitution. It has jurisdiction over the four administrative districts of Kokrajar, Chirang, Baksa and Udalguri. The BTAD has wide executive and legislative powers although law and order remains with the State Government.

Today, seven Autonomous Councils were constituted in Assam. These are Mishings, Rabha Hasongs, Tiwa, Deories, Sonowal Kacharies, Thengal Kacharies and the Barak Valley Tribes Councils. Further, Other seven ethnic development councils were recently in the process of formation. These are Morans, Motoks, Ahoms Chutias, Koch-Rajbonghis, Adibasis and Garos. These ethnic groups have been demanding for tribal status for a long time and only Sarania Kacharies have been newly included in the list of tribes. The ninth council will be for the Amir Karibs who live in the periphery of the city of Guwahati. On 19 February, 2009, a number of tribal organisations assembled in Guwahati and passed a resolution demanding a tribal state named Kachariland and they claimed to represent 18 tribes (Das : March, 2010 : 4). The Tea labourers have started abandoning the Assamese language and they are reviving their own 'Sadri' language. They also fighting for tribal status. Dimasa Halongs and Karbis have demanded up gradation of their Autonomous Districts into state. Of course, signing of peace pact by the Central and Assam Government with both factions of the Dima Halam Daogah (DHD) on October, 8, 2012 is a positive development as the Memorandum of Settlement (MoS) included a political and economic package worth Rs. 200 crore. Besides, 39 subjects would be transferred to the council para 3A of the 6th Schedule of the Constitution, conferring legislative powers. Recently the Bodos under BTAD, Karbi and Dimasas under North Cachar Hills and Karbi Anglong Hills district, Koch Rajbongshi and Motaks are demanding states separately, immediately after proclamation of statehood to Telengana.

**Can Sub-Federal Political Re-organisation of Assam be enabled to restrain Ethno-Nationalism?**

The answer is no. Today, many problems have remained unsolved. In Bodoland for instance, many villages have been included where there is no or a little Bodo population. Besides, Non-Bodos are in majority in 3 out of Bodoland's 4 districts. Hence, there is a considerable antipathy amongst the Non-Bodo inhabitants of Bodoland. On the contrary, there is a large number of Bodos who live outside Bodoland. They have no special rights and benefits unlike their compatriots inside Bodoland. Further, there have been many cases of attempted ethnic cleansing inside Bodoland (Das : March : 2010 : 15).

Today, the Koch-Rajbongshis have two main demands —tribal status and Kamatapur state. Their demand for a Kamatapur state has equal weightage as the demand for a state of Bodoland. If Kamatapur is considered, the present boundaries of Bodoland will undergo a change.

Moreover, the Autonomous Tribal and Ethnic Councils seem to be in conflict with the PRIs in plains and some traditional councils in the Hills. These councils are feudal, hereditary and oligarchic in nature and they excluded women, tenant farmer, wage labours and poor people. Under the normal circumstances, the tribal councils and the ethnic councils should not be allowed to substitute the PRIs which have democratic entities. The PRIs have been recently abolished from the Bodoland areas. In the Rava Hasong area also, the tribals prevented the election of the PRIs. So, to bring together the aspirations of the ethnic groups and the necessity of the PRIs at the grass roots level is vital question.

Today, a large number of insurgent outfits have appeared in Assam taking advantage of ethnic and sub-national, grievances. During last two decades, several insurgent groups have been launching a major massacre in the state. The table-1 indicates the year wise number of massacre with died people (since 2001 to 2010).





**Tabel-1**

| Year | No. of Massacre | No. of died people |
|---|---|---|
| 2001 | 15 | 80 |
| 2002 | 12 | 109 |
| 2003 | 16 | 103 |
| 2004 | 13 | 137 |
| 2005 | 13 | 94 |
| 2006 | 11 | 60 |
| 2007 | 31 | 168 |
| 2008 | 25 | 192 |
| 2009 | 24 | 126 |
| 2010 | 10 | 52 |
| **Total** | **170** | **1120** |

*Source : Sadin, 10 December, 2010*

From the above discussion, it can be opined that although the Sub-Federal Political Re-Organisation of Assam has been made in order to curb Ethno-Nationalism and Ethnic Conflict but that is not enough. The misuse of the Armed Forces Special Powers Act, 1958 (AFSPA) has also caused a feeling of alienation and dispense among a major chunk of population which is directly helping for the rise of Ethno-Nationalism (The Assam Tribune, 21 November, 2009). The entire civil society is of the view that AFSPA has no place in an enlightened, democratic society. The glaring example in this regard is Irom Sharmila who has been on 12 years long fast for repeal of the AFSPA (The Assam Triune, 22 November, 2012).

The Ethnic Conflict, the product of Ethno-Natonalism has also damaged the economy badly. The ethnic groups mainly target the basic infrastructure which is essential for development. The frequent blockage of roads and call for 'bandh' for long duration has serious repercussion on the economy of Assam.

The ethnic conflicts have also produced highly serious humanitarian issues. The rehabilitation and the re-settlement of victims are implication of serious nature to be borne by the central and the state government.

As the ethnic conflicts are the hostile attitudes and feelings of hatred of particular ethnic group against other ethnic groups, it has adversely affected the harmony and mutual adjustment of the society. Ethnic violence in recent times in Lower Assam, particularly in BTAD is a matter of serious concern. Now a days, ethnic riots and extra judicial killings are frequent occurrences. Even, in the last one decade went by with one or more ethnic riots. Over 500 persons were killed and over million displaced in these riots (The Assam Tribune, November, 11, 2012). Instances of security forces killing people on mere suspicion are out of control.

**Conclusion :**

In a region like North East India along with Assam is characterized by Ethno-Political Movements. In fact, the traditional paradigms of assimilation and top-down integration appear a paternalistic and have

the potential to breed and sustain conflict. Hence, multi-culturalism should be promoted by the government and the media. Besides, cross-cultural dialogue and civil society interactions should always be encouraged. It may be better to cause a paradigm shift from the existing ''unity in diversity'' to ''diversity to unity'' model. It means that diversity must be protected and it must be united as it is. In the words of Ranjit Shekhar Mooshahari, the ex-governor of Meghalaya, ''It is not that the red colour will overtake the black colour and black colour will othertake other colours. All colours must constitute the mosaic of diversity (Rajput : xxvii). So in democracy, assimilation is not the right thing, it is only accommodation for integration. We have learned to accommodate unity in diversity. ❑

***References :***


Buzarbaruh Ripima (Ed.) : Ethnic Conflict and Identity Crisis in North East India, Published by Suren Das College Hajo.

Chadda Maya : Ethnicity, Security and Separatism in India, Oxfort University Press, Delhi, 1997.

Chabue, S. K. : Hill Politics in North East India, Hyderabad, Orient Longman, 1999.

Chaturvedi Ravi Brian Singleton (ed.) : Ethnicity and Identity, Global Performance, Rawat Publications, New Delhi, 2003.

Mahanta, Nani Gopal (Ed) : Politica, Annual Journal of NEIPSA, 2009-2010, Published by NEIPSA

Narang A.S. : Indian Government and Politics, Gitanjali publishing House, New Delhi, Eddition, 2005.

Rajput Madhu (Ed.) : Understanding North East India, Cultural Diversity, Insurgency and Identities MANAK Publications Pvt. Ltd, 1st Edition, 2011. Verghese B.G : India's North East Resurgent, Konak Publisher Pvt. Ltd., 199 souvenir

Hussain Manirul (Ed.) : Understanding Society and Politics, a souvenir published by Souviner Sub committee, Local Organizing Committee of Second Annual Conference of North East India Political Science Association, Department of Political Science, Gauhati University, 1992.

Das H.N. : A New Paradigm of Development : Regional Imbalance and Assam, The Economic Times Issue dated, October 23, 1985.

Das H.N: : Sub-Federal Political Re-Organisation of Assam (an article), March, 2010.

Dainik Agradoot, an Assamese daily, Guwahati, 10th January, 2006

The Assam Tribune, Guwahati, 21st November, 2009

The Assam Tribune, Guwahati, October, 9, 2012

The Assam Tribune, Guwahati, October, 10, 2012

The Assam Tribune, Guwahati, 22nd November, 2012

The Assam Tribune, Guwahati, November, 11, 2012

The Assam Tribune, Guwahati, November,12,2012

The Pratidin, Guwahati, 26th November, 2010

Sadin, a weekly newspaper, Guwahati, 10th December,2011.






# Human Trafficking : A Concern of today

✍ **Bharati Medhi**
Deptt. of Geography

The newspaper dailies of today as well as the electronic news bulletins abound in missing reports which makes one wonder whether this is a normal phenomenon. This no-normal phenomenon introduces us to the world of human trafficking which is a great concern for both the administration and the academicians. Barring few cases, most of the missing persons are the victims of illegal human trading.

Human trafficking is done for exploitation of every kind; some are trafficked to be cheap labours, others for sexual exploitation, organ transplantation, illegal marriage, so on and so forth. And in most cases they are trafficked by lure, deceit, compulsion, threat, coercion and threat. The reports available in the internet sources show that among the trafficked persons, the number of children and women community is higher than that of the other categories. Usually those who are economically backward and socially discriminated are more prone to be trafficked. Further, girl children and handicapped persons are more vulnerable to trafficking. Shortage of food owing to drought and flood like situation, economic distress and the collapse of the social security system increase the risk of vulnerability.

As well known, trafficking is done by the traffic rackets, though some false NGOs are also seen to be operating behind. To add fuel to the flame, in many cases family members, even the victim's parents are seen to be involved. It is however wrong to think that only the men are involved in such cases; women are equally involved.

In India, we see transborder trafficking, along with inter-state and inter district trafficking. Reports of transborder trafficking of women and girls show that it is at a higher rate in Nepal, Bangladesh, and also from Pakistan. Moreover, the trafficked persons from our country are sent to various places across the border. States like Andhra Pradesh, Karnataka, Tamil Nadu, Maharashtra, Rajasthan, Utter Pradesh, Bihar and West Bengal show a very high rate of interdistrict trafficking. Delhi and Goa, on the other hand, show higher rate of trafficking from other states.

The situation is not very good in our north-eastern states. The long drawn extremist activities as well as the ethnic clashes have made women and children, in the entire region, highly vulnerable. Women and children trafficking from this region is a serious issue which has not drawn public attention. Pangsa and Dimapur in Nagaland and More in Manipur are the major transit and demand centres. According to the study made by NHRC, women and children from Assam and Bangladesh are trafficked to More and from there, they are sent to Mynamar and other countries in South East Asia through the Golden Triangle. Moreover, women and children from Assam, especially from upper Asam, Nagaland and Bangladesh are trafficked through Pangsa International treat Tower and moved to the Golden Traingle.

